www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

ডাঙৰ আৰু যথেষ্ট সংখ্যক ভুলৰ মাজেদি নহাকৈ কোনো এজন মানুহেই মহান তথা সফল হ'ব নোৱাৰে। - উইলিয়াম শ্বেইক্সপীয়েৰ।

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ | সংখ্যা- ১০৬ | সোমবাৰ | ১৯ জানুৱাৰী, ২০২৬ চন | Volume/Year- I | Issue- 106 | Monday | 19th January, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page- 8








## কাজিৰঙা এলিভেটেড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰি কংগ্ৰেছক তুলাধুনা

# মৌচন্দা পথাৰত ৰণশিঙা বজালে প্ৰধানমন্ত্ৰী মোডীয়ে

"কাজিৰঙা কেৱল ৰাষ্ট্ৰীয় উদ্যানেই নহয়, অসমৰ আত্মা। ভাৰতৰ জৈৱ-বৈচিত্ৰ্যৰ অমূল্য ৰত্ন কাজিৰঙা ঃ মোদী"

**অসম বাৰ্তা, কলিয়াবৰ, ১৮ জানুৱাৰী ঃ** কলিয়াবৰত উপস্থিত হ'ল ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী। দুদিনীয়া ভ্ৰমণ সূচীৰে অসমলৈ অহা প্ৰধানমন্ত্ৰী গৰাকী আজি দ্বিতীয় দিনা কলিয়াবৰৰ মৌচন্দা পথাৰৰ বিশাল জনসভাত উপস্থিত হৈ ৰাইজক সম্বোধন কৰে। প্ৰায় সাত হাজাৰ কোটি টকাৰ কাজিৰঙাৰ এলিভেটেড ক'ৰিডৰ প্ৰকল্পৰ শিলান্যাস কৰাৰ লগতে দুখন শি-পাৰ ট্ৰেইন ৰিম'ট টিপি উৎঘাটন কৰে। প্ৰধানমন্ত্ৰী গৰাকীয়ে ৰাইজক সম্বোধন কৰি কংগ্ৰেছ দলৰ অৱস্থা বৰ্তমান শোচনীয় বুলি কয়। কংগ্ৰেছৰ বৰ্তমান উন্নয়নৰ প্ৰতি গুৰুত্ব নাই আৰু প্ৰতিশ্ৰুতিও নাই বুলি উল্লেখ কৰে। এই বিশাল জনসমাৱেশত প্ৰধানমন্ত্ৰীগৰাকীয়ে সুধাকণ্ঠৰ গীত আওৰাই আৰম্ভ কৰা ভাষণত কয়- ৬৯৫৭ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'ব কাজিৰঙা এনিমেল কৰ্ডিনেটৰ। বিগত সময়চোৱাত কাজিৰঙাত নৈশ যাপন কৰি কাজিৰঙাৰ জীৱ-জন্তুক ওচৰৰ পৰা প্ৰত্যক্ষ কৰি আনন্দিত হৈছিল বুলিও তেওঁ কয়। কাজিৰঙা আৰু ইয়াৰ বন্য প্ৰাণীক সুৰক্ষা দিয়াই নহয়, অসমৰ ভৱিষ্যত ▸▸৬ পৃষ্ঠাত

### প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শুভ উদ্বোধনৰ পিছতে অসমৰ ৰে'ল যাতায়াতত নতুন অধ্যায়

## ডিব্ৰুগড়-গোমতি, কামাখ্যা-ৰোহতক অমৃত এক্সপ্ৰেছ মুকলি প্ৰধানমন্ত্ৰী মোদীৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৮ জানুৱাৰী ঃ** ভাৰতীয় ৰেলৱেৰ ইতিহাসত এক নতুন মাইলৰ খুঁটি স্থাপন কৰি অমৃত ভাৰত এ'প্ৰেছৰ প্ৰথম যাত্ৰা আজি ডিব্ৰুগড়ৰ পৰা আৰম্ভ হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কলিয়াবৰৰ পৰা ভাৰ্চুৱেলী এই অত্যাধুনিক ৰেল সেৱাৰ শুভাৰম্ভ কৰাৰ লগে লগে ডিব্ৰুগড়ৰ বাণীপুৰ ষ্টেচনৰ পৰা ট্ৰেইনখনে ▸▸২ পৃষ্ঠাত

### ফৰকাটিং ৰে'লৱে গেট তিনিমাহ ধৰি বন্ধ কৰি ৰখাত ক্ষোভিত স্থানীয় ৰাইজ; দুদিনৰ ভিতৰত গেট খোলাৰ দাবীত হুংকাৰ

## ৰাইজৰ প্ৰতিবাদত বাতিল হ'ল প্ৰধানমন্ত্ৰীৰ ভাৰ্চুৱেল অনুষ্ঠান

**অসম বাৰ্তা, গোলাঘাট, ১৮ জানুৱাৰী ঃ** দুদিনীয়া কাৰ্যসূচীৰে অসম ভ্ৰমণলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এটা গুৰুত্বপূৰ্ণ ভাৰ্চুৱেল অনুষ্ঠান স্থানীয় ৰাইজৰ তীব্ৰ প্ৰতিবাদৰ বাবে বাতিল কৰিবলৈ বাধ্য হ'ল ৰে'লৱে বিভাগ। ▸▸২ পৃষ্ঠাত

### অসম আৰক্ষীৰ চাকৰিত আবেদনৰ সময়সীমা ১৫ দিন বৃদ্ধি, বয়সৰ সীমা ২৬ বছৰলৈ বৃদ্ধি

## ডাভ'ছলৈ ৰাওনাৰ পূৰ্বে মুখ্যমন্ত্ৰীৰ একাধিক ঘোষণা




**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৮ জানুৱাৰী ঃ** বিশ্ব অৰ্থনৈতিক মঞ্চৰ (World Economic Forum) বাৰ্ষিক অধিৱেশনত ▸▸৬ পৃষ্ঠাত

## হিমন্ত বিশ্ব শৰ্মাক 'মিছলীয়া মুখ্যমন্ত্ৰী' আখ্যা গৌৰৱ গগৈৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, হাজো, ১৮ জানুৱাৰী ঃ** ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ বাবে ৰণশিঙা বজাই অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি গৌৰৱ গগৈ আৰু প্ৰাক্তন সভাপতি ভূপেন কুমাৰ বৰাই আজি হাজো-শুৱালকুছি সমষ্টিত এক ▸▸৬ পৃষ্ঠাত

## ধৰ্মই পথ প্ৰদৰ্শন কৰি থকালৈকে ভাৰত বিশ্বগুৰু হৈ থাকিব ঃ মোহন ভাগৱত



### কোনো জীৱ ধৰ্মহীন হ'ব নোৱাৰে, ধৰ্মই বিশ্বব্ৰহ্মাণ্ডৰ চালিকা শক্তি

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৮ জানুৱাৰী ঃ** ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ (আৰ এছ এছ) সৰ্বোচ্চ নেতা মোহন ▸▸২ পৃষ্ঠাত

### আজি নৱগ্ৰহ শ্মশানত সম্পন্ন হ'ব বেহেলাবাদকগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়া

## বিশিষ্ট বেহেলাবাদক মিনতি খাউণ্ডৰ দেহাৱসান



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৮ জানুৱাৰী ঃ** অসমীয়া লোকসংগীতৰ জগতৰ প্ৰখ্যাত বেহেলাবাদক আৰু সংগীত সাধকা মিনতি খাউণ্ডে আজি দেওবাৰে সন্ধিয়া প্ৰায় ৬: ৪০ বজাত শেষ নিশ্বাস ত্যাগ কৰে। গুৱাহাটীৰ এখন ব্যক্তিগত হাস্পতালত ▸▸২ পৃষ্ঠাত

### মালাগা-মাদ্ৰিদ আৰু মাদ্ৰিদ-হুৱেলভাৰ দুখন দ্ৰুতগতিৰ ৰে'লৰ সংঘৰ্ষ

## দক্ষিণ স্পেইনত ভয়ংকৰ ৰে'ল দুৰ্ঘটনা; ২১ জনৰ মৃত্যু, শতাধিক আহত

**ইণ্টাৰনেছনেল ডেস্ক, ১৮ জানুৱাৰী ঃ** স্পেইনৰ দক্ষিণাঞ্চলৰ কৰ্ডোবা প্ৰদেশৰ আদামুজ নামৰ স্থানৰ ওচৰত ১৮ জানুৱাৰী, ২০২৬ তাৰিখে সন্ধিয়া এটা ভয়ংকৰ ৰে'ল দুৰ্ঘটনা সংঘটিত হয়। এই দুৰ্ঘটনাত অন্ততঃ ২১জন লোকৰ মৃত্যু হৈছে ▸▸২ পৃষ্ঠাত

### ৰাষ্ট্ৰীয় উদ্যানৰ স্পৰ্শকাতৰ পৰিৱেশ, বন্যপ্ৰাণীৰ স্বাভাৱিক গতিবিধিত দীৰ্ঘম্যাদী ক্ষতিৰ আশংকা

## কাজিৰঙা এলিভেটেড কৰিডৰৰ বিৰোধিতা সাংসদ গৌৰৱ গগৈৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৮ জানুৱাৰী ঃ** কলিয়াবৰৰ জখলাবন্ধা অঞ্চলৰ মাজেৰে প্ৰস্তাৱিত এলিভেটেড কৰিডৰৰ (Kaziranga Elevated Corridor) শিলান্যাস কৰিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰস্তুতি চলাই থকাৰ সময়তে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা লোকসভাৰ বিৰোধী উপ-দলনেতা গৌৰৱ গগৈয়ে এই প্ৰকল্পৰ তীব্ৰ বিৰোধিতা কৰিছে। নলবাৰী জিলাৰ টিহুত অনুষ্ঠিত ৰাইজৰ সভাত তেওঁ কয় যে প্ৰায় ৭, ০০০ ▸▸২ পৃষ্ঠাত

### পৰম্পৰাগত সাজ-পোছাকৰ বাবে বৈষম্যমূলক ব্যৱহাৰৰ অভিযোগ

## বাগুৰুম্বা দহৌ অনুষ্ঠানত অপমানিত দ্বীপেন বড়ো; সামাজিক মাধ্যমত ক্ষোভ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৮ জানুৱাৰী ঃ** শনিবাৰে সৰুসজাই ক্ৰীড়া প্ৰতিষ্ঠানত অনুষ্ঠিত ঐতিহাসিক 'বাগুৰুম্বা দহৌ ২০২৬' অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ যাওঁতে অপমানিত হোৱাৰ অভিযোগ উত্থাপন ▸▸২ পৃষ্ঠাত

### ভাওনাৰ সংৰক্ষণ আৰু বিকাশত অৱদানৰ বাবে প্ৰসন্ন দত্তক ভাওনা হিতৈষী বঁটা প্ৰদান



## পাঁচশ সূত্ৰধাৰৰ নৃত্য পৰিৱেশনেৰে আৰম্ভ অসম ভাওনা সমাৰোহ-২০২৬

### 'ভাওনাৰ জৰিয়তে সমাজত নৈতিক জাগৰণ আৰু সাংস্কৃতিক ঐক্য গঢ়ি উঠিছে' ঃ ড° পীতাম্বৰ দেৱ গোস্বামী

**অসম বাৰ্তা, আউনীআটী সত্ৰৰ মণিকাঞ্চন ৰংগক্ষেত্ৰ ক্ষেত্ৰৰ পৰা সনজিৎ কুমাৰ অভয়পুৰীয়া, ১৮ জানুৱাৰী ঃ** শ্ৰীমন্ত শংকৰদেৱে সূত্ৰধাৰ চৰিত্ৰটো অৱতাৰণা কৰাৰ ক্ষেত্ৰত গভীৰ আধ্যাত্মিক দৰ্শনৰ প্ৰতিফলন ঘটাইছে। আধ্যাত্মিক দৃষ্টিৰে বিচাৰ কৰিলে সূত্ৰধাৰক পুৰুষ বুলিও ক'ব নোৱাৰি, নাৰী বুলিও ক'ব ▸▸২ পৃষ্ঠাত



## ৰাইজৰ প্ৰতিবাদত

গোলাঘাট জিলাৰ ফৰকাটিং ৰে'লৰে ষ্টেচনত অমৃত ভাৰত এ'প্ৰেছ্ ৰে'লৰ ফ্লেগ অফ অনুষ্ঠানৰ লগত জড়িত এই ভাৰ্চুৱেল সভা আৰু সাংস্কৃতিক কাৰ্যসূচী ৰাইজৰ বিৰোধিতাত বন্ধ কৰা হয়। দেওবাৰে কলিয়াবৰৰ মৌচন্দা পথাৰৰ পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰ্চুৱেলী অমৃত ভাৰত এ'প্ৰেছ্ ৰে'লখন ফ্লেগ অফ কৰে। এই উপলক্ষে ডিব্ৰুগড়ৰ পৰা গোমতী নগৰলৈ অহা ৰে'লখন ফৰকাটিং ষ্টেচনত উপস্থিত হোৱাৰ পিছত ৰে'ল বিভাগে প্ৰধানমন্ত্ৰীৰ ভাৰ্চুৱেল সভা আৰু স্থানীয় সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰিছিল। কিন্তু তিনিমাহৰো অধিক সময় ধৰি ৰে'লৰে গেট বন্ধ কৰি ৰখাৰ বিৰুদ্ধে ক্ষোভিত স্থানীয় ৰাইজ, ব্যৱসায়ী আৰু বিভিন্ন দল-সংগঠনে এই অনুষ্ঠান বৰ্জন কৰে। প্ৰতিবাদৰ মূল কাৰণ হৈছে ফৰকাটিং ৰে'ল ষ্টেচনৰ ওচৰৰ ৰে'লৰে গেটখন। কোনো পূৰ্ব জাননী নোহোৱাকৈ পথ মেৰামতিৰ দোহাই দি ৰে'ল বিভাগে হঠাৎ এই গেটখন বন্ধ কৰি দিয়ে। ফলত বিগত তিনি মাহত স্থানীয় ব্যৱসায়-বাণিজ্য, বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, কৃষিজীৱী লোক আৰু সাধাৰণ ৰাইজে ব্যাপক অসুবিধাৰ সন্মুখীন হৈ আহিছে। এই গেটখনৰ জৰিয়তে অসম-নাগালেণ্ড সংযোগকাৰী পথ, এশ বছৰীয়া ঐতিহ্য থকা ঘৰ-বাৰী, ছখন বিদ্যালয়, দুখন মহাবিদ্যালয় আদি বিচ্ছিন্ন হৈ পৰিছে। লগতে বিকল্প পথ হিচাপে নিৰ্মাণ কৰা উৰণসেতুত পদপথ নথকাৰ বাবে কেইবাটাও দুৰ্ঘটনা সংঘটিত হৈ কেইবাজনো লোকৰ মৃত্যু হোৱাৰ অভিযোগ উঠিছে। পূৰ্বতে গোলাঘাটৰ জিলা আয়ুক্ত পুলক কুমাৰ মহন্তই এটা আদেশত স্পষ্টভাৱে উল্লেখ কৰিছিল যে, বিকল্প পথ নিৰ্মাণ নোহোৱালৈকে এই গেট বন্ধ কৰিব নোৱাৰি। কিন্তু ৰে'ল বিভাগে বিকল্প পথৰ অৰ্থ উৰণসেতু বুলি ভুল ব্যাখ্যা কৰি গেট বন্ধ কৰি ৰাখিছে বুলি অভিযোগ। প্ৰতিবাদৰ সময়ত ৰে'লৰে বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থকাৰ পিছতো স্থানীয় ৰাইজে সমস্যাৰ সমাধানৰ দাবী জনাইছিল। অন্যথা অনুষ্ঠান অনুষ্ঠিত কৰিবলৈ নিদিয়াৰ হুংকাৰ দিয়ে। অৱশেষত ৰে'ল বিভাগে প্ৰধানমন্ত্ৰীৰ ভাৰ্চুৱেল সভা বাতিল কৰিবলৈ বাধ্য হয়। লগতে অমৃত ভাৰত এ'প্ৰেছ ৰে'লখনক ফৰকাটিং ষ্টেচনত ৰখোৱাও বন্ধ কৰা হয়। কৃষক মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় যুটীয়া সম্পাদক বিদ্যুৎ শইকীয়াই কয়, "আমি ৰে'ল বিভাগক স্পষ্টভাৱে জনাইছোঁ যে তিনিমাহ ধৰি এই গেট বেআইনীভাৱে বন্ধ কৰি ৰখা হৈছে। জিলা আয়ুক্তৰ আদেশ অনুসৰি দুদিনৰ ভিতৰত গেট খুলি দিব লাগিব। নহ'লে আন্দোলন তীব্ৰতৰ হ'ব।" তেওঁ লগতে কয়, "প্ৰধানমন্ত্ৰীয়ে ৰাইজৰ 'মন কী বাত' শুনিব লাগিব। আমি তেওঁৰ 'মন কী বাত' নুশুনো। যদি আমি ৰে'ল লাইনত প্ৰতিবাদ কৰোঁ তেন্তে গোচৰ ৰুজু কৰে, কিন্তু তেওঁলোকে অসম চৰকাৰৰ পথ বন্ধ কৰিলে কি ব্যৱস্থা লয়?" এই ঘটনাই স্থানীয় সমস্যাৰ প্ৰতি কেন্দ্ৰীয় আৰু ৰাজ্যিক প্ৰশাসনৰ দায়বদ্ধতাৰ ওপৰত গুৰুতৰ প্ৰশ্ন উত্থাপন কৰিছে। ৰাইজে দাবী কৰিছে যে দুদিনৰ ভিতৰত গেট খুলি নিদিলে আন্দোলন অধিক তীব্ৰতৰ ৰূপ ল'ব।

## ধৰ্মই পথ প্ৰদৰ্শন কৰি থকালৈকে ভাৰত

ভাগৱতে দেওবাৰে এক অনুষ্ঠানত গুৰুত্বপূৰ্ণ মন্তব্য প্ৰকাশ কৰি কয় যে, যিমান দিনলৈকে ধৰ্মই ভাৰতবৰ্ষক পথ প্ৰদৰ্শন কৰি থাকিব, তেতিয়ালৈকে ভাৰত বিশ্বৰ গুৰু বা 'বিশ্বগুৰু' হৈ থাকিব। তেওঁ কয়, "এনে আধ্যাত্মিক জ্ঞান আৰু ঐতিহ্য বিশ্বৰ আন ক'তো নাই। এইটো আমাৰ পূৰ্বপুৰুষসকলে আমাক দি যোৱা অমূল্য উত্তৰাধিকাৰ। সাধু-সন্ত আৰু মহাপুৰুষসকলৰ মাগদৰ্শনত ভাৰতে সদায় এই পথত আগবাঢ়ি আহিছে।" ভাগৱতে ধৰ্মৰ সৰ্বজনীনতাৰ কথা ব্যাখ্যা কৰি কয় যে, ধৰ্ম কেৱল কোনো ধৰ্মীয় আচাৰ-ব্যৱহাৰ বা বিশ্বাসৰ মাজতে সীমাবদ্ধ নহয়। ধৰ্ম হৈছে সমগ্ৰ বিশ্বব্ৰহ্মাণ্ডৰ চালিকা শক্তি। সৃষ্টিৰ আৰম্ভণিৰে পৰা যি নিয়ম আৰু নীতিসমূহে সকলো বস্তুক নিয়ন্ত্ৰণ কৰি আহিছে, সেইবোৰেই ধৰ্ম। তেওঁ উদাহৰণ দি কয়, "পানীৰ ধৰ্ম হৈছে বৈ যোৱা, অগ্নিৰ ধৰ্ম হৈছে জুই জ্বলোৱা। পুত্ৰৰ নিজা কৰ্তব্য আছে, শাসকৰ কৰ্তব্য আছে, প্ৰত্যেকৰে নৈতিক আৰু অনুশাসনিক দায়িত্ব আছে। এই সকলোবোৰ নিয়মৰ আধাৰতে বিশ্ব চলি আছে। আমাৰ পূৰ্বপুৰুষসকলে গভীৰ আধ্যাত্মিক অনুসন্ধান আৰু মহান সাধনাৰ জৰিয়তে এই সত্যসমূহ উপলব্ধি কৰিছিল।" মোহন ভাগৱতে অতি স্পষ্টভাৱে কয় যে, "নৰেন্দ্ৰ ভায়েই হওক, মই হওঁ, আপুনি হওক বা আন যিকোনো ব্যক্তি হওক— সকলোৱে একেই মহান শক্তিৰ দ্বাৰা পৰিচালিত। যদি আমি সেই শক্তিৰ সৈতে সংগতি ৰাখি চলোঁ, তেন্তে জীৱনত কোনো দুৰ্ঘটনা নঘটে। এই শক্তিয়েই হৈছে চালক ধৰ্ম।" তেওঁ লগতে কয় যে, ৰাষ্ট্ৰ বা চৰকাৰ ধৰ্মনিৰপেক্ষ হ'ব পাৰে, কিন্তু কোনো মানুহ বা কোনো জীৱই ধৰ্মহীন হ'ব নোৱাৰে। প্ৰত্যেকৰে জীৱনত ধৰ্মৰ প্ৰভাৱ থাকে, যিটো কেৱল আচাৰ-ব্যৱহাৰতেই নহয়, নৈতিকতা, কৰ্তব্য আৰু জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে প্ৰকাশ পায়। এই অনুষ্ঠানত ভাগৱতৰ এই ভাষণে আধ্যাত্মিকতা, ৰাষ্ট্ৰীয় চেতনা আৰু ভাৰতীয় সংস্কৃতিৰ মৌলিক মূল্যবোধৰ ওপৰত নতুনকৈ আলোকপাত কৰিছে। তেওঁৰ মতে, ভাৰতৰ বিশ্বগুৰুৰ মৰ্যাদা কেৱল অৰ্থনৈতিক বা ৰাজনৈতিক শক্তিৰ ওপৰত নিৰ্ভৰশীল নহয়, বৰঞ্চ এই অতুলনীয় আধ্যাত্মিক জ্ঞান আৰু ঐতিহ্যৰ ওপৰতেই নিৰ্ভৰ কৰে।

## দক্ষিণ স্পেইনত ভয়ংকৰ

আৰু শতাধিক যাত্ৰী গুৰুতৰভাৱে আহত হৈছে। স্পেইনৰ ৰেল নেটৱৰ্ক অপাৰেটৰ Adif আৰু অন্যান্য কৰ্তৃপক্ষই এই তথ্য নিশ্চিত কৰিছে। দুৰ্ঘটনাটোৰ মূল কাৰণ হৈছে এখন দ্ৰুতগতিৰ ৰেল (Iryo)ৰ লাইনচ্যুত হোৱা। মালাগাৰ পৰা মাদ্ৰিদলৈ অহা এই ৰেলখনে কৰ্ডোবাৰ পৰা প্ৰায় ১০ মিনিটৰ পিছত (স্থানীয় সময় অনুসৰি সন্ধিয়া প্ৰায় ৭: ৪৫ বজাত) আদামুজৰ ওচৰত লাইনচ্যুত হৈ পৰে আৰু বিপৰীত দিশৰ ৰেলপথত প্ৰৱেশ কৰে। ফলত বিপৰীত দিশৰ পৰা আহি থকা মাদ্ৰিদৰ পৰা হুৱেলভালৈ যোৱা আন এখন দ্ৰুতগতিৰ ৰেল (Alvia)ৰ লগত প্ৰচণ্ড জোৰেৰে সংঘৰ্ষ হয়। এই সংঘৰ্ষৰ ফলত দুয়োখন ৰেলেই লাইনচ্যুত হৈ কেইবাখনো বগী ভাঙি-চিঙি যায়, কেইবাখনো বগী লাইনৰ পৰা তললৈ খহি পৰে। দুয়োখন ৰেলত মুঠতে প্ৰায় ৫০০ যাত্ৰী আছিল। প্ৰথমখন ৰেলত (মালাগা-মাদ্ৰিদ) প্ৰায় ৩০০জন আৰু দ্বিতীয়খনত (মাদ্ৰিদ-হুৱেলভা) প্ৰায় ২০০জন যাত্ৰী আছিল বুলি জানিব পৰা গৈছে। আহতসকলৰ ভিতৰত বহুতৰ অৱস্থা গুৰুতৰ। বিভিন্ন হাস্পতালত ভৰ্তি কৰা হৈছে, আৰু উদ্ধাৰকাৰী দলসমূহে এতিয়াও ধ্বংসস্তূপৰ ভিতৰত আবদ্ধ লোকসকলক উদ্ধাৰ কৰি আছে। দুৰ্ঘটনাৰ লগে লগে স্পেইনৰ সামৰিক জৰুৰীকালীন গোট (UME), অগ্নিনিৰ্বাপক দল, ৰেড ক্ৰছ, স্থানীয় আৰু ৰাষ্ট্ৰীয় উদ্ধাৰকাৰী দলসমূহক তৎকালীনভাৱে মোতায়েন কৰা হয়। অন্ধকাৰ নামি অহাৰ পিছতো উদ্ধাৰ অভিযান অব্যাহত আছিল। এই দুৰ্ঘটনাৰ ফলত মাদ্ৰিদ আৰু আন্দালুছিয়াৰ মাজৰ সকলো দ্ৰুতগতিৰ ৰেল সেৱা সাময়িকভাৱে স্থগিত ৰখা হৈছে। কৰ্ডোবা, চেভিল, মালাগা, হুৱেলভা আদি ঠাইলৈ যোৱা-অহা ৰে'ল সেৱা অন্ততঃ ১৯ জানুৱাৰীলৈকে (আৰু সম্ভৱতঃ তাতকৈও বেছি দিন) বন্ধ থাকিব। যাত্ৰীসকলৰ সুবিধাৰ বাবে টিকট পৰিৱৰ্তন বা ধন ঘূৰাই দিয়াৰ ব্যৱস্থা কৰা হৈছে। স্পেইনৰ প্ৰধানমন্ত্ৰী পেদ্ৰো ছানচেজে এই ঘটনাক "দেশৰ বাবে গভীৰ দুখৰ ৰাতি" বুলি অভিহিত কৰি নিহতসকলৰ পৰিয়াললৈ গভীৰ শোক প্ৰকাশ কৰিছে। পৰিবহণ মন্ত্ৰী অস্কাৰ পুৱেন্তেয়ে এই দুৰ্ঘটনাক "অতি অদ্ভুত" বুলি কয়ছে, কাৰণ দুৰ্ঘটনা হোৱা ঠাইখিনি এটা চিধা ৰেলপথ আছিল আৰু ৰেলপথটো মে' মাহতেই নবীকৰণ কৰা হৈছিল। এতিয়ালৈকে দুৰ্ঘটনাৰ সঠিক কাৰণ জানিব পৰা হোৱা নাই। তদন্ত আৰম্ভ হৈছে। এইটো ২০১৩ চনৰ ছান্টিয়াগো ডি কম্পোষ্টেলাৰ ভয়ংকৰ ৰেল দুৰ্ঘটনাৰ পিছত স্পেইনৰ দ্ৰুতগতিৰ ৰেলৰ ইতিহাসত সৰ্ববৃহৎ ট্ৰেজেডী হিচাপে বিবেচিত হৈছে। দেশবাসী আৰু আন্তৰ্জাতিক সমাজৰ পৰা নিহত আৰু আহতসকলৰ প্ৰতি গভীৰ শোক আৰু সহানুভূতি প্ৰকাশ কৰা হৈছে।

## ডিব্ৰুগড়-গোমতি, কামাখ্যা-ৰোহতক অমৃত এক্সপ্ৰেছ

যাত্ৰা আৰম্ভ কৰে। এই নতুন ৰেল সেৱাই অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ যাত্ৰীসকলৰ বাবে দীঘলীয়া যাত্ৰাত অধিক সুবিধা আৰু আৰাম প্ৰদান কৰিব বুলি আশা কৰা হৈছে। অমৃত ভাৰত এ'প্ৰেছ হৈছে এক অ-এচি (নন-এয়াৰ কণ্ডিচনড) চুপাৰফাষ্ট এ'প্ৰেছ সেৱা, য'ত সম্পূৰ্ণকৈ শ্লিপাৰ আৰু জেনেৰেল কোচ থাকিব। এই ৰেলখনত আধুনিক সুবিধা যেনে চি চি টিভি কেমেৰা, উন্নত নিৰাপত্তা ব্যৱস্থা, কম কম্পন আৰু শব্দ হ্ৰাস কৰা ছেমি-অটোমেটিক কাপলাৰ, পুছ-পুল প্ৰযুক্তি আদি অন্তৰ্ভুক্ত কৰা হৈছে। যাত্ৰীসকলে নৈশ যাত্ৰাৰ দৰে আৰাম অনুভৱ কৰিব পাৰিব বুলি অসম চৰকাৰৰ মন্ত্ৰী প্ৰশান্ত ফুকনে কয়। ট্ৰেইন নম্বৰ ১৫৯৪৯ (ডিব্ৰুগড়-গোমতী নগৰ) প্ৰতি শুক্ৰবাৰে সন্ধিয়া ৯ বজাত ডিব্ৰুগড়ৰ পৰা যাত্ৰা আৰম্ভ কৰি দুদিনৰ পিছত অৰ্থাৎ দেওবাৰে দুপৰীয়া ১: ৩০ বজাত লক্ষ্ণৌৰ গোমতী নগৰত উপনীত হ'ব। বিপৰীতে ট্ৰেইন নম্বৰ ১৫৯৫০ (গোমতী নগৰ-ডিব্ৰুগড়) প্ৰতি দেওবাৰে সন্ধিয়া ৬: ৪০ বজাত যাত্ৰা কৰি মঙ্গলবাৰে দুপৰীয়া ১২: ৪০ বজাত ডিব্ৰুগড়ত পাব। এই ৰেল সেৱাই প্ৰায় ৩০০০ কিলোমিটাৰ দূৰত্ব অতিক্ৰম কৰি অসম, নাগালেণ্ড, পশ্চিমবঙ্গ, বিহাৰ আৰু উত্তৰ প্ৰদেশৰ মাজেৰে গৈছে। মুখ্য ষ্টপেজসমূহৰ ভিতৰত মৰাণহাট, শিৱসাগৰ, যোৰহাট, ডিমাপুৰ, লামডিং, গুৱাহাটী, ৰঙিয়া, নতুন বঙাইগাঁও, কোচবিহাৰ, নতুন জলপাইগুড়ি, কিষাণগঞ্জ, কটিয়াৰ, বাৰাউনী, ছপৰা, গোৰখপুৰ, অযোধ্যা আদি অন্তৰ্ভুক্ত ডিব্ৰুগড়ৰ বাণীপুৰ ষ্টেচনত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত ৰাজ্যসভাৰ সাংসদ ৰামেশ্বৰ তেলী, অসম চৰকাৰৰ মন্ত্ৰী প্ৰশান্ত ফুকন আৰু ৰে'লৱেৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে। মৰাণহাট ষ্টেচনত ৰে'লখনক শংখ বজাই আদৰণি জনোৱা হয়, যিয়ে স্থানীয় লোকৰ উৎসাহক প্ৰতিফলিত কৰে। মন্ত্ৰী প্ৰশান্ত ফুকনে কয় যে, "আজি ডিব্ৰুগড়ৰ বাবে ঐতিহাসিক দিন। এই ৰে'ল সেৱাই যাত্ৰীসকলক নৈশবাছৰ দৰে আৰাম দিব।" তেওঁ প্ৰধানমন্ত্ৰীক ধন্যবাদ জনাইছিল। অমৃত ভাৰত এক্সপ্ৰেছৰ ভাৰা অন্যান্য সাধাৰণ এ'প্ৰেছ ৰে'লৰ দৰেই নিৰ্ধাৰণ কৰা হৈছে। ইয়াত কোনো অতিৰিক্ত খৰচ নাই আৰু যাত্ৰীসকলে সাধাৰণ শ্লিপাৰ আসনৰ সুবিধা লাভ কৰিব। এই নতুন সেৱাই অসমৰ যাতায়াত ব্যৱস্থাক অধিক শক্তিশালী কৰিব আৰু দূৰ-দূৰণিৰ যাত্ৰীসকলৰ বাবে এক সুবিধাজনক বিকল্প হিচাপে পৰিগণিত হ'ব। ৰে'ল বিভাগে যাত্ৰীসকলক সহযোগিতা কৰিবলৈ আহ্বান জনাইছে যাতে এই সেৱা সফলতাৰে চলিব পাৰে।

## বাগুৰুম্বা দহৌ অনুষ্ঠানত

কৰিছে অল বড়ো ষ্টুডেণ্টছ ইউনিয়ন (এবছু)ৰ কেন্দ্ৰীয় সভাপতি দ্বীপেন বড়োৱে। প্ৰধানমন্ত্ৰীৰ উপস্থিতিত অনুষ্ঠিত এই বিশাল সাংস্কৃতিক অনুষ্ঠানত প্ৰৱেশৰ সময়ত তেওঁৰ সৈতে অসম আৰক্ষী আৰু দণ্ডাধীশ বিভাগৰ বিষয়াসকলে কঢ়া ব্যৱহাৰ কৰা বুলি অভিযোগ কৰি তেওঁ নিজৰ ফেচবুক একাউণ্টত বিস্তৃতভাৱে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। দ্বীপেন বড়োৱে উল্লেখ কৰে যে, গেট নং ২৪, ২৪এ আৰু ২৪বিৰ জৰিয়তে প্ৰৱেশ কৰাৰ সময়ত তেওঁ ভয়ংকৰ পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া হয়। সংগঠনৰ বাবে আগতীয়াকৈ প্ৰদান কৰা গোল্ডেন আৰু ব্লু কাৰ্ড থকা সত্ত্বেও আৰক্ষী আৰু বিষয়াসকলে বলপূৰ্বকভাৱে প্ৰৱেশ নাকচ কৰে। তেওঁ কয় যে, তেওঁলোকে ভদ্ৰভাৱে বুজাই দিছিল যে এবছু এই বৃহৎ সাংস্কৃতিক অনুষ্ঠানৰ আয়োজকসকলৰ এটা গুৰুত্বপূৰ্ণ অংশ আৰু তেওঁ নিজে প্ৰধানমন্ত্ৰীৰ আদৰণিৰ লাইনআপত উপস্থিত থাকিবলৈ আহিছে। কিন্তু তেওঁলোকে কোনো কথা নুশুনাকৈ ব্যৱহাৰ কৰে। এই গেটসমূহৰ জৰিয়তে আন আমন্ত্ৰিত অতিথি আৰু ভিআইপি সকলৰ ক্ষেত্ৰতো একে ধৰণৰ ব্যৱহাৰ দেখা গৈছিল বুলি তেওঁ অভিযোগ কৰে। অনুষ্ঠানটো সম্পূৰ্ণৰূপে বাগুৰুম্বা নৃত্যক কেন্দ্ৰ কৰি আয়োজিত হৈছিল, য'ত বড়ো জনগোষ্ঠীৰ চহকী ঐতিহ্য আৰু সংস্কৃতিক বিশ্বৰ আগত প্ৰদৰ্শন কৰা হৈছিল। ইয়াত বড়ো বুদ্ধিজীৱী, শিক্ষাবিদ, সংগঠনৰ নেতা, চৰকাৰী বিষয়া, বিধায়ক, বিটিচিৰ পৰিষদৰ প্ৰতিনিধি আদি সকলোৱে অংশগ্ৰহণ কৰিছিল। দ্বীপেন বড়োৱে আকৌ উল্লেখ কৰে যে, পশ্চিমীয়া টাই ছুটৰ সলনি সাধাৰণ বড়ো পৰম্পৰাগত সাজ-পোছাক যেনে গামছা, আৰোনাই আৰু এণ্ডিকোট পিন্ধি থকাৰ বাবেই তেওঁলোকৰ প্ৰতি এনে বৈষম্যমূলক আৰু অপমানজনক ব্যৱহাৰ কৰা হৈছিল। তেওঁ কয়, "এনে অপব্যৱস্থাপনা, বৈষম্য আৰু অসৎ আচৰণ সহ্য কৰিব নোৱাৰি। ই পাৰ্থক্য আৰু ঘৃণাৰ সৃষ্টি কৰিব পাৰে।" তেওঁ লগতে স্মৰণ কৰে যে এবছুৱে আগতেও একে ধৰণৰ ডাঙৰ অনুষ্ঠান সফলতাৰে আয়োজন কৰিছে। বডোলেণ্ড মহোৎসৱৰ সময়ত কোকৰাঝাৰ আৰু দিল্লীত প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীৰ উপস্থিতিত দুইৰ পৰা ন লাখ লোকৰ ভিৰ সফলতাৰে পৰিচালনা কৰিছিল। অৱশেষত দ্বীপেন বড়োৱে ক্ষোভ প্ৰকাশ কৰি কয় যে, এনে মনোভাৱ আৰু আচৰণ বহু দুৰাৰত সংঘটিত হোৱাৰ কথা জানিব পৰা গৈছে। জ্যেষ্ঠ বিষয়াসকলে প্ৰায়ে "বন্ধুত্বপূৰ্ণ আৰক্ষী প্ৰশাসন"ৰ কথা কয়, কিন্তু এনে ঘৃণনীয় আচৰণৰ বাবে কাউন্সেলিং বা ভি আৰ এছৰ প্ৰয়োজন। তথাপি যিসকল বিষয়াই ভিৱক বন্ধুত্বপূৰ্ণভাৱে নিষ্ঠাবানভাৱে পৰিচালনা কৰিছিল, তেওঁলোকক ধন্যবাদ জনাইছে। তেওঁ আৰু কয় যে, কোনো আৰক্ষীৰ সহায় নোহোৱাকৈয়ে এবছুৱে নিজৰ স্বেচ্ছাসেৱকসকলৰ সৈতে লাখ লাখ লোকৰ সমাৱেশ অনুশাসনমূলক আৰু পদ্ধতিগতভাৱে সংগঠিত কৰিব পাৰে। এই ঘটনাই বাগুৰুম্বা দহৌৰ দৰে ঐতিহাসিক অনুষ্ঠানৰ পৰিচালনাত বৈষম্য আৰু ব্যৱস্থাপনাৰ দিশত গুৰুতৰ প্ৰশ্ন উত্থাপন কৰিছে।

## কাজিৰঙা এলিভেটেড

কোটি টকাৰ এই বিশাল ব্যয় কৰি এলিভেটেড কৰিডৰ নিৰ্মাণ কৰাতকৈ ৰাজ্যখনৰ বানপানী আৰু ভাঙনৰ সমস্যাৰ স্থায়ী সমাধানৰ বাবে নদীৰ বান্ধসমূহ শক্তিশালী কৰাত ব্যয় কৰিলে অধিক উপকাৰী হ'লহেঁতেন। গগৈৰ মতে বিজেপি চৰকাৰৰ অগ্ৰাধিকাৰসমূহ ৰাইজৰ প্ৰকৃত সমস্যাৰ পৰা সম্পূৰ্ণ বিচ্ছিন্ন হৈ পৰিছে। তেওঁ লগতে এই প্ৰকল্পই কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ স্পৰ্শকাতৰ পৰিৱেশ আৰু বন্যপ্ৰাণীৰ স্বাভাৱিক গতিবিধিত দীৰ্ঘম্যাদী ক্ষতি সাধিব পাৰে বুলি আশংকা প্ৰকাশ কৰিছে। এই বিৰোধিতাক লৈ বিজেপি সমৰ্থক আৰু নেতাসকলে গৌৰৱ গগৈৰ বিৰুদ্ধে তীব্ৰ অভিযোগ উত্থাপন কৰিছে। তেওঁলোকে কয় যে গগৈয়ে জখলাবন্ধাৰ স্থানীয় আন্দোলনক নিৰ্বাচনী সুবিধাৰ বাবে ব্যৱহাৰ কৰিব বিচাৰিছে। কিন্তু গগৈৰ সমালোচনা কেৱল এই এলিভেটেড কৰিডৰৰ ওপৰত সীমাবদ্ধ নহয়। তেওঁ জাগীৰোডৰ ছেমিকণ্ডক্টৰ উদ্যোগ, গুৱাহাটী মহানগৰীৰ ফ্লাইঅভাৰসমূহ আৰু ৰিং ৰোড আদি বিভিন্ন উন্নয়ন আঁচনিৰো বিৰোধিতা কৰি আহিছে। তেওঁৰ দাবী যে এই আঁচনিসমূহে ৰাইজৰ প্ৰকৃত কল্যাণ সাধন কৰিব নোৱাৰে আৰু ইয়াৰ পৰিৱৰ্তে চৰকাৰে অগ্ৰাধিকাৰ দিব লাগে অন্যান্য গুৰুত্বপূৰ্ণ বিষয়সমূহলৈ। ইফালে ৰাইজৰ এটা বৃহৎ অংশই গৌৰৱ গগৈৰ এই অৱস্থানক লৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। বহুতে মন্তব্য কৰিছে যে বিগত ৭৫ বছৰত কংগ্ৰেছৰ শাসনকালত অসম অৱহেলিত হৈ আছিল, আনহাতে বিজেপি চৰকাৰৰ অধীনত ব্যাপক হাৰত উন্নয়ন আঁচনি ৰূপায়ণ হৈছে। গগৈয়ে এই উন্নয়নৰ প্ৰতি বিৰোধিতা কৰি হয়তো নিজৰ ৰাজনৈতিক অস্তিত্বৰ আশংকাত ভুগি আছে বুলি সমালোচকসকলে কয়। লগতে তেওঁ ছয় জনগোষ্ঠীৰ জনজাতিকৰণ, অসম চুক্তিৰ ষষ্ঠ দফাত উল্লিখিত খিলঞ্জীয়াৰ সুৰক্ষা, এন আৰ চি (NRC), কৃষি আৰু উৎপাদনশীল খণ্ডত পুঁজিৰ সঠিক ব্যৱহাৰ আদি গুৰুত্বপূৰ্ণ জাতীয় সমস্যাসমূহৰ ওপৰত তুলনামূলকভাৱে নীৰৱ থকাৰ অভিযোগো উঠিছে। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ মাত্ৰ তিনিমাহ বাকী থকাৰ সময়ত এই বিতৰ্কই ৰাজ্যৰ ৰাজনৈতিক পৰিৱেশত নতুন মাত্ৰা যোগ কৰিছে। কংগ্ৰেছ নেতৃত্বই ৰাইজৰ এই মনোভাৱ সলনি কৰি বিজেপিৰ উন্নয়ন আঁচনিৰ পৰ্দাৰ আঁৰৰ কথা উন্মোচন কৰি নিজকে শক্তিশালী বিকল্প হিচাপে প্ৰতিষ্ঠা কৰিব পাৰে নেকি, সেয়া এতিয়া সময়ৰ অপেক্ষাত। আগন্তুক দিনকেইটাত এই বিতৰ্ক আৰু তীব্ৰতৰ হ'ব বুলি ৰাজনৈতিক বিশ্লেষকসকলে মত পোষণ কৰিছে।

## বিশিষ্ট বেহেলাবাদক মিনতি

যোৱা প্ৰায় ৪০ দিন ধৰি চিকিৎসাধীন অৱস্থাত থকা বিশিষ্ট এই শিল্পীগৰাকীৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৮৫ বছৰ। ১৯৪০ চনত জন্মগ্ৰহণ কৰা মিনতি খাউণ্ডে মাত্ৰ ১০ বছৰ বয়সতে সংগীত জগতত পদাৰ্পণ কৰিছিল। তেওঁৰ আইতাই প্ৰথমবাৰৰ বাবে তেওঁক এটা বেহেলা উপহাৰ দিয়াৰ পিছতেই তেওঁৰ জীৱন সংগীতৰ সৈতে ওতপ্ৰোতভাৱে জড়িত হৈ পৰে। তাৰ পিছত যোৰহাটৰ দৰ্পনাথ শৰ্মা সংগীত বিদ্যালয়ত গুৰু ইন্দ্ৰেশ্বৰ শৰ্মাৰ তত্ত্বাৱধানত তেওঁ নিয়মিতভাৱে সংগীত শিক্ষা গ্ৰহণ কৰিবলৈ আৰম্ভ কৰে। ১৯৭২ চনত এটা অনুষ্ঠানত বেহেলা বাদন কৰাৰ সময়ত দিগ্বিজ বেহেলাবাদক পণ্ডিত ভি. জি. যোগৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয় মিনতি খাউণ্ড। এই ঘটনাৰ পিছত পণ্ডিত ভি. জি. যোগৰ পৰা তেওঁ বেহেলা বাদনৰ উচ্চতৰ প্ৰশিক্ষণ লাভ কৰে, যিয়ে তেওঁৰ শিল্পীজীৱনক নতুন মাত্ৰা প্ৰদান কৰে। মিনতি খাউণ্ডে অসমীয়া লোকসংগীত আৰু বেহেলা বাদনৰ ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে। লোকসংগীতৰ পৰম্পৰাক সমৃদ্ধ কৰি ৰাখি তেওঁ বহু প্ৰজন্মৰ শিল্পীক প্ৰেৰণা যোগাই আহিছিল। ২০২২ চনত তেওঁক ভাৰত চৰকাৰৰ সংগীত নাটক একাডেমীৰ দ্বাৰা অতি সন্মানজনক 'অমৃত বঁটা' প্ৰদান কৰা হৈছিল। মিনতি খাউণ্ডৰ এই বিদায়ে অসমীয়া সংগীত জগতত এটা বৃহৎ শূন্যতাৰ সৃষ্টি কৰিছে। তেওঁৰ অমৰ সৃষ্টি আৰু বেহেলাৰ সুৰেৰে সজীৱ হৈ থকা লোকসংগীতৰ ধাৰাই চিৰকাল তেওঁক স্মৰণ কৰি ৰাখিব। অসমৰ সংস্কৃতি আৰু লোকসংগীত প্ৰেমীসকলে এই মহান শিল্পীগৰাকীৰ আত্মাৰ সদগতি কামনা কৰিছে।

## পাঁচশ সূত্ৰধাৰৰ নৃত্য পৰিৱেশনেৰে আৰম্ভ অসম ভাওনা সমাৰোহ-২০২৬

নোৱাৰি, আনকি প্ৰকৃতিৰ সৰল পৰিচয়ো সূত্ৰধাৰৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়। ব্ৰহ্মসজ্জাৰে স্থাপন কৰা সূত্ৰধাৰ মূলতঃ পুৰুষো নহয়, নাৰীও নহয়; সূত্ৰধাৰ হৈছে জীৱাত্মাৰ প্ৰতীক। আজিৰে পৰা মাজুলীৰ আউনীআটী সত্ৰৰ মণিকাঞ্চন ৰংগক্ষেত্ৰত অনুষ্ঠিত হোৱা অসম ভাওনা সমাৰোহ-২০২৬ ৰ উদ্বোধনী সভাত ভাষণ প্ৰদান কৰি আউনীআটী সত্ৰৰ অধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীয়ে এনেদৰে কয়। তেওঁ আৰু কয় যে লৌকিক জীৱনত মানুহে পুৰুষ আৰু নাৰীৰ ভেদ সৃষ্টি কৰিছে যদিও আধ্যাত্মিক দৃষ্টিৰে পুৰুষো জীৱাত্মা, নাৰীও জীৱাত্মা। মৃত্যুৰ পিছত কোনো পৰিচয় পুৰুষ বা নাৰী হিচাপে নিৰ্ধাৰিত নহয়। সেয়েহে বৰ্তমানৰ শাৰীৰিক পৰিচয় অস্থায়ী, কিন্তু জীৱাত্মাৰ অস্তিত্ব চিৰন্তন। এই আধ্যাত্মিক দৰ্শনেই সূত্ৰধাৰৰ জৰিয়তে শ্ৰীমন্ত শংকৰদেৱে মানুহ জীৱনৰ গভীৰ তত্ত্ব উপলব্ধ কৰাইছে বুলি সত্ৰাধিকাৰ গৰাকীয়ে মূলতঃ উল্লেখ কৰে। তেওঁ কয় যে মঞ্চ নাটত বেলেগে বেলেগে ভূমিকা পালন কৰা বহু লোক জড়িত থাকে-মিউজিচিয়ান, পোহৰৰ ব্যৱস্থা, মঞ্চ পৰিচালনা আদি। কিন্তু অংকীয়া ভাওনাত এই সকলো দায়িত্ব একেলগে সূত্ৰধাৰ গৰাকীয়ে বহন কৰে। কোন দৃশ্য কেতিয়া আৰু ক'ত হ'ব, সেই সকলো সূত্ৰধাৰৰ গীত আৰু উপস্থাপনাৰ জৰিয়তে প্ৰকাশ পায়। থলুৱা ভাওনাত এই দিশটো বিশেষভাৱে গীতৰ মাধ্যমেৰে উপস্থাপন কৰা হয়। এই সূত্ৰধাৰৰ অনন্যতা আৰু গুৰুত্ব উপলব্ধি কৰাবলৈ প্ৰায় পাঁচশ সূত্ৰধাৰৰ দ্বাৰা ভাওনা সমাৰোহ উদ্বোধনৰ মূলতে হৈছে যাতে প্ৰতিগৰাকী শিল্পীয়ে সূত্ৰধাৰ চৰিত্ৰৰ প্ৰকৃত মহত্ত্ব অনুভৱ কৰিব পাৰে। তেওঁ কয় যে এই চৰিত্ৰটোক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ লৈ গৈ বিদেশী লোকসকলকো সূত্ৰধাৰৰ গুৰুত্ব বুজাব বিচৰা হৈছে, কিয়নো এই চৰিত্ৰৰ জৰিয়তে অসমীয়া সংস্কৃতি সমৃদ্ধ হৈছে। তেওঁ লগতে উল্লেখ কৰে যে সূত্ৰধাৰ কেৱল এক শিল্পী নহয়, বৰঞ্চ নৈতিকতা, আধ্যাত্মিকতা আৰু মূল্যবোধৰ বাহক। এই চৰিত্ৰৰ অন্তৰ্নিহিত শিক্ষাসমূহ ছাত্ৰ-ছাত্ৰী তথা শিকাৰুসকলে উপলব্ধি কৰিলে তেওঁলোক নৈতিকভাৱে দৃঢ়, আধ্যাত্মিকভাৱে সচেতন আৰু চৰিত্ৰৱান হৈ উঠিব। নৈতিক আৰু আধ্যাত্মিক শিক্ষাৰ অবিহনে মানুহৰ জীৱন কেতিয়াও সম্পূৰ্ণ হ'ব নোৱাৰে বুলি তেওঁ ভাষণত মত প্ৰকাশ কৰে। পুৱা ক্ৰমে প্ৰভাতী কীৰ্তনৰ পিছতেই পুৱা ৮.৩০ বজাত শিল্পী পংকজ জ্যোতি বৰুৱাৰ মংগলাচৰণৰ মাজেৰে অসম ভাওনা সমাৰোহ-২০২৬ ৰ উদযাপন সমিতিৰ সভাপতি তথা সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীয়ে মূল ধৰ্মধ্বজা উত্তোলন কৰে। জনপ্ৰিয় ঘোষক প্ৰকাশ বৰপূজাৰী আৰু উদযাপন সমিতিৰ প্ৰধান সম্পাদক তুলসী ৰাজখোৱাই আঁত ধৰা অনুষ্ঠানত ধৰ্মধ্বজা উত্তোলন কৰি সত্ৰাধিকাৰ গৰাকীয়ে মূলতঃ কয় ২০০৬ চনৰ পৰা যি ভাওনা সমাৰোহ অনুষ্ঠিত কৰি আহিছোঁ তাত সম্পূৰ্ণ সাত্বিকতা বিৰাজমান হৈ আছে। অস্থায়ী নামঘৰত প্ৰতিষ্ঠা কৰা মহাপ্ৰভুৰ সন্মুখত গোসাঁই, বৈষ্ণৱ সকলৰ বহি থাকে। ইয়াৰ উপৰিও কমেও ৪০-৫০ হাজাৰ দৰ্শকৰ ভিতৰত দুহেজাৰ দৰ্শকহে বহিবলৈ পায় কিন্তু তাৰ বাহিৰে বাকী সমস্ত দৰ্শকে মাঘমহীয়া নিয়ৰ মূৰত লৈ ভাওনা উপভোগ কৰে। যিটো স্বাভাৱিকতেই বিৰল যত সাত্বিকতা লুকাই আছে। ভাওনাত ৰোমাঞ্চৰ দৃশ্যতো কোনো উচ্ছৃঙ্খল, কিৰিলি ইত্যাদি উত্তেজিত পৰিৱেশ নাই। ভাওনা সমাৰোহত হোৱা মেলা সমূহতো লোকৰ ভিৰ হয় যদিও তাত কোনো উচ্ছৃঙ্খলতা নাই, মদ্যপান কৰাৰ কোনো উদাহৰণ নাই। সেইফালৰ পৰা আমাৰ ভাওনা সমাৰোহ সফল হৈছে বুলি আমি কব খোজোঁ বুলি তেওঁ উল্লেখ কৰে। তেওঁ আৰু কয় আমাৰ ভাওনা সমাৰোহৰ পিছৰ পৰাই ভাওনাৰ প্ৰতি মানুহৰ আগতে যি অনীহা আহিছিল সেইটো নাইকিয়া হৈ গল। বিশেষকৈ মাজুলীত আগতে কোনোবা এজন ভাৱৰীয়াক ভাও দিবলৈ হ'লে বা মহিলা ভাও দিবলৈ হলে কাবৌ-কোকালি কৰিব লাগে। কিন্তু ভাওনা সমাৰোহ হোৱাৰ পিছত কাকো কাবৌ-কোকালি কৰিব নালাগে। এসময়ত ভাওনাত দোকানী, খেতিয়ক গৰাকীয়েহে ভাও লয় এতিয়া অধিবক্তা, অভিযন্তা, ডাক্তৰ আদিয়ে আহি ভাও লৈছে। আমাৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ গুৰুজনাই যি কথা কৈছিল ভাওনাৰ যোগেদি লোক স্থিতি, লোক সংগ্ৰহ, লোক ৰঞ্জনৰ কথা যে কৈছিল সেই জাগৰণটো আমাৰ ভাওনা সমাৰোহে আনি দিছে। সেই কাৰণে ইয়াত সকলো স্তৰৰ লোকক সমবেত কৰাৰ এটা সুযোগ আমি লাভ কৰিছোঁ বুলি তেওঁ উল্লেখ কৰে। উক্ত কাৰ্যসূচীৰ পিছতেই সত্ৰাধিকাৰ, ডেকাধিকাৰ সমন্বিতে বৈষ্ণৱ তথা উদযাপন সমিতিৰ কৰ্মকৰ্তাসকলে ক্ষেত্ৰ পৰিভ্ৰমণ কৰাৰ উপৰিও সত্ৰাধিকাৰে মণিকূট আৰু ভোজনালয় দ্বাৰ উদঘাটন কৰে। ইয়াৰ পিছতেই প্ৰাণৰ শিল্পী জুবিন গাৰ্গ সোঁৱৰণি প্ৰদৰ্শনী ক্ষেত্ৰ উদঘাটন কৰি চিত্ৰ শিল্পী ৰবিন ডেকাই জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে মাজুলী মহাবিদ্যালয়ৰ অৱসৰী অধ্যক্ষ সৰ্বেশ্বৰ হাজৰিকাই। ইয়াৰ পিছতেই মানসী বৰদলৈয়ে মায়াবিণী গীত পৰিৱেশনেৰে প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনোৱাৰ পিছতেই দিনৰ ১১ বজাৰ পৰা উদ্বোধনী মুকলি সভা অনুষ্ঠিত হয়। মাজুলীৰ সত্ৰাধিকাৰ সকলৰ বন্তি প্ৰজ্বলনৰ পিছতেই আউনীআটী বিশ্ববিদ্যালয়ৰ শ্ৰীশ্ৰী দত্তদেৱ গোস্বামী সংহত চৌহদ, মাজুলীৰ পৰিৱেশ্য কলাৰ শিক্ষাৰ্থীসকলে পৰিৱেশন কৰা ৰজাঘৰীয়া গীতেৰে আৰম্ভ হোৱা সভাৰ সঞ্চালনা কৰে উদযাপন সমিতিৰ সভাপতি তথা সত্ৰাধিকাৰ ডঃ পীতাম্বৰ দেৱ গোস্বামীয়ে। উদ্‌যাপন সমিতিৰ প্ৰধান সম্পাদক তুলসী ৰাজখোৱাই সভাৰ উদ্দেশ্য ব্যাখ্যাত কয়- ভাওনা আৰু নামঘৰেই হৈছে অসমীয়া জাতিৰ প্ৰাণ। যেতিয়ালৈকে ভাওনা সংস্কৃতি জীয়াই থাকে, তেতিয়ালৈকে অসমীয়া জাতিৰ অস্তিত্ব অটুট থাকিব। আমাৰ নৈতিক আৰু আধ্যাত্মিক শিক্ষাৰ মূল গঢ়নিস্থল হৈছে নামঘৰ। নামঘৰৰ আধ্যাত্মিক শিক্ষাই সমাজক নৈতিকতা, শিষ্টাচাৰ আৰু মানৱিক মূল্যবোধ শিকাই আহিছে। এবাৰ এলবাৰ্ট আইনষ্টাইনে কৈছিল- মানুহ নৈতিক বা আধ্যাত্মিক হ'বলৈ ধৰ্ম অৱশ্যে প্ৰয়োজনীয় নহয়। তেওঁৰ মতে, গভীৰ মানৱতা আৰু সুসংহত সমাজ গঢ়িবলৈ প্ৰধানকৈ শিক্ষা, সমাজবোধ আৰু মানৱিক মূল্যবোধৰ প্ৰয়োজন। এইটোয়েই আছিল আইনষ্টাইনৰ আধ্যাত্মিকতাৰ মূল ধাৰণা। কিন্তু বাস্তৱ ক্ষেত্ৰত আমি দেখা পাওঁ যে অসমৰ ভাওনা হৈছে এক অনন্য সাংস্কৃতিক উপাদান, যিটো ভাৰতীয় ধৰ্মীয় পৰম্পৰাৰ সৈতে সমন্বয়িতভাৱে গঢ় লৈ উঠিছে। এই ভাওনাৰ মূল আধাৰ হৈছে বিশ্বাস, আৰু সেই বিশ্বাসৰ পৰাই জন্ম লৈছে ভক্তি। এই ভক্তিয়েই ভাওনাৰ আত্মা। এনে ভাওনাই সমাজক নৈতিকতা, আধ্যাত্মিকতা আৰু মানৱিকতাৰ পথেদি আগবঢ়াই লৈ যায় বুলি প্ৰসংগ ক্ৰমে তেওঁ উল্লেখ কৰে। ইয়াৰ পিছতেই গড়মূৰ সৰু সত্ৰৰ অধিকাৰ হৰিদেৱ গোস্বামীয়ে আনুষ্ঠানিকভাৱে মুকলি সভা উদ্বোধন কৰি উদ্বোধনী ভাষণত কয় ভাওনা সমাৰোহৰ জৰিয়তে আউনীআটী সত্ৰই সত্ৰাধিকাৰ দেৱৰ সপোন আৰু লক্ষ্যক আগবঢ়াই লৈ গৈছে। শ্ৰীমন্ত শংকৰদেৱে সৃষ্টি কৰা ভাওনা আজিও অসমীয়া সমাজৰ এক গুৰুত্বপূৰ্ণ সাংস্কৃতিক আৰু আধ্যাত্মিক মাধ্যম। ভাওনাই সমন্বয়, সম্প্ৰীতি আৰু নৈতিক মূল্যবোধ গঢ়ি তোলে। ৰাইজৰ সহযোগিতাৰে এই সমাৰোহ সফল হোৱা অতি শুভ সংকেত। ভাওনাক ব্যৱহাৰিক সংস্কৃতি হিচাপে গ্ৰহণ কৰিলে নৱপ্ৰজন্ম পৰিশীলিত হ'ব আৰু সুন্দৰ সমাজ গঢ়ি উঠিব বুলি তেওঁ উল্লেখ কৰে। ইয়াৰ পিছতেই ড° মাধুৰ্যমণ্ডিত বৰুৱা সম্পাদিত সমাৰোহৰ স্মৃতি গ্ৰন্থ ভক্তিৰংগ আনুষ্ঠানিকভাৱে উন্মোচন কৰে আউনীআটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক ভুৱনেশ্বৰ ডেকাই। ডিমৌৰ বিশিষ্ট সমাজকৰ্মী নাৰায়ণ চুতীয়াৰ পিতৃ মাতৃৰ সোঁৱৰণত প্ৰকাশ পোৱা স্মৃতি গ্ৰন্থ 'ভক্তিৰংগ' সন্দৰ্ভত সম্পাদক ড° মাধুৰ্যমণ্ডিত বৰুৱাই কয় - ভাওনাৰ পদ্ধতিগত স্পষ্ট ৰূপ পায় মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বৰপেটাত থাকিবলৈ লোৱাৰ সময়তেই। শ্ৰীমন্ত শংকৰদেৱৰ প্ৰয়াণৰ পাছত এই নাট্য পৰম্পৰাক বুজাবলৈ "ভাওনা" শব্দটোৰ ব্যৱহাৰ প্ৰচলিত হয় আৰু ক্ৰমে ইয়াৰ বিকাশ হৈ আজিৰ পৰিচিত ৰূপ লাভ কৰে। কিয়নো ৰামচৰণ ঠাকুৰেই 'গুৰুচৰিত'ত প্ৰথম 'ভাওনা' শব্দটোৰ ব্যৱহাৰ কৰিছিল। সেই সময় আছিল ষোড়শ শতিকাৰ অন্তিমটো দশক। অংকীয়া ভাওনাৰ ক্ৰমবিৱৰ্তনৰ ফলত ই অধিক জনপ্ৰিয় হৈ উঠে যদিও ইয়াৰ মূল উদ্দেশ্য আছিল ভক্তি, নৈতিক শিক্ষা আৰু ধৰ্মীয় বোধ জাগ্ৰত কৰা। ভাওনাৰ ভাষা হিচাপে ব্যৱহৃত ব্ৰজাৱলী ভাষা কোনো বাহিৰৰ ভাষা নহয়; ই এই ভূখণ্ডৰ লোকভাষা বুলি তেওঁ উল্লেখ কৰে। তেওঁ আৰু কয় ব্ৰজধাম বা মিথিলাৰ উপৰি ভাৰতীয় শাস্ত্ৰীয় ধাৰা আৰু স্থানীয় উপাদানৰ সমন্বয়ত গঢ় লৈ উঠা ভাষা বুলি কৈ থাকিলেও ই প্ৰাচীন অসমৰ লোকজীৱনৰ ভাষাত ব্যতিৰেকে আন নহয়। চৰ্যাপদ, শ্ৰীকৃষ্ণকীৰ্তন, ১২৩২ খ্ৰীষ্টাব্দৰ সমুদ্ৰপালৰ আমবাৰী শিলালিপিৰ মাজেৰে ক্ৰমবিৱৰ্তিত হৈ ১৩৬২ খ্ৰীষ্টাব্দৰ গছতল শিলালিপিত স্পষ্ট ৰূপত গঢ় লৈ উঠা ভাষাৰূপৰ মাজতে ইয়াৰ প্ৰাচীন নিদৰ্শন পোৱা যায়, যি মহাপুৰুষ শংকৰদেৱৰ জন্মৰ প্ৰায় এশ বছৰ আগতেই স্বতন্ত্ৰ ৰূপ এটাৰে প্ৰচলিত আছিল। সেয়ে পৰৱৰ্তী গৱেষকসকলে যাক ব্ৰজাৱলী বুলি চিহ্নিত কৰিছে, সেয়া আচলতে অসমৰ নিজা লোকভাষাহে। অসম ভাওনা সমাৰোহৰ স্মৃতিগ্ৰন্থত এই ঐতিহাসিক, ভাষিক আৰু সাংস্কৃতিক দিশসমূহ অন্তৰ্ভুক্ত কৰাৰ প্ৰয়াস কৰা হৈছে। সীমিত সময়ৰ মাজতো গৱেষক-লেখকসকলে যিসকল শুদ্ধ আৰু বিশুদ্ধ বিষয় উপস্থাপন কৰিছে, সেয়া নিশ্চয় ভক্তিসংস্কৃতিৰ ক্ষেত্ৰত মূল্যবান অৱদান হিচাপে পৰিগণিত হ'ব বুলি তেওঁ উল্লেখ কৰে। ইয়াৰ পিছতেই এ.কে প্ৰকাশনে প্ৰকাশ কৰা ড° পীতাম্বৰ দেৱ গোস্বামীৰ 'আলোড়িত হৃদয়ৰ শব্দ গীত কবিতা সমগ্ৰ...' শীৰ্ষক গ্ৰন্থ উন্মোচন কৰে অৰূপ ডেকাই। অনুষ্ঠানতে শিৱসাগৰৰ বিশিষ্ট ব্যৱসায়ী প্ৰসন্ন দত্তক আনুষ্ঠানিকভাৱে সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীয়ে ভাওনা হিতৈষী বঁটা কৰে। অনুষ্ঠানত বিশিষ্ট সত্ৰীয়া শিল্পী কৰুণা বৰা, কটন বিশ্ববিদ্যালয়ৰ অধ্যাপক ধ্ৰুৱজ্যোতি দাসৰ লগতে বহুকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে বক্তব্য ৰাখে। সভাত আউনীআটী সত্ৰৰ ডেকাধিকাৰ দেৱানন্দ দেৱ গোস্বামী, বিশিষ্ট সত্ৰীয়া শিল্পী প্ৰভাত বৰা বুঢ়াভকত, সত্ৰীয়া সমীৰণ গোস্বামী, মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াৰ লগতে বহুকেইগৰাকী সত্ৰাধিকাৰ, বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। ইফালে সভাৰ শেষান্তৰত মাজুলীৰ লগতে অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অংশগ্ৰহণ কৰা ৫ শ সূত্ৰধাৰৰ নান্দনিক সূত্ৰ নৃত্য পৰিৱেশনৰ জৰিয়তে আনুষ্ঠানিকভাৱে অসম ভাওনা সমাৰোহ - ২০২৬ উদ্বোধন হয়। ইফালে বিয়লি ২.৩০ বজাত উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱ গোস্বামীৰ উদ্বোধনেৰে সমাৰোহৰ উদ্বোধনী ভাওনা আউনীআটী সাংস্কৃতিক সেৱা সমিতিৰ বৈষ্ণৱ শিল্পী বৃন্দই ৰাম বিজয় অংকীয়া নাট প্ৰদৰ্শন কৰে। ইফালে সন্ধিয়া ৭ বজাৰ পৰা জগন্নাথ শিল্পী সমাজ, নাম হাবুঙিয়া ৰবৈয়া যোৰহাটে পৰিৱেশন কৰা 'জন্মেজয়ৰ সৰ্পমেধ যজ্ঞ, কলিৰ পৰাভৱ' ভাওনাৰে প্ৰতিযোগিতামূলক ভাওনা আৰম্ভ হয়। উল্লেখযোগ্য যে আজিৰে পৰা ২৮ জানুৱাৰীলৈকে অনুষ্ঠিত হ'বলগীয়া সমাৰোহত ২০ ভাওনা দলে প্ৰতিযোগিতামূলক ভাওনাত অংশগ্ৰহণ কৰিছে।

## পথৰ ওপৰত সুৰক্ষা অবিহনেই বালি-শিল দ'ম কৰি থোৱাৰ ফলত নৰ্থ বইটামাৰীত ভয়ংকৰ দুৰ্ঘটনা

# 'অসম মালা' পথত ঠিকাদাৰৰ চৰম গাফিলতি; বাশবাৰীত বালিৰ দমত সোমাল তীব্ৰবেগী বাহন, কথমপি প্ৰাণৰক্ষা যাত্ৰীৰ

**অসম বাৰ্তা, বইটামাৰী, ১৭ জানুৱাৰী ঃ** বঙাইগাঁও জিলাৰ নৰ্থ বইটামাৰীৰ অন্তৰ্গত বাশবাৰীত 'অসম মালা' আঁচনিৰ নিৰ্মীয়মাণ পথত ঠিকাদাৰৰ চৰম গাফিলতিৰ ফলত এক ভয়ংকৰ দুৰ্ঘটনা সংঘটিত হয়। পথৰ ওপৰত কোনো সংকেত বা সতৰ্কতামূলক চিন অবিহনেই দ'ম কৰি থোৱা বালিৰ দমত এখন তীব্ৰবেগী বাহন সোমাই পৰাত অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। জানিব পৰা মতে, নিশাৰ অন্ধকাৰত পথটোৰে আহি থকা এখন চাৰিচকীয়া বাহনে কোনো সংকেত নেপাই ৰাজপথতে দ'ম কৰি থোৱা বালিৰ পাহাৰত প্ৰচণ্ড জোৰে খুন্দা মাৰে। দুৰ্ঘটনাটো ইমানেই ভয়ংকৰ আছিল যে বাহনখন বালিৰ দমত আৱদ্ধ হৈ পৰে। অৱশ্যে সৌভাগ্যক্ৰমে বাহনখনত থকা যাত্ৰীসকল এই যাত্ৰাত কথমপি প্ৰাণৰক্ষা পৰে যদিও বাহনখন যথেষ্ট ক্ষতিগ্ৰস্ত হয়। স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰিছে যে 'অসম মালা' পথৰ কাম চলি থকাৰ সময়ত ঠিকাদাৰী প্ৰতিষ্ঠানে সুৰক্ষাৰ কোনো নীতি-নিয়ম পালন কৰা নাই। অন্ধকাৰ নিশা চালকৰ দৃষ্টিগোচৰ হোৱাকৈ কোনো 'ৰিপ্লেক্সৰ' বা 'বেৰিকেড' ব্যৱহাৰ নকৰাকৈয়ে পথৰ একাংশত বালি আৰু শিল জমা কৰি থোৱা হৈছে। ঠিকাদাৰৰ এনে দায়িত্বজ্ঞানহীনতাৰ বাবেই এই দুৰ্ঘটনা সংঘটিত হোৱা বুলি ৰাইজে ক্ষোভ উজাৰিছে। অতি শীঘ্ৰে বিভাগীয় কৰ্তৃপক্ষক এই দিশত দৃষ্টি দিবলৈ আৰু গাফিলতি কৰা ঠিকাদাৰৰ বিৰুদ্ধে বিহিত ব্যৱস্থা ল'বলৈ স্থানীয় ৰাইজে দাবী জনাইছে।


### নাম শুধৰণি

পূব শিয়ালমাৰী মৌজাৰ ধৰণীপুৰ গাঁৱৰ ২২৬নং ম্যাদী পট্টাৰ ৭২৪ নং দাগে মোৰ নামটো ভুলক্ৰমে শ্ৰী জয়নাল হক হৈ আছে। পিতাৰ নাম সুৰজ আলী হৈ আছে। গাঁও প্ৰধানৰ প্ৰমাণ পত্ৰ, শপত নামা, পান কাৰ্ড, ভোটাৰ তালিকাৰ তথ্য মতে মোৰ প্ৰকৃত নামটো জয়নাল আব্দিন আৰু পিতাৰ নাম পচা সেখ হ'ব লাগে।

AB-05/2026

■ পদপথতেই ১৮ বছৰ জীৱন সংগ্ৰাম চলাইছিল মায়া চৌধুৰীয়ে ■

# পাঠশালাৰ পদপথৰ পৰা মায়া চৌধুৰীক উদ্ধাৰ কৰিলে নলবাৰীৰ সাংবাদিক মজিবুৰ ৰহমানে

**অসম বাৰ্তা, নলবাৰী, ১৮ জানুৱাৰী ঃ** পদপথেই শেষ ভৰসা আছিল তেওঁৰ। পদপথতেই জীৱন সংগ্ৰাম চলাই গৈছিল পাঠশালাৰ মায়া চৌধুৰীয়ে। ৭০ উৰ্ধৰ মায়া চৌধুৰীৰ কথা কব বিছাৰিছোঁ আমাৰ এইপ্ৰতিবেদনত। এদিন মায়া চৌধুৰীৰো আছিল এখন ভৰা ঘৰ। পুত্ৰ কন্যাকে ধৰি ভৰা ঘৰ এখন আছিল মায়া চৌধুৰীৰ। পিছে কোনো কাৰণবশত এদিন মানসিক ৰোগত আক্ৰান্ত হৈছিল মায়া চৌধুৰী। পিছে তেওঁৰ চিকিৎসা, সুস্থতাৰ পৰিবৰ্তে কোনো গুৰুত্বই দিয়া নাছিল আপোন ঘৰখনে। স্থানীয় ৰাইজে জনোৱা মতে তেওঁৰ পুত্ৰ বোৱাৰীৰ অৱস্থাও খুৱেই ভাল। জীয়ৰী গৰাকী সম্ভ্ৰান্ত ঘৰৰ বোৱাৰী। প্ৰতিষ্ঠিত জোৱাইয়েও গুৰুত্ব নিদিলে মায়া চৌধুৰীক সুৰক্ষিত অৱস্থাত ৰখাৰ। ফলশ্ৰুতিত এদিন ঘৰ এৰি পদপথকেই শেষ ভৰসা হিচাপে ল'লে মায়া চৌধুৰী নামৰ সত্তুৰ উৰ্ধৰ মাতৃ গৰাকীয়ে। বৃদ্ধা গৰাকীৰ সকৰুণ জীৱন কাহিনী সন্দৰ্ভত পাঠশালা নিৱাসী বিশিষ্ট ব্যৱসায়ী তথা সচেতন যুৱক কৈল্যাস তালুকদাৰে জনাইছিল সাংবাদিক মজিবুৰ ৰহমানক। বৃদ্ধা মায়া চৌধুৰীৰ সকৰুণ জীৱন কাহিনীৰ কথা জানি সাংবাদিক তথা নলবাৰীৰ শান্তি নিৱাস বৃদ্ধাশ্ৰম ও অনাথ আশ্ৰমৰ পৰিচালক মজিবুৰ ৰহমানে কালি ১৬ জানুৱাৰীৰ দিনা উপস্থিত হয় পাঠশালাৰ বামাখাটাত। এক অস্বাস্থ্যকৰ পৰিবেশত কদৰ্যময় অৱস্থাত বামাখাটাৰ ৰাজপথতে আশ্ৰয় লৈ থকা মায়া চৌধুৰীক নতুন বস্ত্ৰ পিন্ধাই অসংখ্য লোকৰ উপস্থিতিত আশ্ৰয় ও ভৰণ পোষণৰ দায়িত্ব গ্ৰহণ কৰে সাংবাদিক মজিবুৰ ৰহমানে। সাংবাদিক মুকুট চৌধুৰীৰ স'তে প্ৰথমে সাংবাদিক ৰহমান উপস্থিত হয় বামাখাটাৰ ১ নং তৰুণ সংঘত। তৰুণ সংঘৰ বিষয়ববীয়া আৰু কেন্দুগুৰি ইউনাইটেড ক্লাৱৰ সমূহ বিষয়ববীয়া আৰু সদস্য সকলে সম্পূৰ্ণ সহযোগিতা আগবঢ়াই সাংবাদিক মজিবুৰ ৰহমানক। আনকি তৰুণ সংঘৰ বিষয়ববীয়া আৰু কেন্দুগুৰি ইউনাইটেড ক্লাৱে আনুষ্ঠানিকভাৱে বৃদ্ধা গৰাকীক চমজি দিয়ে আশ্ৰয় ও ভৰণ পোষণৰ বাবে। পিছত মায়া চৌধুৰীক লৈ অহা হয় নলবাৰীৰ শান্তি নিৱাস বৃদ্ধাশ্ৰমলৈ। বৃদ্ধাশ্ৰমখনিলৈ লৈ অহাৰ পিছত সম্পূৰ্ণ চাফ চিকুন কৰি দিয়াৰ পিছত এক নতুন জীৱন লাভ কৰিবলৈ সক্ষম হয় বৃদ্ধা মায়া চৌধুৰী। নিজৰ পৰিয়াল আত্মীয় স্বজনৰ পৰা এলাগী হৈ নৰক যন্ত্ৰণা সদৃশ জীৱন অতিবাহিত কৰা বৃদ্ধা গৰাকী সুস্থ হৈ উঠক। তাকেই কামনা কৰিছে বামাখাটা, কেন্দুগুৰিকে ধৰি সমগ্ৰ পাঠশালাৰ ৰাইজে।

সংগীত শিল্পী প্ৰদীপ দহোটীয়া আৰু অভিনেতা মনোজ বৰুৱাক সম্বৰ্ধনা জ্ঞাপন

# ৰূপাই শতদল শাখা সাহিত্য সভাৰ উদ্যোগত শিল্পী দিৱস পালন



**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৮ জানুৱাৰী ঃ** ৰূপাই শতদল শাখা সাহিত্য সভাৰ উদ্যোগত যোৱা ১৭ জানুৱাৰীৰ বিয়লি শিল্পী দিৱস উপলক্ষে এক বিশেষ অনুষ্ঠানৰ আয়োজন কৰে। শাখাৰ নিজা ভৱন প্ৰাংগণত অনুষ্ঠিত হোৱা এই অনুষ্ঠানৰ আৰম্ভণিতে তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট সাহিত্যিক বদন শৰ্মাই মহান শিল্পী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰাৰ লগতে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটি মুকলি কৰে। ইয়াৰ পাছতে শাখাৰ মহিলাসকলে 'চিৰ চেনেহী মোৰ ভাষা জননী' পৰিৱেশন কৰে। এই উপলক্ষে শাখাৰ সভাপতি বেণু বড়াৰ পৌৰোহিত্যত অনুষ্ঠিত সভাখনৰ আঁত ধৰে শাখাৰ সম্পাদক ৰাতুল গগৈ আৰু সদস্যা সংগীতা বৰুৱা ডেকাই। আৰম্ভণিতে বিশিষ্ট সাহিত্যিক বদন শৰ্মাই জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱনৰ ওপৰত লিখা এটি প্ৰবন্ধ সকলোৰে আগত পাঠ কৰে। ৰাজ্যখনৰ এগৰাকী প্ৰবীণ সংগীত শিল্পী তথা 'জুৰ মলয়া' গীতৰ স্ৰষ্টা প্ৰদীপ দহোটীয়া আৰু ডুমডুমাৰ নাট্যশিল্পী মনোজ বৰুৱাক শাখাৰ তৰফৰপৰা বিশেষভাৱে সম্বৰ্ধনা জনায়। অসম সাহিত্য সভাৰ সাংগঠনিক সম্পাদক সুনীল গুৰুং, প্ৰচাৰ বিভাগৰ উপ সভাপতি পুলক কুমাৰ গগৈ, ৰূপাই শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি চন্দ্ৰকান্ত সন্দিকৈ, ডুমডুমা শতদল শাখা সাহিত্য সভাৰ সভাপতি দেৱেন ডেকাকে প্ৰমুখ্য কৰি অঞ্চলটোৰ যথেষ্ট সংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থকা এই অনুষ্ঠানত কুঁহি উপ-সমিতিৰ কৰ্মিষ্ঠা বৰবৰা আৰু দৰথী বৰাই নৃত্য, আৰ্জীত কোঁৱৰে কবিতা আবৃত্তি, আৰাধ্যা হাজৰিকা আৰু প্ৰিয়ঞ্জয় মহানন্দে জ্যোতি সংগীত, সাংস্কৃতিক উপ-সমিতিৰ মৌচুমী বৰুৱা আৰু সৌমাদিত্য সোণোৱালে গীত পৰিৱেশন কৰাৰ লগতে সমবেত সংগীত পৰিৱেশন কৰে ক্ৰমে ৰুণুমণি দত্ত ভূএগা, অৰ্পণা গগৈ, জিনুমণি গোহাঁই আৰু সংগীতা চৌধুৰীয়ে। আনহাতে আকাশ উপ-সমিতিৰ কাশ্মিৰী বৰবৰা নৃত্য আৰু পল্লৱী ডেকাই গীত পৰিৱেশন কৰে। ইয়াৰ উপৰিও ৰামধেনু উপ-সমিতিৰ পাৰিজাত বৰাই বক্তৃতা আৰু তৃষ্ণা কাশ্যপে এটি কবিতা আবৃত্তি কৰে। কবিতা উপ-সমিতিৰ সঞ্জীৱ কুমাৰ শৰ্মাই কবিতা পাঠ কৰে। উল্লেখ্য যে, অসম সাহিত্য সভাৰ সাংগঠনিক সম্পাদক সুনীল গুৰুং-এ বক্তব্য প্ৰদান কৰা এই অনুষ্ঠানত সম্বৰ্ধনা গ্ৰহণ কৰি দুয়োগৰাকী সম্বৰ্ধিত ব্যক্তিয়ে নিজৰ নিজৰ মনৰ ভাব প্ৰকাশ কৰাৰ লগতে শাখাৰ এনে পদক্ষেপক ধন্যবাদ জ্ঞাপন কৰে। শিল্পী দিৱসৰ এই অনুষ্ঠানটি অসম সংগীতেৰে সামৰণি পৰে।

মেট্ৰিক পৰীক্ষাৰ্থীৰ বিদায় সভা সম্পন্ন

# মালিবাৰীৰ আল্-বেৰুণী ম'ডেল একাডেমীত শিল্পী দিৱস পালন

**অসম বাৰ্তা, সোণতলী, ১৮ জানুৱাৰী ঃ** কামৰূপ জিলাৰ ছমৰীয়া শিক্ষা খণ্ডৰ অধীনস্থ মালিবাৰীৰ আল্-বেৰুণী ম'ডেল একাডেমীত আজি পৃথকে পৃথকে অনুষ্ঠিত কৰে শিল্পী দিৱস আৰু বিদায়ী সভা। এই সন্দৰ্ভত একাডেমীখনৰ পৰিচালন সঞ্চালক আব্দুল কাইয়ুম হুছেইনৰ সঞ্চালনাত এখন শ্ৰদ্ধাঞ্জলি সভা অনুষ্ঠিত কৰে। একাডেমীৰ অধ্যক্ষ জিয়াৰুল হকৰ উদ্দেশ্য ব্যাখ্যাৰ অন্তত শ্বৰিফুল ইছলাম মণ্ডল এক সম্বৰ্ধনা পৰ্ব পৰিচালনা কৰে। ইয়াৰ পিছত অমৰ শিল্পী ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱলাদেৱৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলিৰে গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। আনহাতে এই দিৱসৰ সমান্তৰালৰূপে অধ্যক্ষ জিয়াৰুল হকৰ পৌৰহিত্বত আগন্তুক মেট্ৰিক পৰীক্ষাৰ্থী ছাত্ৰ-ছাত্ৰীৰ বাবে আয়োজন কৰা বিদায় সভাত অধ্যক্ষ হাফিজুল আলমে। উদ্দেশ্য ব্যাখ্যা কৰে। অনুষ্ঠিত বিদায় সভাত একাডেমীখনৰ পৰা দশম শ্ৰেণীৰ শিক্ষা সাং কৰা আগন্তুক মেট্ৰিক পৰীক্ষাৰ্থীৰ ১৪ গৰাকীকৈ ছাত্ৰ-ছাত্ৰীয়ে আনুষ্ঠানিকভাৱে বিদায় গ্ৰহণ কৰে। এক আৱেগিক পৰিৱেশত অনুষ্ঠিত বিদায়ী সভাত আলোপতি-ধামাপাৰা হাই স্কুলৰ প্ৰধান শিক্ষক ৰাইজুদ্দিন আহমেদ, আলোপতি-ধামাপাৰা এম ই স্কুলৰ প্ৰধান শিক্ষক খাজল উদ্দিন আহমেদ, একাডেমীৰ পৰিচালন সঞ্চালক আব্দুল কাইয়ুম হুছেইন, মালিবাৰী পথাৰ বজাৰ পৰিচালনা সমিতিৰ সভাপতি আশ্ৰৱ আলী, যুৱ সমাজ কৰ্মী বাহাৰুল ইছলাম, সমাজ কৰ্মী আকবৰ আলী প্ৰমুখ্যে অভিভাৱক-অভিভাৱকা আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকল উপস্থিত থাকে।

# সৰুপথাৰৰ অৱসৰপ্ৰাপ্ত শিক্ষক চেনিৰাম শৰ্মাৰ দেহাৱসান

**অসম বাৰ্তা, ধনশিৰি, ১৮ জানুৱাৰী ঃ** সৰুপথাৰ সমজিলাৰ বিশিষ্ট শিক্ষাবিদ, অৱসৰপ্ৰাপ্ত শিক্ষক চেনিৰাম শৰ্মাৰ দেহাৱসান। ১৯৩৫ চনত জন্মগ্ৰহণ কৰা চেনিৰাম শৰ্মাই দেওবাৰ ১৮জানুৱাৰী ২০২৬তাৰিখে গন্ধকৰৈ গাঁৱৰ নিজা বাসগৃহত বাৰ্ধক্যজনিত কাৰণত শেষ নিশ্বাস ত্যাগ কৰে। চেনিৰাম শৰ্মাই ১৯৫৩চনত সৰুপথাৰ সমজিলাৰ প্ৰেমহৰা প্ৰাথমিক বিদ্যালয়ৰ পৰা শিক্ষকতা জীৱন আৰম্ভ কৰি ক্ৰমে ১৮নং বিলনী প্ৰাথমিক বিদ্যালয় আৰু ৰেংমাই ৰজাপুখুৰী প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা কৰি ১৯৯৫চনত অৱসৰ গ্ৰহণ কৰে। তেখেতে ১৯৯২ চনত কৃতি শিক্ষকৰ ৰাজ্যিক বঁটাও লাভ কৰিছিল। চেনিৰাম শৰ্মা অসম প্ৰাথমিক শিক্ষক সন্মিলনী সৰুপথাৰৰ উপদেষ্টাৰ লগতে কেইবাটাও কাৰ্যকাল সভাপতি হিচাবে আসন অলংকৃত কৰিছিল। সৰুপথাৰ সমজিলাৰ শৈক্ষিক ক্ষেত্ৰখনত তেখেতৰ অৱদান যথেষ্ট। ইয়াৰ উপৰি চেনিৰাম শৰ্মা এজন অত্যন্ত ধৰ্মীয় পৰায়ণ ব্যক্তি হিচাপেও পৰিচিত আছিল। সৰুপথাৰ অঞ্চলৰ বিভিন্ন ধৰ্মীয় অনুষ্ঠানত তেখেত উপস্থিত থাকি সহযোগিতা আগবঢ়াইছিল। তেখেতৰ মৃত্যুত গন্ধকৰৈ গাঁৱৰ লগতে সমগ্ৰ সৰুপথাৰ অঞ্চলতে গভীৰ শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত চেনিৰাম শৰ্মাই তেখেতৰ ইহ সংসাৰত পুত্ৰ-বোৱাৰী, তিনি গৰাকীকৈ জী-জোঁৱাই আৰু নাতি-নাতিনী এৰি থৈ গৈছে।

# ৰহা শাখা সাহিত্য সভাৰ সুন্দৰৰ পূজাৰী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ পুণ্যতিথি জ্যোতি দিৱস ৰূপে পালন

**অসম বাৰ্তা, ৰহা, ১৮ জানুৱাৰী ঃ** ৰহা শাখা সাহিত্য সভাৰ উদ্যোগত অসমৰ সঙ্গীত, সাহিত্য সংস্কৃতিৰ কাণ্ডাৰী আৰু ৰূপান্তৰৰ খণিকৰ সুন্দৰৰ পূজাৰী ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ স্মৃতি দিৱস টি আজি ৰহাত শাখা সাহিত্য সভাৰ সৌজন্যত ৰহা আঞ্চলিক সাংবাদিক সন্থাৰ কাৰ্যালয়ত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ পুণ্য তিথি জ্যোতি দিৱস ৰূপে পালন কৰি শ্ৰদ্ধাৰে স্মৰণ কৰে। ৰহা আঞ্চলিক শাখা সাহিত্য সভাৰ সভাপতি প্ৰহ্লাদ কুমাৰ মছৰংৰ সভাপতিত্বত আৰু সম্পাদক লক্ষ্মী প্ৰসাদ ডেকাই আঁত ধৰা জ্যোতি দিৱসত ৰূপকোঁৱৰৰ প্ৰতিচ্ছবিৰ ৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি অনুষ্ঠান শুভাৰম্ভ কৰে শিক্ষাবিদ আৰু ৰহা আঞ্চলিক সাহিত্য সভাৰ উপদেষ্টা কমল চন্দ্ৰ শৰ্মাই। ৰূপ কোঁৱৰৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে ৰহা আঞ্চলিক সাহিত্য সভাৰ উপদেষ্টা সাংস্কৃতিক আৰু নাট্য কৰ্মী মাধৱ চন্দ্ৰ নাথে। পুষ্পাঞ্জলি তৰ্পণ কাৰ্যসূচী মুকলি কৰে ৰহা আঞ্চলিক শাখা সাহিত্য সভাৰ কোষাধ্যক্ষ ডম্বৰু ধৰ শৰ্মাই। তেওঁক সহযোগ কৰে সমাজ কৰ্মী ভূবন চন্দ্ৰ দাসে। পুষ্পাঞ্জলি তৰ্পণ কাৰ্যসূচীত ৰহা আঞ্চলিক শাখা সাহিত্য সভাৰ উপ সভাপতি দীপক কুমাৰ শৰ্মা, ৰহা আঞ্চলিক শাখা সাহিত্য সভাৰ উপদেষ্টা প্ৰফুল্ল কুমাৰ নাথ, সহকাৰী সম্পাদক সঞ্জয় কুমাৰ কাকতি, থানেশ্বৰ দেউৰী, সাংবাদিক সঞ্জীৱ দাস, চয়েল খেতান আদিয়ে অসমৰ প্ৰাতঃ স্মৰণীয় বৰেণ্য শিল্পী গৰাকীৰ অমূল্য ত্যাগক শ্ৰদ্ধাৰে সোঁৱৰণ কৰি বক্তব্য আগবঢ়ায়, ইপিনে দুপৰীয়া অনুষ্ঠিত জ্যোতি স্মৰণ অনুষ্ঠানত বিভিন্ন বক্তাৰ ভাষণত ৰূপকোঁৱৰৰ অমূল্য অৱদান আৰু নি: স্বাৰ্থ ত্যাগ আৰু গভীৰ অসম প্ৰেম সোঁৱৰণ কৰে। অনুষ্ঠানতেই ভুৱন চন্দ্ৰ দাসৰ গ্ৰন্থক পুথি ভড়াল কৰ্তৃপক্ষৰ দ্বাৰা স্বীকৃতি লাভ কৰাৰ বাবে তেওঁক সম্বৰ্ধনা জনোৱা হয়।

■ সহস্ৰাধিকে সুঁৱৰিলে চহৰীয়াৰ কৰ্মৰাজিক ■

# কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি ড° গণেশ্বৰ চহৰীয়াৰ অকাল মৃত্যু; সৰ্বত্ৰে শোঁকৰ ছা

**অসম বাৰ্তা, বকো, ১৮ জানুৱাৰী ঃ** অসম চৰকাৰৰ ৰাজ্যিক কৃতি শিক্ষক বঁটা; ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ তৰফৰ পৰা মুক্তি যোদ্ধা নিদানুনৰাম ৰাজবংশী সোঁৱৰণী বঁটাৰ উপৰিও অভিলেখ সংখ্যক বঁটা বাহন আৰু সন্মানৰ প্ৰতীক বকোৰ ড° গণেশ্বৰ চহৰীয়াৰ অকাল মৃত্যুত সৰ্বত্ৰে শোঁকৰ ছা পৰিছে। কামৰূপ জিলাৰ বকো ডাকুৱাপাৰা নিবাসী ড° গণেশ্বৰ চহৰীয়া আছিল এগৰাকী সঁচা অৰ্থত বৌদ্ধিক সমাজ গঢ়া খনিকৰ। অসম সাহিত্য সভাৰ হিতৈষী সভ্য হোৱাৰ উপৰিও অসম সাহিত্য সভাৰ সংবিধান সংশোধন সমিতিৰ মুখ্য আহ্বায়ক। ইফালে হেকেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ হিচাপে অৱসৰ গ্ৰহণ কৰা ড° গণেশ্বৰ চহৰীয়াৰ সামাজিক কৰ্মৰাজিৰ অতুলনীয়। মহাবিদ্যালয়ত শিক্ষকতা কৰাৰ উপৰিওজন শিক্ষণ সংস্থান কামৰূপ জিলাৰ সঞ্চালক; বকোত কলেজ অৱ এডুকেশ্বন প্ৰতিষ্ঠাপক; অধ্যক্ষ; প্ৰধান সচিব; বকোত গ্ৰন্থ অধ্যয়নৰ আন্দোলন গঢ়ি গ্ৰন্থমেলাৰ শুভাৰম্ভণি কৰা প্ৰথম ব্যক্তি; একেৰাহে দহ খনতকৈও অধিক গ্ৰন্থ ৰচক; বহু সামাজিক অনুষ্ঠান প্ৰতিষ্ঠানৰ গুৰি ধৰোঁতা তথা এক কথাত ক'বলৈ গ'লে এগৰাকী সঁচা অৰ্থত পূৰ্ণাংগ মানৱ সম্পদ হিচাপে খ্যাতি অৰ্জন কৰি যোৱা নিশা শেষ নিশ্বাস ত্যাগ কৰে চহৰীয়াই। উল্লেখ্য যে যোৱা ৯ জানুৱাৰীত বকো আৰক্ষী থানাৰ সন্মুখত মটৰ চাইকেলৰ পৰা পৰি আঘাত পাইছিল চহৰীয়াই। মুঠতে বকোত ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ কৰ্তৃপক্ষৰ দ্বাৰা নিৰ্মিত ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথটোৱে কাল অমানিশা নমাই আনিছিল চহৰীয়াৰ। চহৰীয়াৰ মৃত্যুৰ বাবে বকোত চাৰিলেন যুক্ত পথ নিৰ্মাণৰ কামত নিয়োজিত ঠিকাদাৰী প্ৰতিষ্ঠানটোৰ কৰ্তৃপক্ষই দায়ী। পথত বোকা মাটিত পিছলি পৰি বাওঁ ভৰিৰ উৰু ভাঙি যায়। ৯ জানুৱাৰীত হোৱা দুৰ্ঘটনাৰ ফলত তীব্ৰ চাপত ভুগি থকাৰ পিছত ১৫ জানুৱাৰীত উচ্চ ৰক্তচাপ বৃদ্ধি হৈ ষ্টক হয় চহৰীয়াৰ। ইয়াৰ ফলতে ১৭ জানুৱাৰীত নিশা শেষ নিশ্বাস ত্যাগ কৰে। ইফালে আজি ড° চহৰীয়াৰ মৃতদেহ বকোত উপস্থিত হোৱাৰ লগে লগে শতাধিক শুভাকাংক্ষীয়ে বকো টুৰুকপাৰাৰ পৰা আদৰি আনি বকোস্থিত গান্ধী মৈদানত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত কামৰূপ জিলা সাহিত্য সভা; বকো শতদল শাখা সাহিত্য সভা; বকো প্ৰেছ ক্লাৱ; বকো জে এন কলেজ; বকো আঞ্চলিক যুৱক সংঘ; দক্ষিণ পশ্চিম কামৰূপ ছাত্ৰ সন্থা; কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনী; কামৰূপ জিলা গ্ৰাম্য পুথিভঁৰাল সন্থা; নিখিল বড়ো ছাত্ৰ সন্থা; নিখিল ৰাভা ছাত্ৰ সন্থা; বেংগলী যুৱ ছাত্ৰ ফেডাৰেচন; নন্দিনী গ্ৰুপ অব বিজনেছ মণ্ডলী; বিভিন্ন শিক্ষা প্ৰতিষ্ঠানৰ মুৰব্বীৰ উপৰিও বহু সহস্ৰাধিক গুণমুগ্ধই নশ্বৰ দেহত শ্ৰদ্ধাঞ্জলি আৰু পুষ্পাঞ্জলী অৰ্পণ কৰি শেষ বিদায় জনায়। আনহাতে ড° গণেশ্বৰ চহৰীয়াৰ বিয়োগত অম্বিকাগিৰী চেতনা মঞ্চৰ শোক প্ৰকাশ। কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি তথা এগৰাকী সমাজহিতৈষী শিক্ষাবিদ ড: গণেশ্বৰ চহৰীয়াৰ বিয়োগত অম্বিকাগিৰী চেতনা মঞ্চ, দক্ষিণ কামৰূপে গভীৰ শোক প্ৰকাশ কৰিছে। এক শোকবাৰ্তাত চেতনা মঞ্চৰ সভাপতি মহেশ্বৰ ঠাকুৰীয়া আৰু সাধাৰণ সম্পাদক বিমল শৰ্মাই কয়, "ড° গণেশ্বৰ চহৰীয়াই জীৱনৰ এক দীঘলীয়া সময় নিজৰ জাতিটোৰ ভাষা-সাহিত্য-সংস্কৃতিৰ বিকাশ আৰু শ্ৰীবৃদ্ধিৰ বাবে ব্যয় কৰিছিল। শিক্ষা-সাহিত্যৰ বাবে সততাৰে আগবঢ়োৱা তেওঁৰ ত্যাগক নতুন পুৰুষে অনুসৰণ কৰা উচিত।"

কুৰিঘৰীয়া এম. ই. স্কুল প্ৰাঙ্গণত জিকিৰ সম্ৰাট ৰেকিবুদ্দিন আহমেদ সোঁৱৰণী মঞ্চত এই অনুষ্ঠান

# সন্মিলিত নাগৰিক মঞ্চৰ উদ্যোগত সদৌ অসম ভিত্তিত জিকিৰ সমাৰোহ

**অসম বাৰ্তা, দেৰগাঁও, ১৮ জানুৱাৰী ঃ** জিকিৰ অসমীয়া সংস্কৃতিৰ এটা অবিচ্ছেদ্য অংগ, অসমীয়া সমাজৰ সমন্বয় সম্প্ৰীতিৰ এক বাহক। কৃষ্টি-সংস্কৃতিৰে ভৰপূৰ অসমীয়া জাতিৰ এটা পৰিচয়। অসমী আইৰ বুকুত আজান ফকীৰ চাহাবে জিকিৰ সৃষ্টি কৰি অসমৰ কেঁচা মাটিৰ গোন্ধৰে অসমীয়া জাতীয় জীৱনৰ চিন্তা, কৰ্ম-আদৰ্শ চহকী কৰি থৈ গৈছে। কিন্তু কালক্ৰমত পৰম্পৰাগতভাৱে প্ৰচলিত হৈ অহা জিকিৰ পশ্চিমীয়া সংস্কৃতিৰ ঢৌত যেন উটি-ভাঁহি যাব ধৰিছে। সেয়েহে নতুন প্ৰজন্মই আঁকোৱালি লোৱাৰ ব্যৱস্থা আৰু বহুল প্ৰচাৰৰ চিন্তাৰেই ১৬, ১৭ আৰু ১৮ জানুৱাৰী, ২০২৬ তাৰিখে সন্মিলিত নাগৰিক মঞ্চ, গোলাঘাটৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত, কুৰিঘৰীয়া এম. ই. স্কুল প্ৰাঙ্গণত সদৌ অসম ভিত্তিত এখনি জিকিৰ সমাৰোহ কৰি অনুষ্ঠানৰ সফল পৰিসমাপ্তি ঘটে। কাৰ্যসূচী অনুসৰি প্ৰথম দিনা (১৬ জানুৱাৰী) দিনৰ ১-০০ বজাত মৰহুম তছলিমা ৰহমান সোঁৱৰণীত এখন প্ৰীতি ফুটবল খেল নাগালেণ্ড আৰু কাৰ্বি আংলংৰ মাজত অনুষ্ঠিত হয়। ইয়াৰ পিছতে দ্বিতীয় দিনা (১৭ জানুৱাৰী) পুৱা ৮-০০ বজাত পতাকা উত্তোলন; উত্তোলক মঃ মকবুল হুছেইন, সভাপতি, সন্মিলিত নাগৰিক মঞ্চ, পুৱা ৮-৩০ বজাত; গছপুলি ৰোপণ, পুৱা ৯-৩০ বজাত প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি, দিনৰ ১০-৩০ বজাত জিকিৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতা খনি উদ্বোধন কৰে বোলছবি প্ৰযোজক, সাহিত্যিক সমাজকৰ্মী নুৰুল চুলতানে। সন্ধিয়া ৭-০০ বজাত মৰহুম নছিমুদ্দিন আহমেদ সোঁৱৰণী জিকিৰ নৃত্য প্ৰতিযোগিতা। প্ৰতিযোগিতা খনি উদ্বোধন কৰে সেৱা এন.জি.অ'ৰ অধ্যক্ষ সমাজকৰ্মী বিবেক বৰাই। আনহাতে তৃতীয় দিনা অৰ্থাৎ অন্তিম দিনা (১৮ জানুৱাৰী) পুৱা ১০-০০ বজাত বিশেষ সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। ইয়াৰ পিছতে দিনৰ ১২-০০ বজাত বহু গণ্য মান্য ব্যক্তিৰ উপস্থিতিত মঃ তফজুল হক বৰবৰাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে মঃ তবিবৰ ৰহমান(অধ্যক্ষ অসম ৰাজ্যিক সংখ্যালঘু আয়োগ), অভিৰৰ্তন গোস্বামী(উপ-সভাপতি, সদৌ অসম ছাত্ৰ সন্থা), প্ৰাঞ্জল শৰ্মা(অধ্যক্ষ, দেৰগাঁও শিশু ভাৰতী উচ্চতৰ মাধ্যমিক বিদ্যালয়)কে ধৰি বহু কেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ইয়াৰ পিছতে নিশালৈ জনতাঁৰ শিল্পী, সমন্বয়ৰ-সম্প্ৰীতিৰ আদৰ্শ জুবিন গাৰ্গ সোঁৱৰণী সংগীত সন্ধিয়াই অনুষ্ঠাৰ সফল পৰিসমাপ্তি ঘটে।




# ছমৰীয়াৰ কংগ্ৰেছৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী স্বাহজাহান আলীৰ দলীয় মনোনয়ন পত্ৰ দাখিল

**অসম বাৰ্তা, সোণতলী, ১৮ জানুৱাৰী ঃ** ছমৰীয়াৰ কংগ্ৰেছৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী স্বাহজাহান আলীয়ে ৰাজীৱ ভৱনত নিজৰ দলীয় মনোনয়ন পত্ৰ দাখিল কৰে। উল্লেখ্য, সোণতলী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেল পথাৰত আয়োজিত বিশাল দোৱা আৰু আশীৰ্বাদ অনুষ্ঠানত সমষ্টিবাসী ৰাইজৰ লগতে দলীয় সমৰ্থক আৰু শুভাকাঙ্খীৰ আশীৰ্বাদ লৈ জ্যেষ্ঠ কংগ্ৰেছী প্ৰাৰ্থীত্ব প্ৰত্যাশী স্বাহজাহান আলীয়ে গুৱাহাটীৰ ৰাজীৱ ভৱনত উপস্থিত হয়। ইয়াৰ পিছত গুৱাহাটীস্থিত ৰাজীৱ ভৱনৰ কোষাধ্যক্ষ হেমহৰি পেগুৰ হাতত কংগ্ৰেছ দলৰ টিকট প্ৰত্যাশী স্বাহজাহান আলীয়ে দলীয় মনোনয়ন পত্ৰ দাখিল কৰে। স্মৰ্তব্য, আজি দলীয় মনোনয়ন পত্ৰ দাখিলৰ পিছত সাংবাদিকৰে সৈতে হোৱা এক সাক্ষাৎকাৰত তেওঁ কয় যে, ছমৰীয়া বিধানসভা সমষ্টিত ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ জয়লাভ কৰাটো নিশ্চিত। লগতে তেওঁ বৰ্তমানৰ বিজেপি চৰকাৰ শাসনত যি অস্থিৰ বাতাবৰণ সৃষ্টি হৈছে এই উচ্ছৃঙ্খল পৰিস্থিতি মষিমূৰ কৰি গৌৰৱ গগৈৰ নেতৃত্বত এক সুস্থিৰ পৰিৱেশ আহিব আৰু সুস্থিৰ চৰকাৰ গঠন হ'ব বুলি দৃঢ়তাৰে উল্লেখ কৰে। উল্লেখ্য, জ্যেষ্ঠ কংগ্ৰেছ নেতা স্বাহজাহান আলীয়ে। লক্ষণীয়, জ্যেষ্ঠ কংগ্ৰেছ নেতা তথা প্ৰাৰ্থীত্ব প্ৰত্যাশী স্বাহজাহান আলীয়ে আজিৰ মনোনয়ন পত্ৰ দাখিল যাত্ৰাত প্ৰায় তিনি শতাধিক মটৰ গাড়ীৰে পোন্ধৰ শতাধিক কংগ্ৰেছ কৰ্মীয়ে অংশ গ্ৰহণ কৰাৰ কথা দোহাৰে।

# চুতীয়া জনগোষ্ঠীৰ 'দেও কুবেৰ শলিতা লগোৱা সকাম'ৰ লাইখুটাঁ স্থাপন

**অসম বাৰ্তা, সৰুপথাৰ, ১৮ জানুৱাৰী ঃ** সৰুপথাৰ সমজিলাৰ বৰপথাৰৰ প্ৰেমহৰা সৰুলাংঠা গাঁৱত ১ আৰু ২ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব দেও 'কুবেৰ শলিতা লগোৱা সকাম'। চুতীয়া যুৱ সন্মিলন অসম (CYSA) ধনশিৰি জিলা সমিতিৰ উদ্যোগত প্ৰেমহৰা আঞ্চলিক যুৱ সন্মিলন, প্ৰগতি যুৱ সংঘ, নৱজ্যোতি মহিলা সমিতি আৰু স্থানীয় ৰাইজৰ সহযোগত অনুষ্ঠিত হ'ব দেও কুবেৰ শলিতা লগোৱা সকাম আৰু জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহ। আজি সৰুপথাৰৰ বিশিষ্ট শিক্ষাবিদ নৰেন চুতীয়াই লাইখুঁটা স্থাপন কৰে। উপস্থিত থাকে চুতীয়া যুৱ সন্মিলন অসম, ধনশিৰি জিলা সমিতিৰ সভাপতি বুবু কুমাৰ বৰা, উদ্‌যাপন সমিতিৰ সভাপতি ড° প্ৰেমকান্ত বৰা, সম্পাদক ধ্ৰুৱজিত শইকীয়াৰ লগতে যুৱ সন্মিলনৰ বিষয়ববীয়াসকল। উল্লেখযোগ্য যে, মাঘী পূৰ্ণিমা তিথিত অনুষ্ঠিত হয় চুতীয়া জনগোষ্ঠীৰ 'দেও কুবেৰ শলিতা লগোৱা সকাম'। চুতীয়া জনগোষ্ঠীৰ 'দেও কুবেৰ শলিতা লগোৱা সকাম' পূৰ্ব পুৰুষৰ উপাসনা কৰা এক জনগোষ্ঠীয় অনুষ্ঠান। জনশ্ৰুতি অনুসৰি বীৰপালৰ ৰাজত্ব কালতে চুতীয়াৰ ইষ্ট দেৱতা কুবেৰৰ আৱিৰ্ভাৱ হৈছিল চুতীয়া ৰাজ্যত। ইষ্ট দেৱতা কুবেৰ দেৱে ৰাজলক্ষ্মী স্বৰূপা পাঁচবিধ ধাতু দ্ৰব্য স্বপ্নৰ জৰিয়তে বীবৰক অৰ্পণ কৰিছিল। ইয়াৰে ভিতৰত সোণৰ বিড়ালী, সোণৰ ঢাল, তৰোৱাল, এপাত জাকি আৰু এটা দণ্ডচত্ৰ আছিল। এই সম্পদসমূহ আছিল চুতীয়া ৰাজৰ সৌৰ্য বীৰ্যৰ প্ৰতীক তথা দেশৰ স্বাভিমান আৰু সাহসৰ প্ৰতীক। এই ধাতু দ্ৰব্য সম্পদসমূহ চুতীয়া ৰাজ বংশত প্ৰজন্ম ধৰি সংৰক্ষিত হৈ আছিল আৰু পবিত্ৰ মাঘী পূৰ্ণিমাৰ দিনা গঙ্গাজলেৰে পবিত্ৰ কৰি পূজা অৰ্চনা কৰাৰ লগতে দেওকুবেৰ আৰু শলিতা লগোৱা সকাম অনুষ্ঠিত কৰিছিল। মাঘী পূৰ্ণিমাত 'দেও কুবেৰ শলিতা লগোৱা সকাম' চুতীয়াসকলে অনুষ্ঠিত কৰে। এই অনুষ্ঠান কৰা হয় মূলতঃ পূৰ্ব পুৰুষসকলক স্মৰণ কৰাৰ বাবে। সকামৰ দিনটোতেই চুতীয়াসকলৰ ৰজাই প্ৰজাক ঈশ্বৰপদত্ত সম্পত্তিসমূহ দেখুৱাৰ পৰম্পৰা আছে। এইপৰম্পৰাসমূহ আমি উত্তৰ প্ৰজন্মক দেখুৱাই দি যোৱাৰ প্ৰচেষ্টা হাতত লৈছোঁ বুলি উদ্‌যাপন সমিতিৰ সভাপতি বুবু কুমাৰ বৰাই মন্তব্য কৰে।



# বিহালী সমষ্টিত বাহিৰৰ প্ৰাৰ্থীক প্ৰাৰ্থীত্ব নিদিবলৈ ৰাজনৈতিক দললৈ আহ্বান

**অসম বাৰ্তা, জিনজিয়া, ১৮ জানুৱাৰী ঃ** ২০২৬ চনৰ বিধানসভাৰ নিৰ্বাচন সমাগত। নিৰ্বাচনৰ প্ৰাকক্ষণত বিহালীত ছালানীৰ প্ৰত্যাশীত প্ৰাৰ্থীৰ বিৰুদ্ধে জন্ম হৈয়ে গৰজি উঠিল 'সদৌ বিহালী সচেতন গণ মঞ্চ' নামৰ সামাজিক সংগঠনটো। বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে-লগে ছালানী প্ৰাৰ্থীক লৈ বিহালী সমষ্টিৰ প্ৰান্তে প্ৰান্তে প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱা দেখা পোৱা গৈছে। সংগঠনটোৱে আগন্তুক হ'ব লগা বিধানসভা নিৰ্বাচনৰ সময়ত বিহালী সমষ্টিত বাহিৰৰ প্ৰাৰ্থীয়ে যাতে অগ্ৰাধিকাৰ নাপাই তাৰ প্ৰতি লক্ষ্য ৰাখি জন্মগ্ৰহণ কৰিয়ে গৰজি উঠিল 'সদৌ বিহালী সচেতন গণ মঞ্চ' নামৰ সামাজিক সংগঠনটো। এই সামাজিক সংগঠনটোৱে সংবাদমেলযোগে প্ৰতিটো ৰাজনৈতিক দললৈ আহ্বান জনাই কয় যে বিহালী সমষ্টিৰ বাহিৰৰ প্ৰাৰ্থীক বিহালী সমষ্টিত কোনো কাৰণত প্ৰাৰ্থীত্ব নিদিব, যদি প্ৰাৰ্থীত্ব দিয়ে তেন্তে বিহালী সমষ্টিৰ ৰাইজে আঁকোৱালি নলয় আৰু অনশনৰ দৰে কাৰ্যসূচী গ্ৰহণ কৰা হ'ব, প্ৰয়োজনত জেললৈ যাবলৈ সাজু, বিহালী সমষ্টিত কেৱল স্থানীয় প্ৰাৰ্থীকহে অগ্ৰাধিকাৰ দিব লাগিব বুলি মঞ্চৰ অধ্যক্ষ ৰুগেশ্বৰ খাণ্ডুৱালে সদৰী কৰে।

### ক্ষোভ প্ৰকাশ সনাতনী বীৰ হিন্দু সেনাৰ সহ প্ৰমুখ মণিকণ দাসৰ

# ঢেকীয়াজুলিত মুকলিকৈ অবৈধ জোৱা খেল চলাই সামাজিক পৰিবেশ বিনষ্ট কৰাৰ অভিযোগ



**অসম বাৰ্তা, ঢেকীয়াজুলি, ১৮ জানুৱাৰী ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলি আৰক্ষী থানা এলেকাত একাংশ অসাধু লোকে মুকলিকৈ অবৈধ জোৱাখেল চলাই আহিছে বুলি গুৰুত্বপূৰ্ণ অভিযোগ উঠিছে। এই অবৈধ কাৰ্যকলাপৰ ফলত শ্বহীদ নগৰী ঢেকীয়াজুলিৰ সামাজিক পৰিবেশ গভীৰভাৱে ক্ষতিগ্ৰস্ত হৈছে বুলি স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰিছে। এনে পৰিস্থিতিৰ প্ৰতি তীব্ৰ ক্ষোভ প্ৰকাশ কৰি আজি ঢেকীয়াজুলিত উপস্থিত হয় সনাতনী বীৰ হিন্দু সেনাৰ অসম প্ৰান্তৰ সহ প্ৰমুখ মণিকণ দাস। উল্লেখযোগ্য যে, ঢেকীয়াজুলিৰ বিভিন্ন অঞ্চলত দুষ্ট প্ৰকৃতিৰ একাংশ লোকে কোনো ধৰণৰ ভয়-ভীতি নোহোৱাকৈ মুকলিকৈ জোৱাখেল পাতি অহা বুলি অভিযোগ উঠিছে। ইয়াৰ ফলত যুৱ সমাজ ভুল পথত ধাৱিত হোৱাৰ লগতে পৰিয়ালসমূহৰ আৰ্থিক আৰু সামাজিক স্থিতিও বিপন্ন হোৱাৰ আশংকা বৃদ্ধি পাইছে। স্থানীয় সচেতন মহলে কয় যে এনে অবৈধ জোৱাখেলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ নকৰিলে আগন্তুক দিনত সামাজিক অপৰাধৰ সংখ্যা অধিক বৃদ্ধি পাব পাৰে। এই সন্দৰ্ভত সনাতনী বীৰ হিন্দু সেনাৰ সহ প্ৰমুখ মণিকণ দাসে সংবাদ মাধ্যমৰ আগত মন্তব্য কৰি কয় যে, "শ্বহীদনগৰী ঢেকীয়াজুলিৰ দৰে ঐতিহাসিক আৰু শান্তিপূৰ্ণ এলেকাত অবৈধ জোৱাখেল মুকলিকৈ চলি থকাটো অত্যন্ত দুৰ্ভাগ্যজনক। এইবোৰ কাৰ্যকলাপে সমাজৰ নৈতিকতা ধ্বংস কৰিছে। প্ৰশাসনে শীঘ্ৰেই কঠোৰ ব্যৱস্থা গ্ৰহণ কৰি এনে অসাধু লোকসকলৰ বিৰুদ্ধে আইনগত পদক্ষেপ ল'ব লাগে।" তেওঁ লগতে আৰক্ষী প্ৰশাসনক এই বিষয়টো গুৰুত্বসহকাৰে লৈ জোৱাখেলৰ বিৰুদ্ধে অভিযান চলাবলৈ আহ্বান জনায়। একে সময়তে তেওঁ সচেতন ৰাইজকো একত্ৰিত হৈ সমাজ বচোৱাৰ স্বাৰ্থত এই ধৰণৰ অবৈধ কাৰ্যকলাপৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ আহ্বান জনায়। বৰ্তমান এই ঘটনাক লৈ ঢেকীয়াজুলিত ব্যাপক প্ৰতিক্ৰিয়া সৃষ্টি হৈছে আৰু ৰাইজে আৰক্ষীৰ পৰা শীঘ্ৰে ব্যৱস্থা গ্ৰহণৰ আশা প্ৰকাশ কৰিছে।

# ভাৰতী অধ্যয়ন চক্ৰৰ শিল্পী দিৱস পালন

**অসম বাৰ্তা, দৌলাশাল, ১৮ জানুৱাৰী ঃ** অসম সাহিত্য সভাৰ সৰ্থেবাৰী শতদল শাখা ভাৰতী অধ্যয়ন চক্ৰৰ উদ্যোগত শনিবাৰে সৰ্থেবাৰী ৰাজহুৱা পুথিভঁৰালত শিল্পী দিৱস, বঁটা প্ৰদান আৰু গ্ৰন্থ উন্মোচন অনুষ্ঠান অনুষ্ঠিত হৈ যায়। পুৱা পতাকা উত্তোলন কৰি ভাৰতী অধ্যয়ন চক্ৰৰ সভাপতি নিখিলেশ ডেকাই। স্মৃতি তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰে ভাৰতী অধ্যয়ন চক্ৰৰ উপদেষ্টা কুলৰঞ্জন ভূঞাই। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিত মাল্যদান কৰে ভাৰতী অধ্যয়ন চক্ৰৰ উপদেষ্টা খগেশ্বৰ ডেকাই। পুৱা ১০ বজাত ভাৰতী অধ্যয়ন চক্ৰৰ সভাপতি নিখিলেশ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত হয় মুকলি সভা, পত্ৰিকা উন্মোচন আৰু বঁটা প্ৰদান অনুষ্ঠান। উক্ত অনুষ্ঠানত গোমূৰা গাঁৱৰ বিশিষ্ট ওজা কঁহাৰ মুকুল ৰয়ক ২০২৬ বৰ্ষৰ পুষ্পৰাম কঁহাৰ শিল্পী বঁটা প্ৰদান কৰা হয়। মুকলি সভাতেই ভাৰতী অধ্যয়ন চক্ৰই প্ৰকাশ কৰা বিশেষ কবিতা সংকলন "আল্পা-গঙ্গা" উন্মোচন কৰে ভাৰতী অধ্যয়ন চক্ৰৰ উপদেষ্টা পাৰ্বতী পাটোৱাৰীয়ে। গ্ৰন্থখন উন্মোচনৰ পূৰ্বে গ্ৰন্থখনৰ সম্পাদিকা প্ৰীতিমণি ডেকা ভূঞাই গ্ৰন্থখন প্ৰকাশ সম্পৰ্কত ভাষণ প্ৰদান কৰে। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি ভাষণ প্ৰদান কৰে ভাৰতী অধ্যয়ন চক্ৰৰ উপদেষ্টা অধৰ চন্দ্ৰ ডেকাই। জয়ৰাম ডেকা আৰু ধৰ্মেশ্বৰ ডেকা সোঁৱৰণী কবিতা প্ৰতিযোগিতাৰ বিজয়ী সকলকো উক্ত অনুষ্ঠানতেই বঁটা প্ৰদান কৰা হয়। বিশিষ্ট সাহিত্যিক, সাংবাদিক পেন্সনাৰ মৃণাল মল্ল পাটোৱাৰী, "আল্পা-গঙ্গা" কাব্য সংকলনৰ সম্পাদনা সমিতিৰ সভাপতি চক্ৰেশ্বৰ ডেকা, অৱসৰপ্ৰাপ্ত বিজ্ঞান শিক্ষক কামৰুজ জামানকে ধৰি কেইবাগৰাকীও বিশিষ্ট লোকে ভাষণ প্ৰদান কৰে। সভাখনত ভাৰতী অধ্যয়ন চক্ৰৰ জৰিয়তে অসম সাহিত্য সভাৰ আজীৱন সভ্যৰ স্বীকৃতি পত্ৰ লাভ কৰা ১১৬গৰাকীকৈ লোকক আজীৱন সভ্যৰ স্বীকৃতি পত্ৰও প্ৰদান কৰা হয়। অনুষ্ঠানটোত ভাৰতী অধ্যয়ন চক্ৰৰ উপ সভাপতি তৰুলতা ডেকা, সদস্যা নিজৰা বৰ্মন ডেকাকে ধৰি বিষয়ববীয়া আৰু বিশিষ্ট লোক উপস্থিত থাকে। মুকলি সভাৰ আঁত ধৰাৰ লগতে শলাগৰ শৰাই আগবঢ়ায় ভাৰতী অধ্যয়ন চক্ৰৰ ভাৰপ্ৰাপ্ত সম্পাদক ধনজিৎ ডেকাই।

## বাক্সাৰ খৈৰাণীত বনৰীয়া হাতীৰ আক্ৰমণত নিহত এগৰাকী চৈধ্য বছৰীয়া যুৱতী

**অসম বাৰ্তা, বাগানপাৰা, ১৮ জানুৱাৰী ঃ** ৰাজ্যত পুনৰ সংঘটিত হ'ল হাতী -মানুহৰ সংঘাত। বাক্সা জিলাৰ খৈৰাণীত আজি পুৱতি নিশা প্ৰায়, পাঁচ বজাত হাতীৰ আক্ৰমণত প্ৰাণ গ'ল এগৰাকী যুৱতীৰ। আজি বহুদিন ধৰি এই অঞ্চল সমূহত ত্ৰাসৰ সৃষ্টি কৰি আহিছে। আজি পুৱতি নিশা এটা বনৰীয়া হাতীৰ আক্ৰমণত নিহত হয় বাক্সা জিলাৰ বাগানপাৰা ৰাজহ চক্ৰৰ অন্তৰ্গত খৈৰাণী গাঁৱৰ জ্যোৎস্না বৰ্মন নামৰ চৈধ্য বছৰীয়া যুৱতীৰ লগতে আহত হয় মধুস্মিতা বৰ্মন নামৰ এগৰাকী মহিলা। ঘটনাস্থলীত বাক্সাৰ আৰক্ষী উপস্থিত হয়। ইতিমধ্যে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে মুছলপুৰ অসামৰিক চিকিৎসায়লৈ প্ৰেৰণ কৰা হৈছে। আহত মধুস্মিতা বৰ্মনকো চিকিৎসা প্ৰদানৰ বাবে মুছলপুৰ অসামৰিক চিকিৎসায়লৈ প্ৰেৰণ কৰাৰ ব্যৱস্থা কৰা হৈছে।

### ■ শিল্পী দিৱস উপলক্ষে তিনিগৰাকী প্ৰচাৰ বিমুখ প্ৰৱীণ শিল্পীক 'শিল্পী সাধনা বঁটা' ■

# নাজিৰাত পৰম্পৰাগত নাওখেল



**অসম বাৰ্তা, নামতি, ১৮ জানুৱাৰী ঃ** বিগত পঞ্চম বৰ্ষৰ দৰে এই বৰ্ষৰ ১৭ জানুৱাৰীত শিল্পী দিৱস উদ্‌যাপন কৰাৰ লগতে পৰম্পৰাগত নাওখেল প্ৰতিযোগিতাৰ স্থলী নাজিৰা নগৰৰ ১ নং ৱাৰ্ডৰ বশিষ্ঠ গংগা খ্যাত দিখৌ নদীৰ পাৰ ওখল-মাখল পৰিৱেশেৰে বিৰাজমান হৈ পৰে। অনুসূচিত জাতি যুৱ-ছাত্ৰ পৰিষদৰ নাজিৰা মহকুমা সমিতিৰ উদ্যোগত নাজিৰা আমোলাপট্টি যুৱ সমাজ আৰু ওপৰ নাজিৰা যুৱ সমাজ তথা নাজিৰাবাসী ৰাইজৰ সহযোগত উদযাপন কৰা হয় শিল্পী দিৱস আৰু পৰম্পৰাগত নাওখেল প্ৰতিযোগিতা। পুৱা পৰিষদৰ নাজিৰা মহকুমা সমিতিৰ সভাপতি ৰমেন দাসে পতাকা উত্তোলনেৰে শুভাৰম্ভ কৰা কাৰ্যসূচীৰ পিচতে মহাসতী ৰাধিকা, জ্যোতি প্ৰসাদ আগৰৱালা, সুধাকণ্ঠ ড° ভূপেন হাজৰিকা, ড° ভীম ৰাও ৰামজী আম্বেদকাৰ, সূৰ্যকণ্ঠ জুবিন গাৰ্গ, শিল্পী দিলীপ শৰ্মা, সমৰ হাজৰিকা, ৰাজীৱ শদিয়াৰ প্ৰতিচ্ছবিত মাল্যাপণ আৰু বন্তি প্ৰজ্বলন কৰে উদ্‌যাপন সমিতিৰ সভাপতি দিলীপ হাজৰিকা, ডাঃ নিৰ্মালী দাস, ডঃ অসমী গগৈ বৰুৱা, নিলাক্ষী বৰুৱা, অৰ্ণৱ গগৈ, ৰূপা মহন্ত, গোপাল দাস, হৰেন্দ্ৰ নাথ দাসে। পিছত শিৱসাগৰ জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা নাওখেলৰ খেলুৱৈ সকলৰ আধ্যাত্মিক দিক দৰ্শনৰ মাজেৰে বন্তি দিখৌ নদীৰ পাৰত বন্তি প্ৰজ্বলনেৰে প্ৰতিযোগিতা শুভ উদ্বোধন কৰে নাজিৰা স্বৰাজ অকাডেমিৰ অধ্যক্ষা তথা বিশিষ্টা লেখিকা ড° অসমী গগৈ বৰুৱাই। নৰেন্দ্ৰ নাথ দাস আৰু শ্যাম দাসে পৰিচালনা কৰা নাওখেল প্ৰতিযোগিতাত দিবৈ কৈৱৰ্ত্ত 'ক' দলে প্ৰথম, নাজিৰাৰ হলি দলে দ্বিতীয় আৰু ওপৰ নাজিৰাৰ হেপ্পী দলে তৃতীয় স্থান অধিকাৰ কৰে। সন্ধিয়া অসমীয়াৰ প্ৰাণৰ শিল্পী - যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰব সূৰ্যকণ্ঠ জুবিন গাৰ্গ সোঁৱৰণীত অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে টাই আহোম উন্নয়ন পৰিষদৰ অধ্যক্ষ ময়ূৰ বৰগোহাঁয়ে। উদ্‌যাপন সমিতিৰ সভাপতি দিলীপ হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত অসমীয়া ভাষা- সাহিত্য, সংস্কৃতি ক্ষেত্ৰখনলৈ অনবদ্য অৱদান আগবঢ়াই অহা প্ৰচাৰ বিমুখ বিশিষ্ট সাহিত্যিক, নাট্যকাৰ - "নীহাৰিকা" আলোচনীৰ মুখ্য সম্পাদক জগত বৰগোঁহাই, বিশিষ্ট লোকশিল্পী সদানন্দ কোঁৱৰ আৰু নৃত্য পটিয়সী লেখাৰাণী ফুকনক উদ্‌যাপন সমিতিৰ তৰফৰ পৰা " শিল্পী সাধনা " বঁটাৰে জীৱনজোৰা সাধনাৰ স্বীকৃতি প্ৰদান কৰাৰ লগতে ডি ৱাই ৩৬৫ ৰ নাজিৰাৰ সংবাদসেৱী তথা নাজিৰা সাংবাদিক মঞ্চৰ সাধাৰণ সম্পাদক প্ৰদীপ হাজৰিকাক 'সাহসিকতাৰ সাংবাদিক' হিচাপে বঁটা প্ৰদান কৰে। পিছত সংবাদসেৱী ক্ৰমে বিপিন হাজৰিকা আৰু দিলীপ শইকীয়াই সূত্ৰধৰা সাংস্কৃতিক অনুষ্ঠানত বিশিষ্ট যুৱ সংগীত শিল্পী ক্ৰমে ৰাছিম আয়ান, মাধৱ ৰঞ্জন আৰু বৰষাৰাণী শইকীয়াৰ কণ্ঠৰে গীতৰ শৰাই আগবঢ়ায়। অনুসূচিত জাতি যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সম্পাদক সুনীল দাস, তথ্য আৰু সাহিত্য সম্পাদক দিব্য দাস, নাজিৰা জিলা অনুসূচিত জাতি পৰিষদৰ সভাপতি অৰূপ দাসকে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থকা উক্ত অনুষ্ঠানতে নাওখেলৰ বিজয়ী প্ৰতিযোগী সকলক ১৫ হাজাৰ, ১০ হাজাৰ, ৫ হাজাৰ টকাৰ প্ৰাইজমণি সহ চলন্ত বঁটা প্ৰদান কৰা হয়।

## হত্যাকাণ্ডৰ গোচৰত উত্তৰ গুৱাহাটীৰ একে পৰিয়ালৰ চাৰিজনক যাৱজ্জীৱন কাৰাদণ্ড

**অসম বাৰ্তা, উত্তৰ গুৱাহাটী, ১৮ জানুৱাৰী ঃ** দীৰ্ঘদিনীয়া আইনী প্ৰক্ৰিয়াৰ অন্তত শনিবাৰে ৰঙিয়া অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশ আদালতে এক নৃশংস হত্যাকাণ্ডৰ গোচৰত গুৰুত্বপূৰ্ণ ৰায়দান কৰে। ২০১৮ চনত উত্তৰ গুৱাহাটীত সংঘটিত এটি নৃশংস হত্যাকাণ্ডৰ বিচাৰ কৰি আদালতে একেটি পৰিয়ালৰ চাৰিজন সদস্যক যাৱজ্জীৱন কাৰাদণ্ডৰ নিৰ্দেশ দিয়ে। আদালতৰ দ্বাৰা দোষী সাব্যস্ত হোৱা লোককেইজন হ'ল উত্তৰ গুৱাহাটীৰ ডেকাবাৰী গাঁৱৰ তফাইল আহমেদ, ইলিজা বেগম, ৰুকিয়া চিদ্দিকা আৰু লুতফুৰ ৰহমান। ঘটনাৰ সূত্ৰপাত হৈছিল ২০১৮ চনৰ ১৬ জানুৱাৰীৰ নিশা প্ৰায় ৯ঃ৩০ মান বজাত ডেকাবাৰী গাঁৱৰ নিবাসী তমজিদ আলী নামৰ এজন ব্যক্তিক হত্যা কৰাৰ অভিযোগ উত্থাপিত হৈছিল। ইয়াৰ পাছতে ভুক্তভোগী পৰিয়ালে বাইহাটা চাৰিআলি আৰক্ষী থানাত দাখিল কৰা এজাহাৰৰ ভিত্তিত ২৪/১৮ নম্বৰৰ এক গোচৰ ৰুজু কৰা হৈছিল। পৰৱৰ্তী সময়ত ৰঙিয়া অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশ আদালতত ভাৰতীয় দণ্ডবিধিৰ ৩০২/৩৪ ধাৰাৰ অধীনত ৬৩/১৮ নম্বৰত এই গোচৰটোৰ বিচাৰ চলি থাকে। সাক্ষী আৰু তথ্য-প্ৰমাণৰ পুংখানুপুংখ বিশ্লেষণৰ অন্তত আদালতে আটাইকেইগৰাকী অভিযুক্তক দোষী সাব্যস্ত কৰে। কাৰাদণ্ডৰ লগতে আদালতে প্ৰতিগৰাকী অপৰাধীক ১০ হাজাৰ টকাকৈ জৰিমনাও বিহে। আনহাতে, চৰকাৰী পক্ষৰ অধিবক্তা দেৱজিৎ শইকীয়াই জানিবলৈ দিয়ে যে ন্যায়ালয়ে মানৱীয় দৃষ্টিভংগীৰে ভুক্তভোগী পৰিয়ালটোক জিলা আইন সেৱা প্ৰাধিকৰণৰ জৰিয়তে ১ লাখ টকাৰ এক আৰ্থিক ক্ষতিপূৰণ আগবঢ়াবলৈও নিৰ্দেশ জাৰি কৰিছে। এই কঠোৰ ৰায়ে অঞ্চলটোৰ অপৰাধীৰ বিৰুদ্ধে এক শক্তিশালী বাৰ্তা প্ৰেৰণ কৰিছে।

## তিনিচুকীয়াৰ হিজুগুৰি ভিআইপি ৰোডত ভয়ংকৰ অগ্নিকাণ্ড

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ১৮ জানুৱাৰী ঃ** বাণিজ্যিক চহৰ তিনিচুকীয়াৰ হিজুগুৰি ভিআইপি ৰোডস্থিত এটা ফ'ম ফেক্টৰীত আজি সন্ধিয়া প্ৰায় ৭-০০ বজাত এক ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হয়। বিতু শ্বাহ নামৰ ব্যক্তিজনৰ ফেক্টৰীত সংঘটিত হয় উক্ত অগ্নিকাণ্ডৰ ঘটনা। ঘটনাৰ খবৰ পোৱাৰ পাছতেই অগ্নিনিৰ্বাপক বাহিনীৰ পাঁচখনকৈ গাড়ী ঘটনাস্থলীত উপস্থিত হৈ জুই নিৰ্বাপন কৰিবলৈ চেষ্টা কৰে। অগ্নিকাণ্ডৰ ফলত কোনো লোক হতাহত হোৱা নাই বুলি জানিব পৰা গৈছে যদিও অগ্নিকাণ্ডৰ কাৰণ জানিব পৰা হোৱা নাই।

■ তিনিদিনীয়াকৈ অনুষ্ঠিত হ'ব সমাৰোহভাগি ■

## নকছাৰিত পূব যোৰহাট আঞ্চলিক মইনা পাৰিজাতৰ ৩৪ সংখ্যক শিশু সমাৰোহৰ প্ৰস্তুতি

**অসম বাটত, নকছাৰি, ১৮ জানুৱাৰী ঃ** কণকণ শিশু সকল আমাৰ দেশৰ ভৱিষ্যত নাগৰিক। এই শিশু সকলৰ সৰ্বাংগীণ উন্নতিৰ উমৈহতীয়া অনুষ্ঠান হৈছে মইনা পাৰিজাত। গীত মাত, নৃত্য, ক্ৰীড়া, শিক্ষা, সংস্কৃতি, বক্তৃতা দিয়া আদি সকলো দিশতে আগবঢ়াই নিয়াৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে মইনা পাতিজাতে। 'আমি পোহৰ বিচাৰি যাওঁ' এই বাণী সৰোগত কৰি শিশু সকল আগবাঢ়ি যায় পোহৰৰ দিশে। সদৌ অসম মইনা পাৰিজাতৰ যোৰহাট জিলা মইনা পৰিজাতৰ অন্তৰ্গত পূব যোৰহাট আঞ্চলিক সমিতিখনি মৰিয়নি সমষ্টিৰ অন্তৰ্গত এলেকাত অৱস্থিত। এই অঞ্চলিকৰ অন্তৰ্গত প্ৰায় ৬০ খন শাখা মইনা পাৰিজাত আছে। মৰিয়নিৰ কোঁঠালগুৰিৰ পৰা নকছাৰিৰ সমূহ গাঁৱৰ লগতে লাহিং, চেলেং, বলমা লৈকে এই আঞ্চলিকখন অৱস্থিত। পূব যোৰহাট আঞ্চলিক মইনা পাৰিজাতৰ ৩৪ সংখ্যক শিশু সমাৰোহখনিৰ এইবাৰ লাহদৈগড় মৰাণ গাঁৱ, ৰজাবাৰী, উজনি ৰজাবাৰী আৰু পুঠিনদী গোহাঁই গাঁৱৰ ক্ৰমে জোনালী, কুঁহি আৰু অংকুৰজ্যোতি মইনা পাৰিজাত তথা স্থানীয় ৰাইজৰ আদৰ-অভ্যৰ্থনাত অহা ২৩, ২৪ আৰু ২৫ জানুৱাৰী' ২০২৬ তাৰিখে "বুৰঞ্জীবিদ সমাজহিতৈষী সোণাধৰ গগৈ সোঁৱৰণী সমন্বয় ক্ষেত্ৰ" লাহদৈগড় মৰাণ গাঁও খেলপথাৰত অনুষ্ঠিত হ'ব। এই সমাৰোহ ভাগিত প্ৰায় চল্লিছ খনতকৈও অধিক শাখা মইনা পাৰিজাতৰ মইনা, মাইনি সকলে অংশগ্ৰহণ কৰিব। আদৰণি সমিতিৰ সভাপতি চিদানন্দ গগৈ আৰু সম্পাদক নৰদীপ গগৈয়ে শিশু সমাৰোহৰ প্ৰতিটো কাৰ্যসূচীতে শিশুপ্ৰেমী সুধীজনৰ সহায়-সহযোগিতা আন্তৰিকতাৰে কামনা কৰিছে।



### অগ্নিদগ্ধ হৈ অন্ধ মহিলাৰ মৃত্যু

## গৰৈমাৰীৰ দীঘলডোৱা চৰত বিধ্বংসী অগ্নিকাণ্ডত ৫টা ঘৰ ভস্মীভূত

**অসম বাৰ্তা, গৰৈমাৰী, ১৮ জানুৱাৰী ঃ** ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰীৰ দীঘলডোৱাত কালি সন্ধিয়া বিধ্বংসী অগ্নিকাণ্ডত দৰিদ্ৰ পৰিয়াল এগৰাকীৰ ৫টা ঘৰ সম্পূৰ্ণৰূপে ভস্মীভূত হোৱাৰ লগতে অগ্নিদগ্ধ হৈ অন্ধ বিধৱা মহিলা এগৰাকীৰ কৰুণ মৃত্যু হয়। জানিব পৰামতে দীঘলডোৱাৰ চৰৰ তৈমুদ্দিনৰ ৰান্ধনি ঘৰৰ জুইশালৰ পৰা কালি সন্ধিয়া প্ৰায় ৬-৩০ বজাত আকস্মিকভাৱে জুইৰ সূত্ৰপাত ঘটে। জুইৰ লেলিহান শিখাই ওচৰৰ আন চাৰি ঘৰ আগুৰি লয়। ফলত দৰিদ্ৰ পৰিয়ালটোৰ চাৰিটা টিনপাতৰ ঘৰৰ লগতে এটা খেৰৰ ঘৰ নিমিষতে ভস্মীভূত হয়। বিধ্বংসী অগ্নিকাণ্ডত পৰিয়ালটোৰ প্ৰয়োজনীয় নথিপত্ৰ, নগদ ১৬ হেজাৰ টকা, ধান, হাঁহ-কুকুৰাৰ লগতে পাঁচটা ভেড়া-ছাগলী অগ্নিদগ্ধ হৈ মৃত্যু হয়। অগ্নিকাণ্ডত দৰিদ্ৰ পৰিয়ালটোৰ ৫ লক্ষাধিক টকাৰ সা-সম্পত্তি জুইত জাহ যায়। ইপিনে অগ্নিকাণ্ডৰ সময়ত ঘৰৰ ভিতৰত আৱদ্ধ হৈ পৰাত তৈমুদ্দিনৰ বিধৱা অন্ধ কন্যা কৰফুল নেছা (৩৫) অগ্নিদগ্ধ হৈ গুৰুতৰভাৱে আহত হয়। অগ্নিদগ্ধ মহিলাগৰাকীক গৰৈমাৰী সামূহিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰায় যদিও প্ৰাথমিক চিকিৎসাৰ অন্তত চিকিৎসকে সংকটজনক অৱস্থাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে যদিও মহিলাগৰাকীৰ চিকিৎসাধীন অৱস্থাত আজি পুৱা মৃত্যু হয়। মহিলাগৰাকীৰ কৰুণ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

## পঃৰাগ উৎসৱলৈ লেখা আহ্বান

**অসম বাৰ্তা, উজনী মাজুলী, ১৮ জানুৱাৰী ঃ** উজনী মাজুলীৰ হাতীমূৰীয়া গাঁৱৰ পঃৰাগ উৎসৱ -২০২৬ ৰ সংগতি ৰাখি উদ্‌যাপন সমিতিৰ আৰু ৰাইজৰ সহযোগত এখনি স্মৃতিগ্ৰন্থ প্ৰকাশ কৰাৰ দিহা কৰিছে। গতিকে সুহৃদ লেখক- সাহিত্যনুৰাগী আৰু লিখনিৰ প্ৰতি আগ্ৰহী ব্যক্তিসকলে মিচিং সমাজৰ ধৰ্মীয় বিশ্বাস, ৰীতি-নীতি আৰু প্ৰথা-পৰম্পৰা, জীৱনধাৰা পদ্ধতিৰ লগতে কবিতা, গল্প আৰু উপন্যাস আদিত অসমীয়া আৰু মিচিং ভাষাত অহা ইংৰাজী ১০ ফেব্ৰুৱাৰী, ২০২৬ তাৰিখৰ ভিতৰত স্মৃতিগ্ৰন্থ উপ-সমিতি সম্পাদক ভাস্কৰজ্যোতি কুটুমৰ লগত যোগাযোগ কৰি প্ৰেৰণ কৰিব পাৰিব। তদুপৰি ৬০০৫ ০১২৫৮১ হোৱাটছ্‌এপ নম্বৰ আৰু bhaskarkutum84442@gmail.com ইমেইলত প্ৰেৰণ কৰিবলৈ অনুৰোধ জনাইছে।

## ডিব্ৰুগড়ৰ বাণীপুৰ শাখা সাহিত্য সভা আৰু মহিলা সমিতিৰ উদ্যোগত শিল্পী দিৱস পালন

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৮ জানুৱাৰী ঃ** ৰাজ্যৰ বিভিন্ন ঠাইৰ লগতে ডিব্ৰুগড়ৰ বাণীপুৰ শাখা সাহিত্য সভা আৰু বাণীপুৰ মহিলা সমিতিৰ যুটীয়া উদ্যোগত বিস্তৃত কাৰ্যসূচীৰে শিল্পী দিৱস পালন কৰা হয়। এই সভাত সভাপতিত্ব কৰে গুণকান্ত শইকীয়াই। সভাপতি সহিত বিশিষ্ট লোকসকলে আসন গ্ৰহণ কৰাৰ পিছতে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে শাখা সভাৰ সম্পাদিকা ড° দিব্যজ্যোতি বৰাই। পৰৱৰ্তী কাৰ্যসূচী হিচাপে বন্তি প্ৰজ্বলন কৰা হয়। ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালা, ড° ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গৰ ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে তৰুণ কুমাৰ গগৈ, অমৃত কুমাৰ শইকীয়া, দীপক কুমাৰ দত্ত। ইন্দ্ৰ গগৈয়ে ৰূপকোঁৱৰৰ জীৱন আৰু কৰ্ম সম্পৰ্কে সাৰগৰ্ভ বক্তব্য আগবঢ়ায়। পৰৱৰ্তী কাৰ্যসূচীত বাণীপুৰ মহিলা সমিতিৰ সদস্যকলে সমবেত সংগীত, জ্যোতি সংগীত, কবিতা আবৃত্তি, নৃত্য ইত্যাদি প্ৰদৰ্শন কৰে। বাণীপুৰ শাখা সাহিত্য সভাৰ সভাপতি অজয় কুমাৰ দত্তই জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱন দৰ্শন সম্পৰ্কে আলোকপাত কৰি সকলোকে আপ্লুত কৰে। এই সভাতেই 'স্বৰ্ণ শাখাৰ' মৰ্যাদা পাবলৈ গৈ থকা বাণীপুৰ শাখা সাহিত্য সভাৰ আজীৱন সদস্যসকলক 'স্নেহপত্ৰ' প্ৰদান কৰা হয়। সম্পাদক ড° দিব্যজ্যোতি বৰাই আগবঢ়োৱা কৃতজ্ঞতা জ্ঞাপনেৰে অনুষ্ঠানৰ সফল পৰিসমাপ্তি ঘটে। অনুষ্ঠানত তৰুণ কুমাৰ গগৈ, ইন্দ্ৰ গগৈ, দীপক দত্ত, পদ্মা শইকীয়া খনিকৰ, অমৃত কুমাৰ শইকীয়া, বাণীপুৰ মহিলা সমিতিৰ সভানেত্ৰী হিৰণ্য দত্ত (ঊষা), বাণীপুৰ মহিলা সমিতিৰ সম্পাদিকা পূৰৱী চাংমাই বৰুৱাসহিতে প্ৰায় শতাধিক ব্যক্তি উপস্থিত থাকি শিল্পী দিৱস উদ্‌যাপন সাফল্যমণ্ডিত কৰি তোলে।

### বৰমপুৰ ক্লাৱ লীগ ক্ৰিকেট

## আই জি স্পৰ্টছ ক্লাৱৰ জয়লাভ

**অসম বাৰ্তা, পুৰণিগুদাম, ১৮ জানুৱাৰী ঃ** নগাঁও জিলাৰ বঢ়মপুৰ ঠগী সূত ক্ৰীড়া প্ৰকল্পত থকা ক্ৰিকেট খেলপথাৰত চলি থকা ক্লাৱ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত হোৱা খেলত আই জি স্পৰ্টছ ক্লাৱে কঠীয়াতলি ১১ ষ্টাৰক পৰাজিত কৰে। আই জি স্পৰ্টছ ক্লাৱে নিৰ্ধাৰিত ৩০ অভাৰত ৪ উইকেটৰ বিনিময়ত ২৪৭ ৰাণ কৰাৰ বিপৰীতে কঠীয়াতলি ১১ ষ্টাৰে নিৰ্ধাৰিত অভাৰত আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ৬৪ ৰাণ কৰিবলৈহে সক্ষম হয়। খেলখনত আই জি স্পৰ্টছ ক্লাৱৰ পিণ্টু দাসে শ্ৰেষ্ঠ খেলুৱৈ আৰু শ্ৰেষ্ঠ বেটছমেনৰ খিতাপ অৰ্জন কৰাৰ লগতে একে দলৰে অভিজিত বৰাই শ্ৰেষ্ঠ বলাৰৰ সন্মান লাভ কৰিবলৈ সক্ষম হয়। পিণ্টু দাসে ৮৫টা বলত ৯৫ ৰাণ কৰি নট আউট হৈ থাকে। অহা কালিলৈ খেলখন চলচলি ৰাইন'জ ক্লাৱ আৰু প্ৰিয়ংকা ১১ মাজত অনুষ্ঠিত হ'ব।

# আজলী আই বাৰ্ষিক থান সেৱা উৎসৱ সম্পন্ন

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ১৮ জানুৱাৰী ঃ** মায়ামৰা সমাজৰ আদ্যগুৰু অনিৰুদ্ধদেৱৰ মাতৃ, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ভগ্নী আজলী আইৰ থানত বাৰ্ষিক সেৱা উৎসৱ পহিলা মাঘত অনুষ্ঠিত হয়। ঐক্য, শান্তি আৰু প্ৰগতিক মূল লক্ষ্য হিচাপে লৈ আজলী আয়ে যোড়শ শতিকাৰ মাজভাগত শংকৰদেৱৰ আদৰ্শক প্ৰচাৰ-প্ৰসাৰৰ উদ্দেশ্যে মাজুলীৰ লগতে উজনি অসমত, বিশেষকৈ নাৰী সমাজক নেতৃত্ব দি সংস্কাৰ আন্দোলনৰ গুৰি বঠা ধৰিছিল। আজলী আয়ে ৰত্নগৰ্ভা মাজুলীৰ পূবপ্ৰান্তত অৱস্থিত মেখেলী গাঁৱৰ নিচেই সমীপত ঘন জংঘলত আশ্ৰমসদৃশ পৰিৱেশত পুত্ৰসকলৰ সহযোগত সত্ৰ প্ৰতিষ্ঠা কৰিছিল। আজলী আইৰ কৰ্মসংস্কৃতিৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি তেওঁৰ মহা প্ৰস্থানৰ সময়ৰে পৰা মায়ামৰা সমাজখনে আজলী আইৰ সমখধিস্থলত ধূপ-বন্তি জ্বলাই শৰাই নৈবেদ্য আগবঢ়াই থান উৎসৱ পালন কৰি আহিছে। এই বছৰো আজলী আই থান সত্ৰ পৰিচালনা আৰু উন্নয়ন সমিতিয়ে থান সেৱা উৎসৱ পালন কৰে। সেই উদ্দেশ্যে বন্তিপ্ৰজ্বলন কৰে মায়ামৰা সমাজৰ গাঁওবুঢ়া পোৱাল দাস পাঠেকীয়ে। ধৰ্মধ্বজা উত্তোলন কৰে শশীধৰ দাস গাঁওবুঢ়াই। জুবিন গাৰ্গৰ প্ৰতিচ্ছবি প্ৰতিষ্ঠা কৰি সন্মুখত বন্তি প্ৰজ্বলন কৰে অধ্যাপক বিনোদ দাসে। আধ্যাত্মিক আৰু সাংস্কৃতিক মঞ্চ উন্মোচন কৰে অধিকাৰ পৰশুত্তমানন্দ চন্দ্ৰ গোস্বামীয়ে। গছপুলি ৰোপণ কৰে বৈষ্ণৱ যোগেশ্বৰ দাস, চন্দ্ৰ দাস, পদ্ম দাস, বসন্ত তামূলী, গোপীধৰ তামূলীয়ে। সন্মানীয় অতিথি হিচাপে অধিকাৰ মুকুন্দানন্দ চন্দ্ৰ গোস্বামী, পৰিদৰ্শক পোৱাল হাজৰিকা, গাঁওবুঢ়াসকলে অংশগ্ৰহণ কৰে। দিহানাম পৰিৱেশন কৰে আইসকলে। জনম কাশ্যপ, কমল দাস, দেৱৰাগে গীত পৰিৱেশন কৰে। গায়ন-বায়ন, ভক্তি গীত পৰিৱেশন কৰে বুলি সমিতিৰ সভাপতি কুমুদ চন্দ্ৰ দাস, সম্পাদক প্ৰহ্লাদ দাসে জনাইছে।

### ❑ কণমানি মান্যতাৰ তৎপৰতাৰ বাবেই জুইৰ কবলৰ পৰা ৰক্ষা পৰিল দুখনকৈ গাঁও ❑

# চেলেংহাটৰ পদুমনিত পথাৰৰ নৰানিত জুই

**অসম বাৰ্তা, আমগুৰি, ১৮ জানুৱাৰী ঃ** এগৰাকী কণমানিৰ বাবে যোৰহাট জিলাৰ চেলেংহাটৰ কঠালবৰীয়া ৰাজহ গাঁৱৰ অন্তৰ্গত দুখনকৈ গাঁও জুইৰ কবলৰ পৰা ৰক্ষা পৰিল। জানিব পৰা মতে পদুমনি জাপিসজীয়া, পানীগাঁও আৰু বেলতল জাপিসজীয়া গাঁৱৰ মাজত অৱস্থিত নৰানি পথাৰৰ দিনৰ দুইমান বজাত হৰ্থাৎ জুই লাগে। পথাৰৰ মাজত উৎপত্তি হোৱা জুয়ে তাৎক্ষণিকভাৱে এটা বৃহৎ অঞ্চল সামৰি পদুমনি জাপিসজীয়া গাঁৱৰ দিশে অগ্ৰসৰ হয়। পদুমনি জাপিসজীয়া গাঁৱৰ পুৰুষ মহিলা আৰু যুৱক-যুৱতীয়ে এঘণ্টাৰো অধিক সময় যুঁজি জুই নিৰ্বাপন কৰিবলৈ সক্ষম হয়। পৰৱৰ্তী সময়ত কাষৰীয়া বেলতল জাপিসজীয়া গাঁৱৰো লোক ঘটনাস্থলীত উপস্থিত হয়। আনহাতে চেলেংহাট আৰক্ষী চকীৰ যোগেদি অগ্নি নিৰ্বাপক বাহিনীক খবৰ দিয়াত টীয়কস্থিত অগ্নি নিৰ্বাপক বাহিনীৰ বাহন ঘটনাস্থলীত উপস্থিত হয় যদিও ইতিমধ্যে জুই নিৰ্বাপন কৰে স্থানীয় ৰাইজে। অগ্নিনিৰ্বাপক বাহিনী উপস্থিত হৈ পৰীক্ষা কৰাৰ অন্তত জুই সম্পূৰ্ণৰূপে নিৰ্বাপিত হোৱা বুলি নিশ্চিত কৰে। অগ্নি নিৰ্বাপক বাহিনীৰ ভাষ্য অনুসৰি জুয়ে প্ৰায় পোন্ধৰ বিঘা মাটি আগুৰি ধৰিছিল। উল্লেখ্য যে এজনী কণমানি ছোৱালী মান্যতাৰ তৎপৰতাৰ বাবেই এটা সম্ভাব্য বিপদৰ পৰা দুই তিনিখন গাঁৱৰ লোক ৰক্ষা পৰে। দুপৰীয়াৰ আহাৰ গ্ৰহণৰ পিছত ঘৰৰ বাৰীৰে সংযোগ হৈ থকা পথাৰলৈ গৈ জুইৰ লেলিহান শিখা প্ৰত্যক্ষ কৰি আঠ বছৰীয়া মান্যতাই দৌৰি গৈ বায়েকক খবৰ দিয়ে। তাৰ পাছতেই চিঞৰ বাখৰৰ সৃষ্টি হয়। লগে লগে সকলোৱে হাতে হাতে সা সঁজুলি লৈ জুই নুমুৱাবলৈ চেষ্টা কৰে। ভাগ্যে সেই সময়ত পথাৰত বতাহৰ মাত্ৰ অতি কম আছিল। মান্যতাৰ সাহসীকতা আৰু উপস্থিত বুদ্ধিক সকলোৱে একেমুখে শলাগ লৈছে।



## দীঘলটৰঙত বাঘজান-দীঘলটৰং সাংস্কৃতিক মঞ্চৰ শিল্পী দিৱস উদ্‌যাপন

**অসম বাৰ্তা, তিনিচুকীয়া বিশেষ, ১৮ জানুৱাৰী ঃ** হাপজান শিক্ষাখণ্ডৰ অন্তৰ্গত দীঘলটৰং বাগিচা প্ৰাথমিক বিদ্যালয়ৰ আতিথ্যত তিনিচুকীয়াৰ বাঘজান-দীঘলটৰং সাংস্কৃতিক মঞ্চৰ উদ্যোগত অইল ইণ্ডিয়া লিমিটেড দুলীয়াজানৰ পৃষ্ঠপোষকতাত কালি বিদ্যালয়ৰ প্ৰাঙ্গণত এদিনীয়াকৈ "শিল্পী দিৱস" হিচাপে উদযাপন কৰে। শিল্পী দিৱসৰ লগত সংগতি ৰাখি কণ কণ ছাত্ৰ-ছাত্ৰীৰ মাজত ৫০ মিটাৰ দৌৰ, মিউজিকেল শ্বেয়াৰ, পাৰ-পানী আদি বিভিন্ন খেল-ধেমালি অনুষ্ঠিত কৰাৰ সমান্তৰালকৈ পাঠ্যপুথিৰ কবিতা পাঠ, জ্যোতি সংগীত, ৰাভা সংগীত, জুবিন গাৰ্গৰ মায়াবিনী গীত পৰিৱেশন কৰে। প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰাৰ পূৰ্বে বিদ্যালয়ৰ প্ৰধান শিক্ষক আনোৱাৰ আলি, বাগিচাৰ কল্যাণ বিষয়া নিকু সিংহ আৰু বাঘজান-দীঘলটৰং সাংস্কৃতিক মঞ্চৰ সাধাৰণ সম্পাদক পাপুল গগৈয়ে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে সহকাৰী শিক্ষকবৃন্দ, ছাত্ৰ-ছাত্ৰী, উপস্থিত সকলোৱে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বাঘজান-দীঘলটৰং সাংস্কৃতিক মঞ্চৰ সভাপতি সননজ্যোতি গোহাঁইৰ সভাপতিত্বত অনষ্ঠিত বঁটা বিতৰণী অনুষ্ঠানত বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, সাংস্কৃতিক মঞ্চৰ সহকাৰী সাধাৰণ সম্পাদক অঞ্জলি নায়কসহ কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানৰ শেষত সকলোৱে এটা ঝুমুৰ গীতত নাচ পৰিৱেশন কৰে আৰু অসমৰ জাতীয় সঙ্গীত পৰিৱেশন কৰি অনুষ্ঠান সামৰণি মাৰে।

## উন্মোচিত হ'ল চাৰি শ্বহীদৰ প্ৰতিমূৰ্তি

# দুলীয়াজান আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত ৪৬ সংখ্যক শ্বহীদ দিৱস

**অসম বাৰ্তা, দুলীয়াজান, ১৮ জানুৱাৰী ঃ** ১৯৮০ চনৰ ১৮ জানুৱাৰী। অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ এক ৰক্তাক্ত আৰু ইতিহাসপ্ৰসিদ্ধ অধ্যায়। দুলীয়াজানৰ বুকুত তেল অৱৰোধ কৰিবলৈ গৈ চৰকাৰী যন্ত্ৰৰ নিৰ্মম অত্যাচাৰত প্ৰাণ আহুতি দিছিল চাৰিজনকৈ সাহসী তৰুণে। সেই অভিশপ্ত দিনটোৰ স্মৃতিত কালি পুনৰ এবাৰ আৱেগিক হৈ পৰিল ঐতিহাসিক দুলীয়াজান। দুলীয়াজান আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত অইল ইণ্ডিয়াৰ মুখ্য প্ৰৱেশদ্বাৰত থকা কেন্দ্ৰীয় শ্বহীদ বেদী প্ৰাংগণত দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হয় ৪৬ সংখ্যক শ্বহীদ দিৱস। কালিৰ দিনটোৰ বিশেষ আকৰ্ষণ আৰু আৱেগিক মুহূৰ্ত আছিল শ্বহীদ বেদী প্ৰাংগণত নৱনিৰ্মিত চাৰি বীৰ শ্বহীদৰ প্ৰতিমূৰ্তি উন্মোচন। জাতিৰ স্বাৰ্থত প্ৰাণ দিয়া শ্বহীদ ক্ৰমে— নগেন ডেকা, অজিত নেওগ, কুমুদ গগৈ আৰু নৃপেন বৰাৰ আৱক্ষ মূৰ্তি আনুষ্ঠানিকভাৱে উন্মোচন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সমীৰণ ফুকনে অনুষ্ঠানত উপস্থিত থাকি আছুৰ সাধাৰণ সম্পাদক সমীৰণ ফুকনে




কয় যে শ্বহীদৰ ত্যাগ কেতিয়াও বৃথা যাবলৈ দিয়া নহ'ব। তেখেতৰ লগতে বহুকেইগৰাকী কেন্দ্ৰীয় আৰু জিলা পৰ্যায়ৰ ছাত্ৰ নেতা, প্ৰাক্তন আছুকৰ্মী, শ্বহীদৰ পৰিয়ালবৰ্গ আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। উল্লেখ্য যে, কেৱল শ্বহীদসকলক সোঁৱৰাই নহয়, দুলীয়াজান আঞ্চলিক ছাত্ৰ সন্থাই এক ব্যতিক্ৰমী আৰু মানৱীয় পৰম্পৰা ৰক্ষা কৰি ১৯৮০ চনৰ সেই বৰ্বৰ আৰক্ষীৰ লাঠিচালনা আৰু গুলীচালনাত চিৰজীৱনলৈ পংগু হৈ পৰা সংগ্ৰামীসকলকো এই দিৱসতে বিশেষভাৱে সম্বৰ্ধনা আৰু শ্ৰদ্ধা জনাই আহিছে। দিনজোৰা কাৰ্যসূচীৰ অংশ হিচাপে অনুষ্ঠিত হোৱা নাম-প্ৰসংগ, দিহানাম আৰু গায়ন-বায়নৰ মাংগলিক ধ্বনিয়ে সমগ্ৰ দুলীয়াজানত এক আবেগিক পৰিৱেশৰ সৃষ্টি কৰে। অতীতৰ সংগ্ৰাম আৰু বৰ্তমানৰ শ্ৰদ্ধাঞ্জলিৰ এই অপূৰ্ব সংমিশ্ৰণে উপস্থিত সহস্ৰাধিক ৰাইজৰ চকু সজল কৰি তোলে।

# ভৱানীপুৰত জ্যোতি দিৱস পালন

**অসম বাৰ্তা সেৱা, ভক্তৰডোবা, ১৭ জানুৱাৰী ঃ** অসমীয়া সংস্কৃতিৰ অমৰ শিল্পী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ স্মৃতি দিৱস উপলক্ষে আজি বৰপেটা জিলা সাহিত্য সভাৰ উদ্যোগত আৰু ভৱানীপুৰ শতদল সাহিত্য সভাৰ সহযোগত ভৱানীপুৰ সাহিত্য সভা ভৱনত দিনজোৰা কাৰ্যসূচীৰে জ্যোতি দিৱস উদযাপন কৰা হয়। পুৱা ৮ঃ৩০ বজাত বৰপেটা জিলা সাহিত্য সভাৰ সভাপতি গিৰিধৰ চৌধুৰীয়ে অসম সাহিত্য সভাৰ পতাকা উত্তোলনৰ জৰিয়তে অনুষ্ঠানৰ শুভাৰম্ভ কৰে। ইয়াৰ পিছতে পুৱা ৯ বজাত ৰূপকোঁৱৰৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্জ্বলন অনুষ্ঠিত হয়। বিশিষ্ট সাহিত্যিক প্ৰমোদ শৰ্মাই বন্তি প্ৰজ্জ্বলন কৰাৰ লগতে ভৱানীপুৰ শতদল সাহিত্য সভাৰ সভাপতি হিতেন্দ্ৰ নাথ ডেকাই মাল্যাৰ্পণ কৰে। পুৱা ৯ঃ১০ বজাত অনুষ্ঠিত সুধাকণ্ঠ ভূপেন হাজৰিকা আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰে অসম সাহিত্য সভাৰ চৰ-চাপৰি ভাষা-সাহিত্য-সংস্কৃতি বিকাশ উপ সমিতিৰ আহ্বায়ক ডাঃ আব্দুল কদ্দুছ শিকদাৰে। ভাষণ প্ৰসংগত ডাঃ শিকদাৰে কয় যে অসমীয়া সংস্কৃতিৰ এই তিনিজন মহান ব্যক্তিত্বই আমাৰ জাতীয় জীৱনত অমূল্য অৱদান আগবঢ়াইছে। ৰূপকোঁৱৰৰ আদৰ্শ তেওঁৰ দেশপ্ৰেম আৰু সমাজসেৱাৰ মনোভাৱে আমাক পথ দেখুৱাই আহিছে। পুৱা ৯ঃ ২০ বজাত বৰপেটা জিলা সাহিত্য সভাৰ সম্পাদক প্ৰদীপ কুমাৰ দাসে আত ধৰা আৰু সভাপতি গিৰিধৰ চৌধুৰীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত নিৰ্দিষ্ট বক্তা ৰামকৃষ্ণ তালুকদাৰে জ্যোতিপ্ৰসাদৰ বহুমুখী প্ৰতিভাৰ বিষয়ে বিস্তৃত আলোচনা আগবঢ়ায়। তেওঁ কয় যে জ্যোতিপ্ৰসাদ কেৱল এজন কবি-সাহিত্যিকেই নাছিল, বৰঞ্চ তেওঁ আছিল এজন সমাজ সংস্কাৰক, নাট্যকাৰ, সংগীতজ্ঞ আৰু চলচ্চিত্ৰ নিৰ্মাতা। বিশিষ্ট অতিথি গোবিন্দ তালুকদাৰে তেওঁৰ বক্তব্যত কয় যে জ্যোতিপ্ৰসাদৰ সৃষ্টিৰাজিয়ে আজিও নতুন প্ৰজন্মক প্ৰেৰণা যোগাই আহিছে। তেওঁৰ "জয়মতী", "লভিতা" আদি কালজয়ী সৃষ্টিয়ে অসমীয়া সাহিত্যত চিৰস্থায়ী স্থান দখল কৰি আছে। সভাপতি গিৰিধৰ চৌধুৰীয়ে সামৰণি ভাষণত কয় যে এনে অনুষ্ঠানে আমাৰ সাংস্কৃতিক ঐতিহ্য সংৰক্ষণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। সন্ধিয়া ৫ বজাত সাহিত্য সভাৰ কাৰ্যালয় চৌহদত পুনৰ বন্তি প্ৰজ্জ্বলন কৰি দিনটোৰ কাৰ্যসূচীৰ সফল সামৰণি পৰে।



# জালুকবাৰী সমষ্টিৰ ৬ মণ্ডলত ৩২৭৪ টেষ্ট পেপাৰ বিতৰণ মুখ্যমন্ত্ৰীৰ

**অসম বাৰ্তা, বাইহাটা চাৰিআলি, ১৮ জানুৱাৰী ঃ** অসমৰ মুখ্যমন্ত্ৰী গৰাকীয়ে জালুকবাৰী বিধানসভা সমষ্টিত বিধায়ক নোহোৱাৰ কালৰে পৰা ছাত্ৰ ছাত্ৰীৰ শৈক্ষিক উত্তৰণৰ ক্ষেত্ৰত লেখত ল'বলগীয়া এটি পদক্ষেপ হৈছে হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া ছাত্ৰ ছাত্ৰীসকলক মাষ্টাৰ টেষ্ট পেপাৰ বিতৰণ। এইক্ষেত্ৰত সকলো ছাত্ৰ ছাত্ৰী প্ৰতিবছৰে উপকৃত হৈ আহিছে। এই টেষ্ট পেপাৰখন পোৱাৰ বাবে অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰী সকলে বহুত আগ্ৰহৰে বাট চাই থাকে। এই টেষ্ট পেপাৰখনে পৰীক্ষাৰ্থী সকলক বহতো সকাহ দি অহা পৰিলক্ষিত হৈছে। এইবেলিও হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া পৰীক্ষাৰ্থী সকলক বিধায়ক তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আন্তৰিক শুভেচ্ছা জনোৱাৰ লগতে একোখনকৈ মাষ্টাৰ টেষ্ট পেপাৰ ২০২৫-২৬ বিতৰণ কৰে। ড° হিমন্ত বিশ্ব শৰ্মাৰ উদ্যোগত জালুকবাৰী সমষ্টিৰ ৬ মণ্ডল ক্ৰমে বিমানকোঠ মণ্ডল ৩৮৭, বিশ্ববিদ্যালয় মণ্ডল৪২২, জালুকবাৰী মণ্ডল ২৬৫, উত্তৰ গুৱাহাটী মণ্ডল ১৭৬, বেজেৰা মণ্ডল ৯৩১ আৰু শুৱালকুছি মণ্ডল ১০৯৩খন মাষ্টাৰ টেষ্ট পেপাৰ মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰী, ব্যক্তিগত সহায়ক ৰণজিৎ ভট্টাচাৰ্য প্ৰাণজিৎ ডেকাৰ তত্ত্বাৱধানত প্ৰতিটো মণ্ডলৰ সভাপতি, বুথ সভাপতি তথা কাৰ্যকৰ্তা সকলৰ দ্বাৰা বিতৰণ কৰে। প্ৰতিবছৰে মুখ্যমন্ত্ৰী তথা বিধায়ক গৰাকীয়ে জালুকবাৰী বিধানসভা সমষ্টিৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কৰি অহা এই পদক্ষেপক প্ৰশংসা কৰে।



## বৃদ্ধ-বনিতাৰ ৰং-ধেমালিৰে জীপাল হ'ল বাঘজান গাঁও ৰাজহুৱা খেলপথাৰ

# বাঘজানত ভোগালীৰ ভোজৰ সফল সামৰণি

**অসম বাৰ্তা, তিনিচুকীয়া বিশেষ, ১৮ জানুৱাৰী ঃ** তিনিচুকীয়া জিলাৰ বাঘজান গাঁৱৰ মাজৰ চুবুৰীবাসীৰ (কুৰুকানী) উদ্যোগত আৰু বিহুপ্ৰেমী ৰাইজৰ সহযোগত বাঘজান গাঁও ৰাজহুৱা খেলপথাৰ পহিলা মাঘত দিনজোৰা কাৰ্যসূচীৰে ভোগালীৰ ভোজ-২০২৬ৰ আয়োজন কৰে। কাৰ্যসূচী অনুসৰি পুৱাৰ ভাগত হিয়াৰ আমঠু জুবিন গাৰ্গ, গণশিল্পী ৰাজীৱ শদিয়া, সুদক্ষ ফুটবল খেলুৱৈ স্বৰ্গীয় নীৰৱ মৰাণলৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পাছতে শিশু তথা ছাত্ৰ-ছাত্ৰী, বুঢ়ী (গোপিনী), বোৱাৰী, গাভৰুসকলৰ মাজত ৫০ মিটাৰ, ১০০ মিটাৰ দৌৰ, খোজ কঢ়া প্ৰতিযোগিতা, ৰছী টনা, মিউজিকেল শ্বেয়াৰ, হাঁহ ধৰা, পাৰ-পানী, কল গছত উঠি হাঁহ নমুৱা আদি খেল-ধেমালি অনুষ্ঠিত হয়। আবেলি ৩ বজাত ভোজ খোৱা পৰ্ব আৰু বঁটা-বিতৰণী অনুষ্ঠান অনুষ্ঠিত কৰি গীত-মাত, কবিতা, কৌতুক, মিমিক্ৰিৰে এক ৰং-ধেমালি অনুষ্ঠান অনুষ্ঠিত কৰা হয় আৰু নিশা প্ৰায় ৮ বজাত স্থানীয় শিল্পীৰ দ্বাৰা এক সংগীতানুষ্ঠান অনুষ্ঠিত কৰি ভোগালীৰ ভোজৰ সামৰণি পৰে। উক্ত অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থাকে বিজেপি ৰাজ্যিক মুখপাত্ৰ তথা নৱগঠিত মাকুম বিধান সভা সমষ্টিৰ '২৬ৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী ত্ৰিদিবজ্যোতি মৰাণসহ বহুকেইগৰাকী বিশিষ্ট ব্যক্তি।

## ■ উখল-মাখল পৰিৱেশেৰে অনুষ্ঠিত হৈছে কাৰ্যসূচী ■

# সৰুপথাৰ শংকৰদেৱ শিশু নিকেতনৰ ৰূপালী জয়ন্তী সমাৰোহ

**অসম বাৰ্তা, ধনশিৰি, ১৮ জানুৱাৰী ঃ** সৰুপথাৰ নগৰৰ শংকৰদেৱ শিশু নিকেতনত দেওবাৰৰ পৰা তিনিদিনীয়াকৈ আৰম্ভ হৈছে ৰূপালী জয়ন্তী সমাৰোহ অনুষ্ঠান। সৰুপথাৰ নগৰৰ মাজমজিয়াত ২০০১ চনত প্ৰতিষ্ঠা হোৱা শিক্ষানুষ্ঠান খনিয়ে গৌৰৱউজ্জ্বলভাৱে ২৫টা বৰ্ষ সম্পুৰ্ণ কৰিলে। সৰুপথাৰ সমজিলাৰ শৈক্ষিক ক্ষেত্ৰখনত এই শংকৰদেৱ শিশু নিকেতন শিক্ষানুষ্ঠানভাগিৰ আৰম্ভণিৰে পৰা এক সুকীয়া দখল আছে। বিদ্যালয়খনে শিক্ষা, সংস্কৃতি আৰু ক্ৰীড়াৰ ক্ষেত্ৰত বিভিন্ন সময়ত অঞ্চলটিলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। অৱশেষত এই শিক্ষানুষ্ঠানখনিয়ে সগৌৰৱেৰে ২৫টা বছৰ অতিক্ৰম কৰাত বিভিন্ন সোণালী স্মৃতিৰে পাৰ হৈ যোৱা প্ৰতিটো বৰ্ষক ৰোমন্থন কৰি সজীৱ কৰি তোলাৰ লক্ষ্যৰে অনুষ্ঠিত কৰিছে ৰূপালী জয়ন্তী সমাৰোহ। উখল-মাখল পৰিৱেশৰ মাজত আৰম্ভ হোৱা সমাৰোহৰ প্ৰথম দিনটোত পুৱা স্মৃতি তৰ্পণ কৰে ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি সূৰ্য গগৈয়ে, পতাকা উত্তোলন কৰে উদযাপন সমিতিৰ সভাপতি ড° সিদ্ধেশ্বৰ বৰাকে ধৰি সৰুপথাৰ সমজিলাৰ ২৪ গৰাকীকৈ বিশিষ্ট ব্যক্তিয়ে, স্মৃতি তৰ্পণ কৰে নিকেতন পৰিচালনা সমিতিৰ সম্পাদক তৰুণ শৰ্মাই আৰু প্ৰাক্তন ছাত্ৰ ৰক্তিম বিকাশ গগৈয়ে আগবঢ়োৱা ৰূপালী জয়ন্তী স্মাৰকৰ উন্মোচন কৰে গণেশ গগৈয়ে। আনহাতে অনুষ্ঠানৰ মজিয়াত সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু হিয়াৰ আমঠু জুবিন গাৰ্গৰ এক সমজুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আৰু গছ পুলি ৰোপণ




কাৰ্যসূচীও অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানতে ৰূপালী জয়ন্তী সমাৰোহৰ লগত সঙ্গতি ৰাখি মন্দাকিনী চুতীয়াৰ সম্পাদনাৰে "ৰূপগন্ধা" শীৰ্ষক এখনি স্মৃতি গ্ৰন্থও উন্মোচন কৰে বৰপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পবিত্ৰ চুতীয়াই। পৰৱৰ্তী সময়ত বিশিষ্ট সাংবাদিক তথা সুবক্তা চক্ৰপাণি পৰাশৰৰ পৰিচালনাৰে এখনি বক্তৃতা অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানভাগ আচাৰ্য-আচাৰ্যা, ছাত্ৰ-ছাত্ৰী আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলৰ মাজত খুউব হাঁহি ফুৰ্তিৰ মাজেৰে চক্ৰপাণি পৰাশৰে চলাই নিয়ে। অনুষ্ঠানৰ শেষৰ ভাগলৈ নিকেতনৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা এক বৰ্ণিল সাংস্কৃতিক সন্ধিয়াৰো আয়োজন কৰে। আনহাতে ৰূপালী জয়ন্তী সমাৰোহৰ ১৯ আৰু ২০জানুৱাৰী তাৰিখে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সমাৰোহ, প্ৰাক্তন আচাৰ্য-আচাৰ্যা আৰু প্ৰাক্তন পৰিচালনা সমিতিৰ বিষয়ববীয়া সকলৰ মাজত বৈঠক, সাংস্কৃতিক শোভাযাত্ৰা, মুকলি সভাকে ধৰি কেইবাটাও উল্লেখনীয় কাৰ্যসূচী সম্পন্ন কৰিব আৰু শেষৰ দিনা নিকেতনৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰাই এখনি "কুৰুসন্ধ্যা" নামেৰে এখনি ভাওনা প্ৰদৰ্শন কৰি ৰূপালী জয়ন্তী সমাৰোহৰ সামৰণি মাৰিব বুলি উদ্যোক্তা সকলে জানিবলৈ দিয়ে।

# মৌচন্দা পথাৰত ৰণশিঙা বজালে

আৰু আগন্তুক প্ৰজন্মৰ বাবে অতি জৰুৰী। কাজিৰঙা এশিঙীয়া গঁড়ৰ কাৰণে বিখ্যাত যদিও বান পানীৰ সময়ত গঁড়ে ওখ ঠাই বিচাৰি ৰাষ্ট্ৰীয় উদ্যানৰ পাৰ হ'ব ধৰোঁতে কেতিয়া বিপদত পৰি যায় দুৰ্ঘটনাত পতিত হয়। সেয়ে কলিয়াবৰৰ পৰা ৩৫ কিলোমিটাৰ দৰ্ঘ্যৰ হাইৱে বনোৱাৰ হব যাতে কাজিৰঙা বন্য প্ৰাণীৰ কোনো ক্ষতি নহয়। অসমৰ বাবে নতুন সূচনা হ'ব এই এনিমেল কৰ্ডিনেটৰৰ বাবে। কাজিৰঙাত বৰ্তমান বিদেশী পৰ্যটকৰ বাঢ়ি আহিছে। অসম চৰকাৰে বৰ্তমান কাজিৰঙাক সুৰক্ষিত কৰি ৰাখিছে ২০১৩-২৪ চনত তেতিয়াৰ কংগ্ৰেছৰ চৰকাৰৰ দিনত গঁড় হত্যা হৈছিল আৰু বিজেপিয়ে গঁড় হত্যা বন্ধ কৰিবলৈ সক্ষম হৈছে। বন বিভাগক আধুনিকৰণ কৰাৰ পিছতেই গঁড় হত্যা সম্পূৰ্ণ ৰূপে বন্ধ হৈ পৰিছে এয়া অসম চৰকাৰ বাবেই এয়া হব পৰিছে। তেওঁ কয়- অসম বীৰ যোদ্ধাৰ দেশ। কালি সুন্দৰকৈ বাগুৰুম্বা প্ৰত্যক্ষ কৰি আনন্দিত হোৱাৰ কথা উল্লেখ কৰি কয় অতি কষ্ট কৰি ইমান সুন্দৰকৈ নৃত্য পৰিদৰ্শন কৰিছে যিয়ে ৰেকৰ্ড গঢ়িবলৈ সক্ষম হোৱা বুলি তেওঁ মন্তব্য কৰে। যোৱা বৰ্ষত ঝুমুইৰ নৃত্যত অংশগ্ৰহণ কৰিছিলোঁ, এইবাৰ বাগুৰুম্বাত অংশগ্ৰহণ কৰিলোঁ। যোৱা বৰ্ষত নামৰূপ সাৰ খাৰখানা মুকলি কৰিলোঁ, লোকপ্ৰিয় গোপীনাথ বৰদলৈ নতুন ভৱন মুকলি কৰিলোঁ বুলি তেওঁ কয়। লগতে তেওঁ কয়- অসমৰ ইতিহাসত কলিয়াবৰ ঐতিহাসিক স্থান হিচাপে পৰিগণিত হৈছে। ইয়াৰ পৰাই লাচিত বৰফুকনে মোগল সম্ৰাটক খেদিবলৈ আৰম্ভ কৰাৰ পৰিকল্পনা কৰিছিল। এই কলিয়াৰৰ পৰাই কাজিৰঙাৰ সোমোৱাৰ দুৱাৰ আৰম্ভ হৈছে, সেয়ে কলিয়াবৰৰ মহত্ব বিজেপি চৰকাৰ উন্নয়নৰ কেন্দ্ৰ হিচাপে পৰিগণিত হৈছে বুলি প্ৰধানমন্ত্ৰী গৰাকীয়ে দোহাৰে। প্ৰধানমন্ত্ৰী গৰাকীয়ে পুনৰ কয় বৰ্তমান বিজেপিৰ প্ৰতি মানুহৰ আকৰ্ষণ বাঢ়িছে বুলি উল্লেখ কৰি তেওঁ কয় বিহাৰত বিজেপি ৰাইজৰ বিশ্বাসত আহিছে। মুম্বাইত বিজেপি জয়ী হৈছে। কাজিৰঙাত বিজয় উৎসৱ উদযাপন হৈ আছে। গোটেই ভাৰতবৰ্ষত বিজেপিৰ উন্নয়নৰ প্ৰতি লক্ষ্য ৰাখি মানুহ বিজেপিমুখী হৈ আহিছে তেওঁ কয়। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে কয়- ২৬০ কোটিতকৈ অধিক গছ পুলি ৰোপণ কৰি কৰি প্ৰকৃতি আৰু প্ৰাকৃতিক পৰিৱেশ গঢ়ি তুলিছে। বিজেপিয়ে দেখুৱাই আছে উন্নয়নৰ লগতে প্ৰকৃতি সুৰক্ষা কৰা। ডবল ইঞ্জিনৰ চৰকাৰে উত্তৰ পূৰ্বাঞ্চলৰ দ্ৰুত উন্নয়ন কৰি আহিছে কিন্তু কংগ্ৰেছ চৰকাৰে এয়া কেতিয়াও কৰা নাই। কংগ্ৰেছ চৰকাৰে অসমত ২হাজাৰ কোটি দিছিল, বিজেপিয়ে ১০হাজাৰ কোটি টকা দিয়ে। প্ৰধানমন্ত্ৰী মোডীয়ে লগতে আৰু কয়, নৰ্থ ইষ্ট এতিয়া দূৰত নহয়, দিল্লীৰ ওচৰত। অসমৰ পৰিচয় ধৰি ৰাখিবলৈ অসমত বিজেপিয়ে যি দৰে কাম কৰি আছে অবৈধ বেদখল মুক্ত কৰি আহিছে অসমৰ ঐতিহ্য ধৰি ৰাখিছে বুলি প্ৰধানমন্ত্ৰী গৰাকীয়ে ভাষণত উল্লেখ কৰে। ইয়াৰ আগেয়ে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ভাষণ দিয়ে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী গৰাকীয়ে আমি এখন আধুনিক অসম নিৰ্মাণৰ দিশত আজি উপনীত হৈছোঁ বুলি উল্লেখ কৰে। তেওঁ লগতে কয় যে আমি অসম বাসীয়ে কেতিয়াও কল্পনা কৰা নাছিলো যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ জীৱ-জন্তুৰ সুৰক্ষাৰ বাবে কোনোবা এজন প্ৰধানমন্ত্ৰীয়ে ৩৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ ফ্লাইঅভাৰ অনুমোদন দিব আৰু ৭০০০কোটি টকা দিব। আজিৰ দৰে প্ৰকল্প আমাৰ দৰে অসমীয়াই কেতিয়াও কল্পনা কৰা নাছিলো যে এই প্ৰকল্প প্ৰধানমন্ত্ৰীৰ ডাঙৰীয়াই অসম বাসীক উপহাৰ দিবলৈ কলিয়াবৰত উপস্থিত হ'বহি। তেওঁ কয় যে যোৱা কালি প্ৰধানমন্ত্ৰীৰ ডাঙৰীয়াৰ উপস্থিতিতে সৰুসজাইত দহ হাজাৰতকৈও অধিক যুৱক যুৱতীয়ে বাগৰুম্বা প্ৰদৰ্শন কৰি অসমৰ কলা কৃষ্টি সংস্কৃতিক বিশ্ব দৰবাৰলৈ লৈ গ'ল। আজি আমি আত্মবিশ্বাসী অসমীয়াই প্ৰধানমন্ত্ৰীৰ নৰেন্দ্ৰ মোডীৰ নেতৃত্বত চেমি কণ্ডাক্তৰ পাবলৈ সক্ষম হৈছোঁ। এতিয়া অসমে বাঁহৰ পৰা তেল উৎপাদন কৰিবলৈ শিকিছে বুলি উল্লেখ কৰি তেওঁ লগতে কয় অসমীয়াই আটাইতকৈ ভাৰতৰ সাৰ কাৰখানা অসমত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। প্ৰধানমন্ত্ৰীৰ ডাঙৰীয়াৰ আশীৰ্বাদত অসমীয়াই নিজৰ জাতীয় স্বাভিমান ৰক্ষা কৰিবলৈ শিকিছে। চৰাইদেউৰ বিশ্ব ঐতিহ্য স্বীকৃতি অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ স্বীকৃতি, লাচিত বৰফুকনৰ সু বিশাল প্ৰতিমূৰ্তি স্থাপনেৰে আমি এটা অতল অবিচল জাতিত পৰিগণিত হৈছোঁ। এতিয়া কোনেও অসমীয়াক ৰঙা চকু দেখুৱাবলৈ সাহস নকৰিব। অসমীয়াক যদি কোনোবাই ৰঙা চকু দেখুৱাবলৈ সাহস কৰে তেনে ব্যক্তিক উচ্ছেদ কৰাই নহয় তেনে লোকৰ বিৰুদ্ধে মৰণপন যুঁজ দিবলৈ সাজু থাকিম। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই লগতে কয় এতিয়া অসমত পৰিবৰ্তন হৈছে। এতিয়া কাজিৰঙাত কোনেও গঁড় হত্যা কৰিবলৈ সাহস নকৰে। আমাৰ মোডী ডাঙৰীয়াৰ নেতৃত্বত আত্ম বিশ্বাস বাঢ়িছে। এতিয়া ৭০০০ কোটি টকাৰ বিশাল এলিভেটেড কৰিডৰ নিৰ্মাণে যোৰহাট গুৱাহাটীৰ দূৰত্ব এক ঘণ্টাকৈ হ্ৰাস কৰিব। সাংসদ গৌৰৱ গগৈক উদ্দেশ্যি তেওঁ আৰু কয় অসমীয়াই কোনো পাকিস্তানৰ এজেণ্টৰ ওচৰত আত্মসমৰ্পণ নকৰে। আমি অসমীয়াই কোনো অচিনাকি মানুহৰ ওচৰত আত্মসমৰ্পণ নকৰো। অসমীয়াই কোনো অচিনাকি মানুহৰ মাটি উচ্ছেদ কৰি বটদ্ৰবাত বৃহৎ প্ৰকল্প নিৰ্মাণ কৰাৰ দৰে কাজিৰঙাতো অবৈধ লোকৰ মাটি উচ্ছেদ কৰি এলিভেটেড ক'ৰিডৰ নিৰ্মাণ কৰিছো এয়া হৈছে নতুন অসমৰ স্বপ্ন এয়া হৈছে অসমৰ দিগন্ত বুলিও তেওঁ দোহাৰে। ড০ শৰ্মাই লগতে আৰু কয় আজি অসমে মোডী ডাঙৰীয়াৰ নেতৃত্বত আত্মবিশ্বাসী অসমীয়াই অতল আৰু অবিচল অসমক নতুনকৈ নিৰ্মাণ কৰি ভাৰতবৰ্ষৰ ভিতৰতে সৰ্বশ্ৰেষ্ঠ ৰাজ্য হিচাপে অসমক প্ৰতিষ্ঠা কৰিবলৈ আগবাঢ়িছে। কালি গুৱাহাটীত প্ৰথমবাৰৰ বাবে মোডী ডাঙৰীয়াই শ্লিপাৰ ট্ৰেইন এখন উৎঘাটন কৰাৰ পাছত আজি এই মঞ্চৰ পৰাই আৰু দুখন ট্ৰেইন উৎঘাটন কৰা দেখিবলৈ পাইছো। উল্লেখ্য যে প্ৰায় দুই লাখ লোকৰ সমাগম ঘটা আজিৰ বিশাল সভাখনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক আৰম্ভণিতে মুখ্যমন্ত্ৰী ডঃ শৰ্মাই ফুলাম গামোচা আৰু অন্যান্য স্মাৰকেৰে সম্বৰ্দ্ধনা জনায়।

# ডাভ'ছলৈ ৰাওনাৰ পূৰ্বে মুখ্যমন্ত্ৰীৰ

অসমক প্ৰতিনিধিত্ব কৰিবলৈ ছুইজাৰলেণ্ডৰ ডাভ'ছলৈ যাত্ৰাৰ পূৰ্বে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ জৰিয়তে এটা ফেচবুক লাইভ সম্বোধনত ৰাজ্যবাসীৰ উদ্দেশ্যে কেইবাটাও গুৰুত্বপূৰ্ণ ঘোষণা কৰে। এই ঘোষণাসমূহে যুৱ প্ৰাৰ্থী, নৱনিযুক্ত কৰ্মচাৰী আৰু দিব্যাংগ ব্যক্তিৰ স্বাৰ্থ সংৰক্ষণৰ দিশত চৰকাৰৰ সংবেদনশীলতাক প্ৰতিফলিত কৰিছে। প্ৰথম ঘোষণাত মুখ্যমন্ত্ৰীয়ে অসম আৰক্ষীৰ কনিষ্ঠ কনিষ্টবল নিযুক্তি পৰীক্ষাৰ উচ্চতম বয়সসীমা ২৫ বছৰৰ পৰা বৃদ্ধি কৰি ২৬ বছৰ কৰাৰ সিদ্ধান্ত ঘোষণা কৰে। নিম্নতম বয়সসীমা ১৮ বছৰতে অটুট ৰখা হৈছে। বহু যুৱ প্ৰাৰ্থীয়ে এই দাবী জনোৱাৰ পিছত চৰকাৰে এই সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি তেওঁ উল্লেখ কৰে। লগতে আবেদন দাখিলৰ সময়সীমাও ১৫ দিন বৃদ্ধি কৰা হৈছে। দ্বিতীয় গুৰুত্বপূৰ্ণ ঘোষণা হিচাপে মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে যে, ফেব্ৰুৱাৰী মাহৰ পৰা 'স্বাগত সতীৰ্থ' নামৰ এটা অনলাইন প'ৰ্টেল মুকলি কৰা হ'ব। এই প'ৰ্টেলৰ জৰিয়তে ADRE (Assam Direct Recruitment Examination)ৰ অধীনত নিযুক্তি পোৱা গ্ৰেড-৩ আৰু গ্ৰেড-৪ কৰ্মচাৰীসহ ৰাজ্য চৰকাৰৰ অন্যান্য কৰ্মচাৰীসকলে পাৰস্পৰিক বদলী (mutual transfer)ৰ বাবে আবেদন কৰিব পাৰিব। সদ্য নিযুক্ত বহু কৰ্মচাৰীয়ে পৰিয়ালৰ সুবিধাৰ বাবে এনে বদলীৰ দাবী জনোৱাত চৰকাৰে এই ব্যৱস্থাৰ প্ৰৱৰ্তন কৰিছে। তৃতীয় সিদ্ধান্তত মুখ্যমন্ত্ৰীয়ে সদ্য অনুষ্ঠিত ADRE পৰীক্ষাত দিব্যাংগ কোটাৰ অধীনত আবেদন কৰা প্ৰাৰ্থীসকলৰ বাবে দ্বিতীয়বাৰ চিকিৎসা পৰীক্ষাৰ সুযোগ প্ৰদান কৰাৰ কথা ঘোষণা কৰে। বহু দিব্যাংগ প্ৰাৰ্থীয়ে এই দাবী উত্থাপন কৰিছিল। কিন্তু তেওঁ স্পষ্ট কৰি দিয়ে যে, যিসকল প্ৰাৰ্থী বাস্তৱতে দিব্যাংগ নহয়, তেওঁলোকে এই কোটাৰ অপব্যৱহাৰ নকৰিবলৈ। তেওঁ এনে কাৰ্যকলাপৰ পৰা বিৰত থাকিবলৈ আহ্বান জনায়। ইয়াৰ উপৰিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে যে, শিক্ষা মন্ত্ৰী ৰণোজ পেগুক ভেঞ্চাৰ স্কুলসমূহত শিক্ষক নিযুক্তিৰ বাবে অতি সোনকালে অনলাইন প'ৰ্টেল মুকলি কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। লাইভ সম্বোধনৰ আৰম্ভণিতে মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে, তেওঁ ডাভ'ছলৈ যাত্ৰাৰ বাবে সাজু হৈছে, য'ত বৰ্তমান তাপমাত্ৰা মাইনাছ ৮ ডিগ্ৰী চেলচিয়াছ। বিশ্বৰ আগশাৰী নেতা, উদ্যোগপতি আৰু অৰ্থনীতিবিদসকলৰ সন্মুখত অসমৰ সম্পদ, সংস্কৃতি, পৰ্যটন আৰু বিনিয়োগৰ সম্ভাৱনা তুলি ধৰাৰ এই সুযোগক তেওঁ ৰাজ্যৰ বাবে ঐতিহাসিক স্বীকৃতি বুলি অভিহিত কৰে। ৰাজ্যবাসীৰ আশীৰ্বাদ আৰু শুভকামনা কামনা কৰে তেওঁ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ শেহতীয়া অসম ভ্ৰমণৰ প্ৰসংগ উত্থাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে, প্ৰধানমন্ত্ৰীয়ে অসমক বিশ্ব মঞ্চত এগৰাকী দূতৰ দৰে প্ৰতিনিধিত্ব কৰিছে। বাগুৰুম্বা নৃত্যৰ ওপৰত প্ৰধানমন্ত্ৰীৰ সামাজিক মাধ্যমত প্ৰকাশিত পোষ্টসমূহে অসমীয়া সংস্কৃতিক বিশ্বজুৰি পৰিচিত কৰাইছেবুলিও তেওঁ গৌৰৱ প্ৰকাশ কৰে। এই ঘোষণাসমূহৰ জৰিয়তে চৰকাৰে যুৱক-যুৱতী আৰু কৰ্মচাৰীসকলৰ দীৰ্ঘদিনীয়া দাবীসমূহৰ প্ৰতি সঁহাৰি জনোৱাৰ লগতে অসমক বিশ্ব মঞ্চত এখন শক্তিশালী অৰ্থনৈতিক শক্তি হিচাপে প্ৰতিষ্ঠা কৰাৰ দিশত দৃঢ় পদক্ষেপ গ্ৰহণ কৰিছে।

# হিমন্ত বিশ্ব শৰ্মাক 'মিছলীয়া মুখ্যমন্ত্ৰী'

বিশাল প্ৰাক-নিৰ্বাচনী প্ৰচাৰ আৰু সাংগঠনিক সভা অনুষ্ঠিত কৰে। বাইক আৰু চাইকেল ৰেলীৰে আৰম্ভ হোৱা এই কাৰ্যসূচীত দুয়োগৰাকী নেতাই মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন বিজেপি চৰকাৰক তীব্ৰ ভাষাৰে সমালোচনা কৰাৰ লগতে বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ত দৃঢ় অৱস্থান স্পষ্ট কৰে। সভাত ভাষণ প্ৰদান কৰি প্ৰদেশ কংগ্ৰেছ সভাপতি গৌৰৱ গগৈয়ে বদৰুদ্দিন আজমল নেতৃত্বাধীন এআইইউডিএফ দলৰ সৈতে ভৱিষ্যতে কোনো ধৰণৰ নিৰ্বাচনী মিত্ৰতা নকৰাৰ কথা পুনৰবাৰ দৃঢ়ভাৱে ঘোষণা কৰে। তেওঁ কয় যে, লোকসভা নিৰ্বাচনত ভৰিৰ তলৰ মাটি সৰি যোৱাৰ পিছত এআইইউডিএফে কংগ্ৰেছৰ জৰিয়তে পুনৰ উত্থানৰ অংক কৰিছে, কিন্তু এই অংক সফল হ'বলৈ দিয়া নহ'ব। গৌৰৱ গগৈয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক অসমৰ ইতিহাসৰ "আটাইতকৈ মিছলীয়া মুখ্যমন্ত্ৰী" বুলি আখ্যা দি তীব্ৰ সমালোচনা কৰে। তেওঁ অভিযোগ কৰে যে বিগত ২০ বছৰত জনসাধাৰণৰ সেৱাৰ পৰিৱৰ্তে মুখ্যমন্ত্ৰীগৰাকীয়ে কেৱল নিজৰ পৰিয়ালৰ নামত বিপুল সম্পত্তি গঢ়ি তুলিছে। গগৈয়ে লগতে কয় যে, কংগ্ৰেছ চৰকাৰ ক্ষমতালৈ অহাৰ পিছত বিজেপি চৰকাৰৰ দিনত গঢ়ি তোলা সকলো অবৈধ সম্পত্তি কাঢ়ি লৈ দুখীয়া লোকৰ মাজত বিতৰণ কৰা হ'ব। তেওঁ ছয় জনগোষ্ঠীৰ জনজাতিকৰণ, অংগনবাড়ী কৰ্মীৰ সমস্যা আৰু ব্যক্তিগত আক্ৰমণৰ প্ৰসংগ উত্থাপন কৰি বিজেপি চৰকাৰে সমাজত বিভাজনৰ সৃষ্টি কৰা বুলি অভিযোগ তোলে। তৰুণ গগৈৰ শাসনকালতহে সকলো জাতি-জনগোষ্ঠী নিৰাপদ আৰু সুৰক্ষিত আছিল বুলি তেওঁ সোঁৱৰাই দিয়ে। একেখন সভাতে উপস্থিত থকা প্ৰাক্তন প্ৰদেশ সভাপতি ভূপেন কুমাৰ বৰাই বিজেপিৰ 'জাতি-মাটি-ভেটি' শ্লোগানক লৈ প্ৰশ্ন উত্থাপন কৰি কয় যে, বৰ্তমানৰ চৰকাৰৰ দিনত খিলঞ্জীয়াই মাটি পোৱাৰ পৰিৱৰ্তে আদানি-আম্বানিৰ দৰে ডাঙৰ পুঁজিপতিয়েহে মাটি লাভ কৰিছে। ২০১৬ চনত বিজেপিয়ে "শৰাইঘাটৰ শেষ ৰণ" বুলি শ্লোগান দিছিল যদিও পাছলৈ 'কা' জাপি দি পাঁচজন থলুৱা যুৱকক গুলীয়াই হত্যা কৰা হৈছিল বুলি তেওঁ কঠোৰ সমালোচনা কৰে। বিটিআৰ চুক্তি ৰূপায়ণ নকৰাৰ বাবে হাগ্ৰামা মহিলাৰীয়ে প্ৰধানমন্ত্ৰীৰ সন্মুখত কৰা সমালোচনাক উদাহৰণ দি বৰাই কয় যে, বিটিচিৰ পৰাও বিজেপিৰ পতন নিশ্চিত হৈ পৰিছে। জুবিন গাৰ্গৰ হত্যাকাৰীক দৃষ্টান্তমূলক শাস্তি নিদিলে বিহুৰ সময়ত ৰাইজে বিজেপিক "পুলিয়ে-পোখাই উঘালি ব্ৰহ্মপুত্ৰত উটুৱাই" দিব বুলি ভূপেন বৰাই তীব্ৰ হুংকাৰ দিয়ে। নিৰ্বাচনী প্ৰচাৰৰ অংশস্বৰূপে গৌৰৱ গগৈয়ে শিঙিমাৰী বজাৰত স্থানীয় কৃষকৰ সৈতে মতবিনিময় কৰি তেওঁলোকৰ পৰা শাক-পাচলি ক্ৰয় কৰে। শুৱালকুছিৰ এৰী-মুগা শিল্পৰ দুৰৱস্থাৰ বাবে চৰকাৰক দায়ী কৰি তেওঁ কয় যে, ব্যক্তিগত লাভালাভৰ বাবে থলুৱা শিল্পসমূহক ধ্বংসৰ মুখলৈ ঠেলি দিয়া হৈছে। আজিৰ এই বিশাল কাৰ্যসূচীত বিধায়িকা নন্দিতা দাস, সত্যব্ৰত কলিতা আদি কংগ্ৰেছৰ বহু শীৰ্ষ নেতা উপস্থিত থাকে। কাইলৈ গোৱালপাৰা জিলাৰ বিভিন্ন স্থানত কংগ্ৰেছৰ এই প্ৰচাৰ অভিযান অব্যাহত থাকিব বুলি জানিব পৰা গৈছে।

▫ মাতৃভাষাৰ ভঁৰালৰ থুপিতৰা হেন শব্দবোৰ হেৰাই যাব খুজিছে - ড° দেৱজিৎ শইকীয়া ▫

# মাজুলী মহাবিদ্যালয়ত সুৰেন্দ্ৰ নাথ মুদৈৰ গ্ৰন্থ ‘প্ৰবন্ধ-পেটাৰি’ উন্মোচন



**অসম বাৰ্তা, উজনী মাজুলী, ১৮ জানুৱাৰী ঃ** “আমাৰ মাতৃভাষাৰ ভঁৰালৰ থুপিতৰা হেন মিঠা শব্দবোৰ এতিয়া হেৰাই যাবৰ উপক্ৰম হৈছে। তেনেবোৰ শব্দকে এটি এটিকৈ গোটাই-বুটলি সোণাৰিয়ে থুৰিয়াত বাখৰ খটুৱাই সুগঢ়ি কৰি তোলাৰ আৰ্হিৰে আতৌ-পিতৌকৈ যদি কোনোবাই নিজৰ লেখাত সংস্থাপন কৰেহি, তেন্তে তাতকৈ আদৰণীয় কৰ্ম আন থাকিবই নোৱাৰে।”-আজি মাজুলী মহাবিদ্যালয়ত অনুষ্ঠিত বিশিষ্ট লেখক সুৰেন্দ্ৰ নাথ মুদৈৰ সপ্তমখন গ্ৰন্থ ‘প্ৰবন্ধ-পেটাৰি’ উন্মোচনী অনুষ্ঠানত সভাপতিৰ ভাষণত মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াই এইদৰে কয়। ভাষণ প্ৰসংগত ড° শইকীয়াই সুৰেন্দ্ৰ নাথ মুদৈয়ে এনে হেৰাই যোৱা শব্দৰাজিৰ উদ্ধাৰৰ অভিযানত তেওঁৰ অনুসন্ধিৎসু মনটোক সদায়েই নিয়োগ কৰি আহিছে বুলি উল্লেখ কৰি কয় যে তেওঁৰ লেখন-শৈলীৰ জোৰেই সুকীয়া। মাজুলী মহাবিদ্যালয় প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সভাপতি তথা জেংৰাই মুখ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক মুদৈৰ গ্ৰন্থখনি উন্মোচনৰ উদ্দেশ্যে মহাবিদ্যালয়ৰ পদ্মকান্তদেৱ গোস্বামী সভাকক্ষত আয়োজিত সভাৰ আঁত ধৰে কমলাবাৰী গাৰ্লছ একাডেমিৰ বিজ্ঞান শিক্ষয়িত্ৰী, বিশিষ্টা কবি পম্পী হাজৰিকাই। মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক কমল চন্দ্ৰ শইকীয়াই উদ্বোধন কৰা সভাখনিৰ আৰম্ভণিতে লেখকৰ সহধৰ্মিণী তথা অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী বন্তি বৰা মুদৈ বিশিষ্ট অতিথিসকলক অংগবস্ত্ৰৰে আদৰণি জনায়। গ্ৰন্থখনি উন্মোচন কৰি ডিব্ৰুগড়ৰ অৱসৰপ্ৰাপ্ত কৃষি বিষয়া শশীধৰ মুদৈয়ে লেখকৰ সাহিত্য-প্ৰতিভাৰ বিষয়ে উল্লেখ কৰি কয় যে সুৰেন্দ্ৰ নাথ মুদৈয়ে ছাত্ৰাৱস্থাৰ পৰাই সাহিত্য সাধনাত ব্ৰতী হৈ সমাজৰ হকে কাম কৰি আহিছে। সভাত বিশিষ্ট অতিথি তথা সমজুৱাৰ ফালৰ পৰা নৰেন চন্দ্ৰ ঠাকুৰীয়া, ঘনকান্ত নাথ, যুগল হাজৰিকা, ড° ৰাজেন চন্দ্ৰ বৰা, ৰঞ্জিৎ কুমাৰ ভূঞা, মুনীন্দ্ৰ ভূঞা, ৰেখা বৰা আদিয়ে সুৰেন্দ্ৰ নাথ মুদৈৰ সৃষ্টিত স্বকীয়তা আৰু লোকমনৰ প্ৰকাশ সম্পৰ্কে উল্লেখ কৰে। অনুষ্ঠানটিত মাজুলী মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, নৱনাথ হাজৰিকা, প্ৰদীপ চন্দ্ৰ দাস, জগন্নাথ দুৱৰীয়া, অৰুণ কুমাৰ পাঠক, কৃষ্ণকমল শইকীয়া, ভৰত শইকীয়া, গুণেশ্বৰ গায়ন, ডলী বৰুৱা, দীপালি বৰা, বসন্ত দত্ত, অমৰজ্যোতি বৰা, উপেন শইকীয়া, ক্ষীৰেশ্বৰ বৰুৱা, ডিম্বেশ্বৰ ভূঞা, থানেশ্বৰ শইকীয়া, ৰেখা বৰা, ডাঃ থানেশ্বৰ মুদৈ, অৰুণিমা মুদৈ, বিপুল শইকীয়া, নৃপেন কলিতা, ড° ধ্ৰুৱজ্যোতি বৰা, ভাস্বতী শইকীয়া, ৰীতা দোলাকাষৰীয়া, অমৃত বৰা, ৰোহিত শইকীয়া, প্ৰণৱ বৰা, মৌচুমী কলিতা শইকীয়া, সীমান্ত বৰা, অভিজিৎ মহন্ত, দীপক বৰা, মণ্টু বৰুৱা, ৰাহুল দাস, সিদ্ধাৰ্থ শৰ্মা, বিদিশা শইকীয়া, ভাগ্যশ্ৰী বৰুৱা, দিব্যজ্যোতি বৰা প্ৰমুখ্যে শতাধিক লোক উপস্থিত থাকে।

## ৰহাৰ জ্যেষ্ঠ সাংবাদিক বুলন চন্দ্ৰ নাথক অসম সাহিত্য সভাৰ ‘নিষ্ঠাবান সাংবাদিকতা বঁটা’ প্ৰদান

**অসম বাৰ্তা, ৰহা, ১৮ জানুৱাৰী ঃ** পৰিশ্ৰমী আৰু নিষ্ঠাৱান সাংবাদিকক অনুপ্ৰেৰণা দিবলৈ আৰু ভৱিষ্যতৰ সফল সাংবাদিক গঢ়াৰ মানসেৰে অসম সাহিত্য সভাই প্ৰৱৰ্তন কৰা ‘নিষ্ঠাৱান সাংবাদিকতা বঁটা’ ২০২৩-২০২৫ ‘বৰ্ষৰ বাবে সাংবাদিক বুলন চন্দ্ৰ নাথক প্ৰদান কৰা হয়। আজি শিল্পী দিৱসৰ দিনা বাৰপূজীয়া শতদল শাখা সাহিত্য সভাৰ কাৰ্যালয়ত আয়োজন কৰা শিল্পী দিৱসৰ এক অনুষ্ঠানত বুলন চন্দ্ৰ নাথক অসম সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক ড° উপেন্দ্ৰজিৎ শৰ্মাই এই বঁটা প্ৰদান কৰে। বঁটাত আছে গামোচা, প্ৰশস্তি-পত্ৰ, এটি স্মাৰক। বঁটা প্ৰদান গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত অসম সাহিত্য সভাৰ বাৰপূজীয়া শতদল শাখা বিষয়ববীয়া সকল উপস্থিত থাকে। বঁটা প্ৰদানৰ আগমুহূৰ্তত হিয়াৰ আমঠু জুবিন গাৰ্গ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰা হয়। বঁটা গ্ৰহণ কৰি সাংবাদিক বুলন চন্দ্ৰ নাথেও তেওঁৰ অনুভৱ ব্যক্ত কৰে। সাংবাদিকতা সেৱাৰ সন্দৰ্ভত বক্তব্য ৰাখি এই বঁটা প্ৰদান কৰাৰ বাবে তেওঁ ধন্যবাদ জ্ঞাপন কৰে। উল্লেখযোগ্য যে নগাঁও জিলাৰ ৰহাৰ কলঙৰ পাৰত থকা দীঘলদৰি গাঁৱত ১৯৬৮ চনত জন্মগ্ৰহণ কৰা বুলন চন্দ্ৰ নাথে ছাত্ৰ অৱস্থাৰ পৰা সদৌ অসম ছাত্ৰ সন্থাৰ লগত জড়িত হৈ ৰহা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি, নগাঁও জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ২০০১ চনৰ পৰা সাংবাদিকতাৰ ক্ষেত্ৰখনত জড়িত হৈ পৰা নাথে ৰাজ্যৰ কেইবাখনো দৈনিক কাকতৰ জৰিয়তে সংবাদসেৱা আগবঢ়োৱাৰ লগতে ২০১৫ চনত ‘দৈনিক জনমভূমি’ কাকতৰ সৈতে জড়িত হৈ স্থানীয় বা-বাতৰি কাকতখনলৈ নিষ্ঠাপূৰ্ণ সেৱা আগবঢ়াই আহিছে। উল্লেখযোগ্য যে অসম সাহিত্য সভাই পাঠশালা অধিবেশনত এই বঁটা অসমৰ বহু কেইগৰাকী সাংবাদিকক প্ৰদান কৰিছিল যদিও কাৰিকৰী অসুবিধাৰ বাবে বুলন চন্দ্ৰ নাথৰ নাম তালিকাভুক্ত হোৱাৰ পাছতো নিমন্ত্ৰণ নোপোৱাৰ বাবে প্ৰদান কৰা হোৱা নাছিল।

গুৰুজনাৰ অমৰ সৃষ্টিৰাজিক জীয়াই ৰাখিবলৈ ৰাইজক সতৰ্ক হ’বলৈ আহ্বান

# পাৰ্থপ্ৰতীম তালুকদাৰৰ হৰিৰ গুণানুকীৰ্তনত মন্ত্ৰমুগ্ধ মুকালমুৱাৰ বৰুৱাপুটাবাসী

▪ মুকালমুৱাৰ বৰুৱাপুটাত ৭০ বছৰে উদ্‌যাপন মাঘী সভা ▪

**অসম বাৰ্তা দৌলাশাল, ১৮ জানুৱাৰী ঃ** নলবাৰী জিলাৰ মুকালমুৱাৰ বৰুৱাপুটা গাঁৱত বিগত ৭০ বছৰে পালন কৰি অহা মাঘী সভা এইবেলিও দিনজোৱা বৰ্ণাঢ্য কাৰ্যসূচীৰে কালি উদ্‌যাপন কৰা হয়। বৰুৱাপুটা গাঁৱৰ মহাপ্ৰভু জগন্নাথ মন্দিৰত প্ৰতিবছৰে ৩ মাঘত গাঁওবাসীয়ে উদ্‌যাপন কৰি আহিছে মাঘী সভা। এইবেলিও গাঁওবাসীয়ে হোমযজ্ঞ, নাম-প্ৰসংগকে ধৰি বিস্তৃত কাৰ্যসূচীৰে মাঘী সভা উদ্‌যাপন কৰে। শীতৰ প্ৰকোপকে নেওচি সন্ধিয়া নাগাৰা নাম উপভোগ কৰিবলৈ ওলাই আহে অঞ্চলটোৰ সহস্ৰাধিক ধৰ্মপ্ৰাণ ৰাইজ। মহাপ্ৰভু জগন্নাথ মন্দিৰ প্ৰাংগণত সন্ধিয়া নাগাৰা নাম পৰিৱেশন কৰি ৰাইজক ভক্তিৰসৰে বুৰাই পেলায় নাগাৰা নামৰ জনপ্ৰিয় পাঠক পাৰ্থপ্ৰতীম তালুকদাৰ আৰু ভবাণী বৰ্মনে। পাঠকদ্বয়ে ইটোৰ পিছত সিটো হৰিনামেৰে প্ৰভুৰ গুণানুকীৰ্তন কৰি ৰাইজক মন্ত্ৰমুগ্ধ কৰি তোলে। নলবাৰীৰ ঘগ্ৰাপাৰৰ পাৰ্থপ্ৰতীম তালুকদাৰে হৰিনামৰ মাজেৰে শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ অমৰ সৃষ্টিৰাজিক জীয়াই ৰাখিবলৈ হ’লে ৰাইজক সতৰ্ক হ’বলৈ আহ্বান জনায়। গুৰুদুজনাৰ অনবদ্য সৃষ্টিৰাজিক বিকৃত নকৰাৰ বাবে নাগাৰানাম সংঘই যথেষ্ট তৎপৰ হৈ আহিছে যদিও ৰাইজে এইক্ষেত্ৰত অধিক সক্ৰিয় হ’ব লাগিব বুলিও মন্তব্য কৰে পাৰ্থপ্ৰতীম তালুকদাৰে। যদিহে ৰাইজে পাঠকগৰাকীক হৰিনামৰ পৰিবৰ্তে নাচিবলৈ উৎসাহ যোগায় তেন্তে অপসংস্কৃতি বাঢ়ি যাব বুলিও কয় পাৰ্থপ্ৰতীম তালুকদাৰে। একেৰাহে ১৯ বছৰ ধৰি নাগাৰা নামেৰে হৰিৰ গুণানুকীৰ্তন কৰি অহা পাৰ্থপ্ৰতীম তালুকদাৰে নৱপ্ৰজন্মৰ পাঠকসকলক নামৰ সময়ত বিহু নচা, পে পে আদি বন্ধ কৰি গুৰুদুজনাৰ দুৰ্লভ সৃষ্টিৰাজিক জীয়াই ৰাখিবলৈ আহ্বান জনায়। নাগাৰা নামৰ মুকুটবিহীন সম্ৰাট ৰামচৰণ ভড়ালী, কৈলাস তালুকদাৰ, সৰ্বেশ্বৰ কলিতাৰ দৰে খ্যাতনামা পাঠকৰ আদৰ্শেৰে নাগাৰা নামৰ নৱপ্ৰজন্মৰ পাঠকসকলক আগুৱাই যাবলৈ আহ্বান জনায় পাৰ্থপ্ৰতীমে। নাগাৰা নামৰ কাণ্ডাৰীসকলে দেখুৱাই যোৱা পথ যদিহে কোনো পাঠকে বহুৱালি কৰে তেন্তে আইনীভাৱে ব্যৱস্থা গ্ৰহণ কৰাৰ কথাও সদৰী কৰে পাৰ্থপ্ৰতীম তালুকদাৰে। মাঘী সভা উপলক্ষ্যত দুপৰনিশালৈকে চলি থাকে নাগাৰা নাম।

উদ্বোধনী মেচত আৰক্ষীক পৰাস্ত কৰি ই-মিডিয়া এচ’চিয়েচন বিজয়ী

## মৰিয়নিত ছুপাৰ চেভেন ক্ৰিকেটৰ মহাৰণ

**অসম বাৰ্তা, মৰিয়নি, ১৮ জানুৱাৰী ঃ** মৰিয়নিৰ নিউ সোণোৱাল মিচিং গাঁৱত আজিৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হৈছে ‘ছুপাৰ চেভেন টেনিছ বল ক্ৰিকেট টুৰ্ণামেণ্ট’। ‘কৃতিকা ৰাৰিয়ৰ’ৰ স্বত্বাধিকাৰী তথা ক্ৰীড়ানুৰাগী মানৱ চিন্তেৰ বিশেষ উদ্যোগত আয়োজিত এই প্ৰতিযোগিতাখনৰ উদ্বোধনী অনুষ্ঠানত এক আকৰ্ষণীয় প্ৰদৰ্শনীমূলক ক্ৰিকেট খেল অনুষ্ঠিত হয়। উত্তেজনাপূৰ্ণ উদ্বোধনী খেলখনত মৰিয়নি আৰক্ষী আৰু মৰিয়নি ই-মিডিয়া এচ’চিয়েচন মুখামুখি হয়। খেলৰ আৰম্ভণিতে টছত জয়লাভ কৰি মৰিয়নি ই-মিডিয়া এচ’চিয়েচনে প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। প্ৰথমে বেটিং কৰিবলৈ নামি মৰিয়নি আৰক্ষীৰ দলটোৱে নিৰ্ধাৰিত অভাৰত ই-মিডিয়া এচ’চিয়েচনৰ সন্মুখত ৭৮ ৰাণৰ এক প্ৰত্যাহ্বানমূলক লক্ষ্য বান্ধি দিয়ে। এই লক্ষ্য অনুসৰণ কৰি মৰিয়নি ই-মিডিয়া এচ’চিয়েচনৰ বেটাৰসকলে উন্নত প্ৰদৰ্শন দাঙি ধৰে আৰু মৰিয়নি আৰক্ষীক পৰাস্ত কৰি বিজয়ীৰ খিতাপ অৰ্জন কৰে। উল্লেখ্য যে, বিভিন্ন স্থানত অনুষ্ঠিত মুঠ তিনিখন প্ৰদৰ্শনীমূলক খেলৰ ভিতৰত এখনত মৰিয়নি আৰক্ষী আৰু দুখনত মৰিয়নি ই-মিডিয়া এচ’চিয়েচন বিজয়ী হ’বলৈ সক্ষম হয়। আনফালে প্ৰতিযোগিতাখনৰ মাজতে স্থানীয় ক্ৰীড়ানুৰাগী আৰু উদ্যোক্তাসকলে অঞ্চলটোত এখন সুব্যৱস্থিত খেলপথাৰৰ অভাৱৰ কথা সংবাদ মাধ্যমৰ আগত দুখেৰে প্ৰকাশ কৰে। উপযুক্ত খেলপথাৰৰ অভাৱৰ বাবে স্থানীয় প্ৰতিভাসকল বিকশিত হোৱাত বাধাৰ সৃষ্টি হোৱাৰ লগতে এনেধৰণৰ প্ৰতিযোগিতা আয়োজনৰ ক্ষেত্ৰতো যথেষ্ট অসুবিধাৰ সন্মুখীন হ’বলগীয়া হয় বুলি তেওঁলোকে জানিবলৈ দিয়ে। চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষক এই ক্ষেত্ৰত দৃষ্টি আকৰ্ষণ কৰিবলৈ তেওঁলোকে আহ্বান জনায়।



# আজিৰে পৰা যোৰহাটত বিজ্ঞান মহোৎসৱ

**অসম বাৰ্তা, যোৰহাট, ১৮ জানুৱাৰী ঃ** শিক্ষাৰ্থীৰ বৌদ্ধিক বিকাশৰ লগতে বিজ্ঞান জনপ্ৰিয়কৰণ আৰু বিজ্ঞান মনস্কতা গঢ় দিয়াৰ উদ্দেশ্যে অসম বিজ্ঞান সমিতিৰ যোৰহাট শাখাৰ উদ্যোগত কাইলৈৰ পৰা তিনিদিনীয়াকৈ বিশিষ্ট বিজ্ঞানী ড° যোগেন্দ্ৰ নাথ বৰুৱা স্মৃতিক্ষেত্ৰত বিস্তৃত কাৰ্যসূচীৰে প্ৰথম বাৰ্ষিক বিজ্ঞান মহোৎসৱৰ আয়োজন কৰিছে। যোৰহাট জিলা প্ৰশাসন, অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ, অসম বিজ্ঞান - প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদ, যোৰহাট জিলা আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, যোৰহাট জিলা ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহ, যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকাগৃহ, যোৰহাট পৰিৱেশ মঞ্চ, অসম শৈক্ষিক কেন্দ্ৰ আৰু এছপীৰ সহযোগত যোৰহাটৰ বৰভেটাত অৱস্থিত যোৰহাট বিজ্ঞান সমিতিৰ স্থায়ী চৌহদত মহোৎসৱ অনুষ্ঠিত হ’ব। মহোৎসৱ স্থলীত আজি এখন সংবাদমেল সম্বোধন কৰি আয়োজক সমিতিৰ সভাপতি ড° বিচিত্ৰ কুমাৰ বৰঠাকুৰে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক উত্তৰণৰ লগতে বিজ্ঞান জনপ্ৰিয়কৰণৰ উদ্দেশ্যে অসম বিজ্ঞান সমিতিয়ে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে বুলি ব্যক্ত কৰে। যোৰহাট শাখাই সম্ভৱত অসমত প্ৰথমবাৰৰ বাবে বিজ্ঞান মহোৎসৱ আয়োজন কৰা বুলি উল্লেখ কৰি তেওঁ সকলোৰে সহযোগিতা কামনা কৰে। প্ৰচাৰ সমিতিৰ আহ্বায়কদ্বয় হেমেন কুমাৰ শইকীয়া, অভিজিত হাজৰিকাই আঁত ধৰা সংবাদমেলত বিজ্ঞান সমিতিৰ সম্পাদক ৰমেন গগৈ, আয়োজক সমিতিৰ সম্পাদক দণ্ডেশ্বৰ দত্তই মহোৎসৱৰ অগ্ৰগতি সম্পৰ্কে ব্যাখ্যা কৰে। সংবাদ মেলত বিজ্ঞান সমিতিৰ উপদেষ্টা ড° ৰমেশ চন্দ্ৰ বৰুৱা, আয়োজক সমিতিৰ সহ সম্পাদক ড° প্ৰশান্ত হাজৰিকা, ধীৰেন্দ্ৰ কুমাৰ গগৈ, ড° বিমলা প্ৰসাদ বৰুৱা, ৰাজীৱ লোচন গোস্বামী, ড° ঈশ্বৰ প্ৰসাদ বৰুৱা, ড° পুলকজ্যোতি ভূঞা প্ৰমুখ্যে বিভিন্নজন উপস্থিত থাকে। কাইলৈ পুৱা পতাকা উত্তোলন কৰিব যোৰহাট বিজ্ঞান সমিতিৰ উপদেষ্টা উমেশ চন্দ্ৰ বৰা আৰু সভাপতি ড° বিচিত্ৰ কুমাৰ বৰঠাকুৰে। ইয়াৰ পাছতে বিজ্ঞান ক্ষেত্ৰ উন্মোচন কৰিব বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামীয়ে আৰু মহোৎসৱ উদ্বোধন কৰিব অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ অধ্যক্ষ ড° অৰূপ কুমাৰ মিশ্ৰই। উদ্বোধনী অনুষ্ঠানত জিলা আয়ুক্ত জয় শিৱানী, বিজ্ঞানী ড° চৌধুৰী নাথ শইকীয়া, ডাঃ মানস প্ৰতিম বৰুৱাই অংশ গ্ৰহণ কৰিব। অনুষ্ঠানত এছটেক-ৰ সঞ্চালক ড° জয়দীপ বৰুৱাই স্মৃতিগ্ৰন্থ উন্মোচন, নেইষ্টৰ সঞ্চালক ড° ভি. এম.তিৱাৰীয়ে প্ৰদৰ্শনীৰ দ্বাৰ উদঘাটন কৰিব। অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ উদ্যোগত মহোৎসৱৰ প্ৰথমখন কাৰিকৰী সত্ৰ সঞ্চালনা কৰিব পৰিষদৰ সদস্য সচিব ড° গৌতম কৃষ্ণ মিশ্ৰই। প্ৰথম দিনা হ’বলগীয়া বিজ্ঞান মডেল, আকস্মিক বক্তৃতা প্ৰতিযোগিতা উদ্বোধন কৰিব বিদ্যালয় পৰিদৰ্শক বুলি গগৈ ভূঞাই, সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব নাট্যকাৰ প্ৰশান্ত কুমাৰ দাসে আৰু আকাশ নিৰীক্ষণ কৰাব যোৰহাট বিজ্ঞান কেন্দ্ৰৰ শৈক্ষিক বিষয়া পূৰৱী দেৱীয়ে। দ্বিতীয় দিনা অসম বিজ্ঞান সমিতিৰ উদ্যোগত হ’ব লগীয়া কাৰিকৰী সত্ৰ সঞ্চালনা কৰিব যোৰহাট বিজ্ঞান সমিতিৰ উপদেষ্টা ড° ৰমেশ চন্দ্ৰ বৰুৱাই আৰু কেন্দ্ৰীয় এৰী মুগা গৱেষণা কেন্দ্ৰৰ উদ্যোগত হ’ব লগীয়া কাৰিকৰী সত্ৰ সঞ্চালনা কৰিব টোকোলাই চাহ গৱেষণা কেন্দ্ৰৰ সঞ্চালক ড° ভেংকটেশ্বন চেলভাৰাজে। ইয়াৰ পাছতে কুইজ আৰু থলীতে সংবাদ লেখন প্ৰতিযোগিতা অনুষ্ঠিত হ’ব। অসম বিজ্ঞান সমিতিৰ উদ্যোগত হ’ব শেষৰখন কাৰিকৰী সত্ৰ সঞ্চালনা কৰিব কৃষি বিজ্ঞানী ড° কুশল কুমাৰ বৰুৱাই। বিয়লি ধেমালিৰ চলেৰে বিজ্ঞান অনুষ্ঠান প্ৰদৰ্শন হ’ব। অন্তিম দিনা বিজ্ঞানীৰ সৈতে মুখা মুখী অনুষ্ঠান সঞ্চালনা কৰিব মৌচাক মামা শান্তনু তামোলীয়ে। ইয়াৰ পাছতে কেৰিয়াৰ পৰামৰ্শদান অনুষ্ঠান পৰিচালনা কৰিব অসম শৈক্ষিক কেন্দ্ৰৰ উপসভাপতি ড° প্ৰশান্ত কুমাৰ বৰদলৈয়ে আৰু ৰবটিক্স প্ৰদৰ্শন কৰিব যোৰহাট বিজ্ঞান কেন্দ্ৰৰ ড° দুষ্যন্ত দত্তই। বিয়লি হ’ব লগীয়া মহোৎসৱৰ সামৰণী অনুষ্ঠানত বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানৰ সঞ্চালক ড° নীতিন কুলকাৰ্ণী আৰু অসম মহিলা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অজন্তা বৰগোহাঁই ৰাজকোঁৱৰে অংশ গ্ৰহণ কৰিব।

## কয়লামাৰীত বন্যহস্তীয়ে ভাঙিলে পাঁচটাকৈ বাসগৃহ

**অসম বাৰ্তা, লীলাবাৰী, ১৮ জানুৱাৰী ঃ** লখিমপুৰ জিলাৰ অসম-অৰুণাচল সীমান্তবৰ্তী কয়লামাৰী পঞ্চায়তৰ অন্তৰ্গত কয়লামাৰী চাহ বাগিচাৰ কয়লাপথাৰ আৰু ১/২ নং বালিজান গাঁৱত বন্যহস্তীয়ে শুক্ৰবাৰে ৰাতি ভাঙিলে পাঁচখনকৈ বাসগৃহ। ৰাতি শুই থকা অৱস্থাত বালিজানৰ ৰাজ কৰ্মকাৰ, বিজয় কৰ্মকাৰ, বাবুলাল হাঁচদা আৰু কয়লাপথাৰৰ বাদল বাউৰী, স্বপ্না মুৰ্মু বাসগৃহ ভাঙি মষিমূৰ কৰে এটা দঁতাল বনৰীয়া হাতীয়ে। খাদ্যৰ সন্ধানত জংঘলৰ পৰা অহা এটা দঁতাল হাতীয়ে বাসগৃহ কেইটা সম্পূৰ্ণ ৰূপে ভাঙি পেলোৱাৰ লগতে ধান-চাউল মহতিয়াই নিয়ে। উল্লেখ্য যে, বাদল বাউৰী আৰু স্বপ্না মুৰ্মু কয়লামাৰী চাহবাগিচাৰ লাইন কোৱাৰ্টাৰটো সম্পূৰ্ণ ৰূপে বিধস্ত কৰে হাতীটোৱে। আঘাতপ্ৰাপ্ত হয় বাসগৃহ দুটাৰ দুয়োগৰাকীয়ে। এমাহৰ পূৰ্বে কয়লামাৰী চাহবাগিচাৰ কয়লাপথাৰৰ লক্ষ্মীয়া প্ৰাথমিক বিদ্যালয়ৰ ৰন্ধন কক্ষৰ টিনৰ দৰ্জা ভাঙি চাউলৰ বস্তা দুটা বন্যহস্তীয়ে লৈ গৈছিল। কয়লামাৰী চাহবাগিচাৰ কাষৰীয়া খেতি মাটিত স্থানীয় ৰাইজে ৰোৱা কেঁচা ধান মাৰি বস্তাত মজুত ৰখা ধানো বন্যহস্তীয়ে লৈ যায়। দুদিন পূৰ্বে দিন হাজিৰা কৰি ভাতমুঠি গোটোৱা এতুৱা ওৰাওঁৰ পৰিয়ালটোৱে সোমবাৰে ৰাতি শোৱাপাটীত থকা অৱস্থাত প্ৰায় চাৰে দহ বজাত এটা দঁতাল হাতীয়ে আহি ঘৰ ভাঙিছিল। ৰাইজে অভিযোগ কৰিছে যে, জাকে জাকে অহা বন্যহস্তী খেদিবৰ বাবে প্ৰয়োজন হোৱা টৰ্চ্চ লাইট, বোমা, জোঁৰ আদি লাগতিয়াল সামগ্ৰীৰ অভাৱৰ লগতে বিভাগীয় কৰ্তৃপক্ষক কেইবাবাৰো সেই সন্দৰ্ভত আবেদন দিছিল, যদিও কোনো সুবিধা পাবলৈ সক্ষম হোৱা নাই। বেলি মাৰ নৌ-যাওঁতেই বন্যহস্তী অহি ঘৰ, পথাৰ তহিলং কৰে। ষ্ট্ৰীট লাইট নথকা গাঁৱখনত কাৰেণ্ট গ’লেই বন্যহস্তীৰ উপদ্ৰৱ বেছিকৈ হয় আৰু কাৰেণ্ট ফেন্সিং নথকাৰ বাবে পথাৰ বচাবলৈ যথেষ্ট অসুবিধাৰ সন্মুখীন হ’ব লগা হয়। চৰকাৰ তথা প্ৰশাসনৰ পৰা হাতীয়ে ঘৰ ভঙা পাঁচটা পৰিয়ালক ক্ষতিপূৰণ দিবলৈ স্থানীয় ৰাইজে দাবী জনাইছে।



সঘনাই চুৰিৰ ঘটনাক লৈ ৰাইজৰ মাজত আতংক

# ঢেকীয়াজুলিৰ শইকীয়া চুবুৰীৰ হৰিহৰ শিৱ মন্দিৰত চুৰিকাণ্ড

**অসম বাৰ্তা, ঢেকীয়াজুলি, ১৮ জানুৱাৰী ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলি আৰক্ষী থানা এলেকাৰ শইকীয়া চুবুৰীত অৱস্থিত প্ৰাচীন হৰিহৰ শিৱ মন্দিৰত নিশাৰ সময়ত এটা চুৰিকাণ্ড সংঘটিত হোৱা ঘটনাই সমগ্ৰ এলেকাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। অভিযোগ অনুসাৰে, অজ্ঞাত দুৰ্বৃত্তই মন্দিৰৰ দৰজা ভাঙি ভিতৰত প্ৰৱেশ কৰি মন্দিৰত সংৰক্ষিত দানপাত্ৰ, পূজাৰ সামগ্ৰীসহ কেইবাটাও গুৰুত্বপূৰ্ণ বস্তু লৈ পলায়ন কৰে বুলি সন্দেহ কৰা হৈছে। ঘটনাৰ খবৰ পোৱাৰ পিছতে মন্দিৰ পৰিচালনা সমিতিৰ সদস্যসকল ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয় আৰু তৎক্ষণাৎ ঢেকীয়াজুলি আৰক্ষী থানাত এই সন্দৰ্ভত এজাহাৰ দাখিল কৰে। আৰক্ষীয়ে ঘটনাটোৰ তদন্ত আৰম্ভ কৰাৰ লগতে এলেকাত অনুসন্ধান অভিযান চলাইছে বুলি জানিব পৰা গৈছে। উল্লেখ্য যে শেহতীয়াকৈ ঢেকীয়াজুলি আৰক্ষী থানা এলেকাত এটাৰ পিছত আনটোকৈ চুৰিকাণ্ডৰ ঘটনা সঘনাই সংঘটিত হৈ আহিছে। বাসগৃহ, ব্যৱসায়িক প্ৰতিষ্ঠানৰ লগতে এতিয়া ধৰ্মীয় স্থানো চোৰৰ লক্ষ্য হৈ উঠাত স্থানীয় ৰাইজৰ মাজত গভীৰ উদ্বেগৰ সৃষ্টি হৈছে। নিশাৰ সময়ত পৰ্যাপ্ত আৰক্ষী টহল নথকাৰ অভিযোগো উঠিছে। স্থানীয় ৰাইজ আৰু মন্দিৰ পৰিচালনা সমিতিয়ে এই ক্ষেত্ৰত দোষীক শীঘ্ৰে চিনাক্ত কৰি কঠোৰ শাস্তি প্ৰদান কৰাৰ লগতে এলেকাত সুৰক্ষা ব্যৱস্থা শক্তিশালী কৰিবলৈ আৰক্ষী প্ৰশাসনৰ ওচৰত দাবী জনাইছে। লগতে ভৱিষ্যতে এনেধৰণৰ ঘটনা ৰোধ কৰিবলৈ মন্দিৰ চৌহদত চিচিটিভি কেমেৰা সংস্থাপন কৰিছে আৰু নিয়মিত আৰক্ষী টহলৰ ব্যৱস্থা কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।



# পিএম শ্ৰী দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী বৰ্ষ উদ্‌যাপনৰ সামৰণী অনুষ্ঠান সম্পন্ন

**অসম বাৰ্তা, হাজো, ১৮ জানুৱাৰী ঃ** কামৰূপ জিলাৰ ঐতিহ্যমণ্ডিত পিএম শ্ৰী দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ সামৰণী অনুষ্ঠানটো আজি দিনযোৰা কাৰ্যসূচীৰে সামৰণি পৰে। সেই উপলক্ষে পুৱাৰ ভাগত মহাৰজত জয়ন্তী বৰ্ষৰ পতাকা উত্তোলন কৰে মহাৰজত জয়ন্তী বৰ্ষ উদযাপন সমিতিৰ সভাপতি থানেশ্বৰ মালাকাৰে, বিদ্যালয়ৰ পতাকা উত্তোলন কৰে মহাৰজত জয়ন্তী বৰ্ষ উদযাপন সমিতিৰ সম্পাদক তথা অধ্যক্ষ সূৰ্য কুমাৰ ভট্টাচাৰ্যই। সমাজৰ বিশিষ্ট ব্যক্তিৰ দ্বাৰা ৭৪খন পতাকা উত্তোলনৰ পিছত বন্তি প্ৰজ্বলন, শ্বহীদ তৰ্পণ আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠান ৰূপায়ণ কৰে। ইয়াৰ পিছতে দিনৰ ভাগত মহাৰজত জয়ন্তী বৰ্ষ উদযাপন সমিতিৰ সভাপতি থানেশ্বৰ মালাকাৰৰ সঞ্চালনাত অনুষ্ঠিত হয় মুকলি সভা। বিদ্যালয়ৰ অধ্যক্ষ তথা উদযাপন সমিতিৰ সম্পাদক সূৰ্য্য কুমাৰ ভট্টাচাৰ্যই আদৰণি জনোৱা সভাত জন স্বাস্থ্য, আভিযান্ত্ৰিক আৰু পৰ্যটন বিভাগৰ মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই মুখ্য অতিথি হিচাপে উপস্থিত থাকি চৰকাৰী বিদ্যালয়ৰ বৰ্তমান উন্নয়ন সন্দৰ্ভত বক্তব্য প্ৰদান কৰে। তেওঁ ভাষণ প্ৰসঙ্গত ব্যক্তিগত অভিজ্ঞতা সুৱৰি চৰকাৰী বিদ্যালয়ত শিক্ষক শিক্ষয়িত্ৰী সকলক অধ্যয়নত মনোনিবেশ কৰিবলৈ আহ্বান জনায়। স্মৃতিগ্ৰন্থ উন্মোচন কৰি নগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° হিতেশ ডেকাই ছাত্ৰ-ছাত্ৰী সকলক অধ্যয়নত ব্ৰতী হোৱাৰ বিকল্প নাই বুলি কৈ নিজৰ ইচ্ছানুসৰি উচ্চ শিক্ষাত ব্ৰতী হ’বলৈ আহ্বান জনায়। তেওঁ লগতে শিক্ষক সকলৰ মৌলিক দায়িত্ব নিয়াৰিকৈ পালন কৰিলে বিদ্যালয় এখনে আগবাঢ়ি যাবলৈ সক্ষম হ’ব বুলিও কয়। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি বিদ্যালয়খনৰ এগৰাকী প্ৰাক্তন ছাত্ৰ তথা লোক নিৰ্মাণ বিভাগৰ ৰাষ্ট্ৰীয় ঘাইপথৰ মুখ্য অভিযন্তা দেৱজিৎ দাসে বিদ্যালয় খনৰ অতীত ৰোমন্থন কৰি নষ্টালজিক হৈ পৰে আৰু বিদ্যালয়ৰ গুন গৰিমা অক্ষুণ্ণ ৰাখিবলৈ আহ্বান জনায়। বিদ্যালয়ৰ এগৰাকী কৃতি ছাত্ৰ তথা গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা বিভাগ অসমৰ আই, পি, এচ আৰক্ষী মহাপৰিদৰ্শক অৰবিন্দ কলিতাই দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অতীত ৰোমন্থন কৰে। শিক্ষক দীনেশ মালাকাৰে আতধৰা আজিৰ সভাত ভাৰতীয় জনতা পাৰ্টীৰ ৰাজ্যিক সদস্য প্ৰকাশ চন্দ্ৰ দাস, বিজেপি নেতা ডাঃ বেদব্ৰত পাঠক, মৃদুল মালাকাৰ, দিলীপ কুমাৰ শৰ্মা, বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ প্ৰসন্ন কুমাৰ দাস, বসন্ত কলিতা, গণেশ দাসকে ধৰি কেইবাগৰাকীও বিশিষ্ট অতিথি উপস্থিত থাকে। বিয়লিৰ ভাগত নলবাৰী জিলাৰ আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে মুকলি কৰা সাংস্কৃতিক অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী ৰূপম ভূঞাই সংগীত পৰিবেশন কৰে। সন্ধিয়া বিদ্যালয়ৰ চৌহদত বন্তিপ্ৰজ্জ্বলনেৰে অনুষ্ঠানৰ সামৰণি মাৰে।



